# ডিগবৈ মহাবিদ্যালয়

DIGBOI COLLEGE LIBRARY
GOVT.
ESTD: 1965
AIDED
DIGBOI

৮০-৮১



# আলোচনী

সম্পাদক
ৰমেশ গগৈ

# ॥ ডিগবৈ মহাবিদ্যালয় আলোচনী ॥

## পঞ্চম সংখ্যা

### ডিগবৈ মহাবিদ্যালয় ছাত্ৰ-সন্থাৰ বছেৰেকীয়া প্ৰকাশ

১৯৮০ - ৮১ চন

সম্পাদক :

ৰমেশ গগৈ ।

## Editorial Board

# DIGBOI COLLEGE MAGAZINE

## 1980-81

*Patron :*
**Dr. P. K. Bhuyan, Principal**

*Chairman :*
**Prof. T. C. Hazarika**

*Staff Member :*
**Prof. H. Sarma**

*Editor :*
**Sri Ramesh Gogoi**

*Student Members :*
**Sri Biren Borgohain**
**Sri Rajib Rajkonwar**
**Miss Rubi Deb**

*Cover Page :*
**Sri Lakheswar Borah**

# শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰলৈ

## • শ্ৰদ্ধাঞ্জলী তৰ্পণ •

আই অসমীৰ সুযোগ্য সন্তান
হে স্বৰ্গগত বীৰ ;
কৰিছো প্ৰণাম তব
কৰি নতশিৰ।
শেতাঁ সুকুযক তেজ ৰঙা ৰঙ দিলা
বুকুৰ কলিজা চিৰি ;
জগাই তুলিলা তোমাৰ যত আছে বংশধৰ
আজীৱন ঊৰ্দ্ধবাহু কৰি।

অসমৰ অস্তিত্ব ৰক্ষাৰ সন্ধিক্ষণত মহান কৰ্ত্তব্যৰ পূজাৰী হৈ দুখুনী জননী পূজাৰ বেদীত জীৱন আহুতি দিয়া, অসমীয়া জাতিক মহীয়ান কৰি তোলা, জ্ঞাত-অজ্ঞাত মহান সন্তানসকলৈ আমাৰ অশ্ৰু ও শ্ৰদ্ধাঞ্জলী যাঁচিলো।

সম্পাদক
ডিগবৈ মহাবিদ্যালয় আলোচনী।

## • শ্ৰদ্ধাঞ্জলী নিবেদন •

অসমৰ সুযোগ্য সন্তান স্বনামধন্য বুৰঞ্জীবিদ তথা সাহিত্যিক

৺ বেনুধৰ শৰ্ম্মা আৰু প্ৰখ্যাত ৰাজনীতিবিদ

৺ বিষ্ণুৰাম মেধিৰ

প

বি

ত্ৰ

স্মৃতিত

আমাৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিলো।

সম্পাদক

॥ ডিগবৈ মহাবিদ্যালয় আলোচনী ॥

ফোন : কাৰ্য্যালয় - ১০৭৯
ঘৰ - ১০৭৬

# পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতি

ডিব্ৰুগড় বিশ্ববিদ্যালয়

শ্ৰীলীলা গগৈ, এম-এ,
সচিব

ডাকঘৰ : ডিব্ৰুগড় বিশ্ববিদ্যালয়
ডিব্ৰুগড়, অসম

প্ৰসংগ সংখ্যা..................

তাৰিখ ২৮ - ১ - ৮১

DIGBOI COLLEGE LIBRARY
GOVT.
ESTD: 1965
AIDED
DIGBOI

শ্ৰীৰমেশ গগৈ

সম্পাদক, ডিগবৈ মহাবিদ্যালয় আলোচনী।

প্ৰিয় শ্ৰীমান গগৈ,

ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ-সন্থাৰ পক্ষৰ পৰা এখনি আলোচনী প্ৰকাশ কৰিবলৈ দিহা কৰাৰ কথা জানিবলৈ পাই সুখী হলোঁ। মহাবিদ্যালয়ৰ মুখপত্ৰসমূহ উদীয়মান ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ মাধ্যম। গল্প কবিতা, ৰস-ৰচনা আদি সৃষ্টিমুখী ৰচনাৰ উপৰিও ছাত্ৰ-ছাত্ৰীৰ বুদ্ধি আৰু অধ্যয়নৰ চানেকী বহন কৰি চিন্তামূলক প্ৰবন্ধ-নিবন্ধ আদিও পোনতে এনে মুখপত্ৰতে প্ৰকাশিত হৈ ভৱিষ্যত কৃতিত্বৰ সম্ভাৱনা লৈ গা-দেখা দিয়ে। ডিগবৈৰ নিচিনা গুৰুত্বপূৰ্ণ ঠাইত অৱস্থিত মহাবিদ্যালয়খনিৰ ছাত্ৰ-ছাত্ৰীসকলে বাছকবনীয়া ৰচনাৰে সমৃদ্ধ কৰি আলোচনীখন প্ৰকাশ কৰিব পাৰিব বুলি আশা কৰিলো আৰু উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ।

ইতি,
তোমাৰ
লীলা গগৈ

# অসম সাহিত্য সভা

স্থাপিত : ১৯১৭

কেন্দ্ৰীয় কাৰ্যালয় : চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট - ৭৮৫০০১, অসম।
টেলিফোন - ৩৭৬
গুৱাহাটী কাৰ্যালয় : ভগৱতী প্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী - ৭৮১০০১।
টেলিফোন - ২৪৭৭৬

ক্ৰমাংক : ১০৭১১/৮১-৮২

দিনাংক : ১।২।৮১

শ্ৰীৰমেশ গগৈ
সম্পাদক
ডিগবৈ মহাবিদ্যালয় আলোচনী
ডিগবৈ, অসম

প্ৰিয় শ্ৰীমান ৰমেশ,

পত্ৰে প্ৰীতি-সম্ভাষণ জানিব।

তোমাৰ ২০ জানুৱাৰী তাৰিখৰ চিঠি পালোঁ। তোমালোকৰ প্ৰতি আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰাৰ বাহিৰে লেখা পঠাবলৈ মোৰ সদ্য হতে আজৰি নোহোৱাৰ দৰে হৈছে। আশা কৰো তাৰ বাবে মোক ক্ষমা কৰিবা।

তোমালোকৰ আলোচনীখনিয়ে সৰ্ব্বাংগসুন্দৰ হৈ প্ৰকাশ লাভ কৰক ইয়াকে কামনা কৰিলোঁ।

ইতি,
তোমাৰ
স্বাঃ

( শ্ৰীনগেন শইকীয়া )
প্ৰধান সম্পাদক
অসম সাহিত্য সভা।

# সম্পাদকীয়

## সাহিত্য সৃষ্টিত সমসাময়িক প্ৰভাৱ আৰু সামাজিকদায়বদ্ধতা—

সাহিত্য যদি নিৰৱছিন্ন জলধাৰাৰ এক স্ৰোত হয়, তেন্তে তাৰ পাৰত থকা দৃশ্যৰাজিৰ প্ৰতিবিম্ব প্ৰতিফলিত হোৱাটো এক চিৰন্তন সত্য। এই সত্য অস্বীকাৰ কৰা মানে স্বয়ং যমৰ আগত মিছা মতা। এক প্ৰতিফলক মাধ্যমে কেতিয়াও কোনো বস্তুৰ বিকৃত প্ৰতিচ্ছবিৰ সৃষ্টি নকৰে। ই তাৰ ধৰ্ম্ম বহিৰ্ভূত। অৱশ্যে কেতিয়াবা জলধাৰাৰ বুকুতো ঢৌ উঠে। এই ঢৌত প্ৰতিচ্ছবি সমূহৰ অবয়বৰ বঢ়া-টুটাহে হয়; কিন্তু তাৰ সম্পূৰ্ণ আকৃতিগত পৰিৱৰ্ত্তন হোৱাৰ সম্ভাৱনা নেথাকে।

সাহিত্যৰ ক্ষেত্ৰতো সেই একে কথাই প্ৰযোজ্য। অন্যকথাত সাহিত্য সৃষ্টিত সমসাময়িক ঘটনাৰাজি বা কাৰ্য্যাদিৰ প্ৰভাৱ নুই কৰিব নোৱাৰি। কেৱল কল্পনাকে সাক্ষী কৰি ফলপ্ৰসূ সাহিত্যৰ সৃষ্টি হ'ব নোৱাৰে। এইটোও অনস্বীকাৰ্য্য যে কল্পনা কৰিবলৈ হ'লেও এটা আওঁজনীৰ ( Base ) আৱশ্যক হয়; আৰু এই আওঁজনী বা আধাৰ বাস্তৱ জগতৰ পৰাই ধাৰ কৰিবলগীয়া হোৱাটোও আশ্চৰ্য্যজনকভাৱে সত্য। উদাহৰণ হিচাপে বৰ্ত্তমান আমাৰ সমাজ ব্যৱস্থাৰ কথাই ধৰা হওক। আমাৰ সমাজ-ব্যৱস্থাত এনে কিছুমান কেৰোণ আছে, যিবিলাকক উদঙাই দেখুৱাবলৈ যাওঁতে সাহিত্যৰ এক বিশেষ ধাৰাই প্ৰৱৰ্ত্তন হব। এই ছিদ্ৰযুক্ত, পঙ্গু সমাজ-ব্যৱস্থাৰ বিপৰীতে সৰ্বাঙ্গসুন্দৰ, অনন্য এক সমাজ ব্যৱস্থাৰ সৃষ্টিকৰিবলৈ যাওঁতে বৰ্ত্তমান সমাজ ব্যৱস্থাৰ ভেজালৈহে আগবাঢ়িব পৰা যাব। আমি ইমানকেহে কল্পনা কৰিব পাৰিম যে — আমাৰ সমাজৰ কেৰোণ সমূহ বাস্তৱ-সন্মত উপায়েৰে আঁতৰ কৰি কেনেকৈ সুস্থ-সবল সমাজ সৃষ্টি কৰিব পৰা হয়। অন্যথা সেই সাহিত্য হ'ব অতি কাল্পনিক। যাৰ অস্তিত্ব থাকিব কেৱল সাহিত্যিকৰ মানসিকতাতহে। জনমানসত তাৰ অস্তিত্ব বিচৰা মানে পৰ্ব্বতত কাছ-কণী বিচৰাৰ নিচিনা হ'ব। তেনে সাহিত্যৰ কাব্যিক মূল্য থাকিব পাৰে; কিন্তু সামাজিক দায়বদ্ধতাৰ হিচাব-নিকাচত

এটা ডাঙৰ শূন্যহে থাকিব। এইখিনিতে এটা কথা উল্লেখ কৰাটো অপ্ৰাসঙ্গিক নহ'ব যে— কেৱল সৌন্দৰ্য্যবোধ অৰ্থাৎ কাব্যিক সৌন্দৰ্য্যই সু-সাহিত্যৰ যথাসৰ্ব্বস্ব নহয়। সু-সাহিত্যৰ মূল্যায়ণ কেৱল তাৰ কাব্যিক মূল্যৰ ওপৰতে নিৰূপন কৰিব নোৱাৰি। সত্য আৰু সুন্দৰৰ সু সমন্বয়েহে ইয়াৰ পিতৃত্ব দাবী কৰিব পাৰে। সাহিত্য-দৃষ্টিত এই দুই উপাদান অভিন্ন। এটাক বাদ দি আনটোৰ পূৰ্ণতা সম্ভৱ নহয়। গতিকে সফল সাহিত্য মানেই এই দুই উপাদানৰ সু-সংহত, সযত্ন উপস্থাপিত-উপাদেয় এক সংমিশ্ৰণ। অৱশ্যে বহু-সংখ্যক বিশ্ব-বৰেণ্য সাহিত্যসেৱীৰ সৃষ্টিও প্ৰত্যক্ষভাৱে পাৰ্থিৱ সমস্যা বা তাৰ সমাধানৰ লগত জড়িত নহয়; কিন্তু পৰোক্ষভাৱে হ'লেও সেই সৃষ্টিৰ লগত পাৰ্থিৱ সমস্যা, শোক-তাপ, প্ৰেম-প্ৰীতি আদিৰ যোগসূত্ৰ থাকে।

অসমত দীৰ্ঘদিন ব্যাপী যি আন্দোলন চলি আছে, এই আন্দালনৰ ওপৰত ভিত্তি কৰি মূল্যবান আৰু ফলপ্ৰসূ সাহিত্যৰ সৃষ্টি হ'ব পাৰে। এই সম্পৰ্কে কাকতে-পত্ৰই বিস্তৰ আলোচনা-বিলোচনা ইতিমধ্যে চলিছেও। অসমীয়া মানুহৰ মানসিকতা, ধৈৰ্য্য আৰু ত্যাগৰ ভিত্তিত কালজয়ী অসমীয়া চৰিত্ৰৰ সৃষ্টি হোৱাৰ থল আছে; কিন্তু এই চৰিত্ৰ সৃষ্টি কৰিবলৈ যাওঁতে যাতে আবেগ-প্ৰৱনতা দূৰত থাকে তাক লক্ষ্য কৰাটো সমীচীন হ'ব। দোষ-গুণৰ সমষ্টিয়েই মানুহ। সম্পূৰ্ণ মানুহ বিৰল। অপ্ৰিয় হ'লেও যে সত্য সদায় সত্যই তাক অস্বীকাৰ কৰাৰ উপায় নাই। গতিকে সম্পূৰ্ণ নিৰপেক্ষভাৱে অৰ্থাৎ পক্ষপাতিত্বক দূৰলৈ ঠেলি কৰা সৃষ্টিহে আদৰণীয় হ'ব, কালজয়ী হ'ব। আবেগক উচ্চ আসন দি, গাৰ মঙহ বুলি সাত-খুন মাফ কৰি, মানৱতাক পক্ষপাতদুষ্ট কৰি জন্ম দিয়া সাহিত্য কালজয়ী হ'ব নোৱাৰে। তেনে সাহিত্য হ'ব ক্ষণস্থায়ী; অৰ্থাৎ কোনো এক বিশেষ সময়ত এক বিশেষ লোকালয়ৰ দ্বাৰা সি আদৃত হ'ব পাৰে; কিন্তু সময়ত সি পেলনীয়া হবলৈ বাধ্য। মানৱতা এক সীমিত সংখ্যাতে আৱদ্ধ নহয় আৰু তাৰ সীমা নিৰ্দ্ধাৰণ কৰিবলৈ যোৱাটোও নিৰ্বুদ্ধিতাৰ পৰিচায়ক। মানৱতাৰ কোনো পক্ষ নাই; বৰং ই জীৱশ্ৰেষ্ঠ নৰ নামধাৰী মানুহৰ — মানুহ নামৰ যোগ্যতাৰ এক মাপ। গতিকে এই ভূষণক পক্ষপাতিত্বৰে কলুষিত কৰাসকল মানুহ নামৰ অযোগ্য নহবনে?

বৰ্ত্তমান অসমৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত অসমীয়া চৰিত্ৰৰ সৃষ্টি কৰিবলৈ যাওঁতে মূলতঃ দুটি বিষয়ৰ ওপৰত সতৰ্ক দৃষ্টি ৰখাটো বাঞ্চনীয়।

প্ৰথমতে, এইটো সদায় মনত ৰাখিব লাগিব যে, আলোচিত চৰিত্ৰটিয়ে সমগ্ৰ অসমীয়া জাতিসত্বাৰ হৈ বিশ্ব-দৰবাৰত প্ৰতিনিধিত্ব কৰিব। উল্লেখযোগ্য যে, সেই প্ৰতি-নিধিত্ব কেৱল অসমীয়া জাতিৰ মানৱীয় গুণৰাজিৰ ভেটিতেই নহয়, তাৰ বৈপৰীত্বইও সেই সুবিধা পাব লাগিব; যদি প্ৰকৃততে বৈপৰীত্বৰ অস্তিত্ব আছে। সহজ কথাত জুইক ঢাকি ৰখাৰ চেষ্টা কৰা অনুচিত আৰু কৰিও কোনো লাভ নাই।

দ্বিতীয়তে আছিল দায়বদ্ধতা। সাহিত্য সামাজিকভাৱে দায়বদ্ধ হোৱাতো বাঞ্ছনীয়। বৰ্ত্তমান অসম আন্দোলনৰ পৰিপ্ৰেক্ষিতত সৃষ্টি হোৱা সাহিত্যই আন্দোলনৰ, অন্যকথাত অসমীয়াৰ মানসিকতাক, চৰিত্ৰক সৰ্ব্বতোদিশৰ পৰা বিশ্লেষণ কৰি উপস্থাপন কৰাটো যুগুত ৰিবেচনা কৰোঁ; কিয়নো এই লিখনিত আগতেই উল্লেখ কৰি অহা হৈছে যে সম্পূৰ্ণ মানুহ বিৰল; কিন্তু মানুহক সম্পূৰ্ণ কৰি গঢ়ি তোলাৰ প্ৰচেষ্টা সদায় আদৰণীয়। গঠনমূলক সমালোচনাই কাৰো অনিষ্ট নকৰে, কাৰো পথ ৰুদ্ধ নকৰে, বৰং শুদ্ধ কৰি গঢ়ি তোলাৰ, সুন্দৰৰ আৰাধনা কৰাৰ পথহে মুকলি কৰে। সেয়েহে এনে ধৰণৰ সৎ-সমালোচনাৰ হজম কৰাৰ শক্তি আহৰণ কৰাটো অতি আৱশ্যকীয় কথা।

সামাজিক পৰিৱৰ্ত্তনত সাহিত্যৰ ভূমিকা সম্পৰ্কে কাৰো দ্বিমত থাকিব নোৱাৰে। উদাহৰণ হিচাপে অসমৰ আন্দোলনকে আঙুলিয়াব পাৰি; যাৰ পথ মুকলি হৈছিল কেইখনমান সংবাদপত্ৰৰ যোগেদি। সেয়েহে শেষত সাহিত্যই আমাক শুদ্ধ পথেৰে পৰিচালনা কৰক, সামাজিকভাৱে আমাক দায়বদ্ধ কৰি গঢ়ি তোলক, আৰু উন্নতিৰ সপোনত এখোপ এখোপকৈ আগুৱাই নিয়ক; এয়ে কামনা।

ৰমেশ গগৈ
সম্পাদক
ডিগবৈ মহাবিদ্যালয় আলোচনী।

DIGBOI COLLEGE LIBRARY GOVT. ESTD: 1965 AIDED DIGBOI

## কৃতজ্ঞতা স্বীকাৰ :—

ডিগবৈ মহাবিদ্যালয়ৰ এই মুখপত্ৰখনি আপোনালোকৰ হাতত তুলি দিবলৈ যাওঁতে যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছিলো। এই অসুবিধা সমূহ দূৰ কৰি সৰ্ব্বাঙ্গসুন্দৰ কৰি তুলিবলৈ যাওঁতে যিসকলে পদে পদে সহায়-সহযোগ, সুপৰামৰ্শাদি আগবঢ়াইছিল তেখেতসকলৰ ওচৰত মই চিৰকৃতজ্ঞ।

বিশেষকৈ বিভিন্ন ক্ষেত্ৰত পৰামৰ্শ আদিৰে সহায় কৰা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ড° প্ৰফুল্ল কুমাৰ ভূঞা, অধ্যাপক তৰুণ হাজৰিকা আৰু অধ্যাপক হিতেন শৰ্ম্মাৰ নাম শ্ৰদ্ধা সহকাৰে সোঁৱৰিলো। তাৰোপৰি সম্পাদনা সমিতিৰ সদস্যসকল আৰু মেচাৰ্চ দি অসম পেপাৰ ইণ্ডাষ্ট্ৰিৰ স্বত্বাধিকাৰ শ্ৰীহেম কুমাৰ গগৈদেৱও ধন্যবাদৰ পাত্ৰ। শেষত অনিচ্ছাকৃতভাৱে বৈ যোৱা ভুলৰ বাবে সহৃদয় পঢ়ুৱৈসকলৰ ওচৰত ক্ৰটী মাৰ্জ্জনা ভিক্ষা মাগিলো।

সম্পাদক
ডিগবৈ মহাবিদ্যালয় আলোচনী।

# সূচীপত্ৰ

## ।। অসমীয়া বিভাগ ।।


| | | | | |
|---|---|---|---|---|
| ১। | প্ৰাদেশিকতাবাদ, অসম আৰু জ্যোতি-চিন্তা | | ॥ ১ ॥ | বীৰেণ বৰগোহাঁই |
| ২। | উদ্ভিদ বনাম ইন্ধন | | ॥ ৬ ॥ | দেৱজ্যোতি হাজৰিকা |
| ৩। | অলপ হাঁহি অলপ অশ্ৰু | (গল্প) | ॥ ১২ ॥ | কুমাৰ জীৱন বুঢ়াগোহাঁই |
| ৪। | অন্ধবিশ্বাস, কু-সংস্কাৰ আৰু ভাৰতবৰ্ষ | | ॥ ১৬ ॥ | বিজয়ানন্দ ভুৱৰা |
| ৫। | পানী ( একাংকিকা নাট ) | | ॥ ২৪ ॥ | ড° প্ৰফুল্ল কুমাৰ ভূঞা |
| ৬। | তেজৰ ৰং ৰঙা | (গল্প) | ॥ ৩৫ ॥ | ৰমেশ গগৈ |
| ৭। | আধুনিকা নাৰী | | ॥ ৪০ ॥ | তাৰা পাল |
| ৮। | সি বিদ্ৰোহ কৰিব | (গল্প) | ॥ ৪৪ ॥ | দেৱজ্যোতি হাজৰিকা |
| ৯। | বিশ্বত ছাত্ৰ-অশান্তিৰ চমু-পৰ্যালোচনা | | ॥ ৫০ ॥ | বিপুল চন্দ্ৰ খাউণ্ড |
| ১০। | জাৱঁৰ-জোঁথৰ আঁতৰাই | (গল্প) | ॥ ৫৪ ॥ | ৰাজীৱ ৰাজকোঁৱৰ |
| ১১। | কবিতা : সংকল্প ॥ | | — | জীৱন কুমাৰ বুঢ়াগোহাঁই |
| | পৰিৱৰ্ত্তন ॥ | | — | চৈয়দা চেমিমা হুছেইন |
| | আহ্বান ॥ | | — | কুমাৰী বীণা হাজৰিকা |
| | এই নিশা : প্ৰস্তুতিৰ এক নিশা ॥ | | — | অধীৰাজ বৰুৱা |
| | উত্তৰণ ॥ | | — | ৰুবী দেব |
| | এটি গীত ॥ | | — | চন্দন কুমাৰ বৰুৱা |
| | পৰিৱৰ্ত্তন ॥ | | — | মন্দিৰা বৰগোহাঁই |
| ১২। | ক্ৰিমিয়াৰ যুদ্ধৰ বিভীষিকা | | ॥ ৬১ ॥ | সৌৰভ শৰ্ম্মা |
| ১৩। | ’৮১ৰ গণৰাজ্য দিৱসলৈ গৈছিলো | | ॥ ৬৫ ॥ | ত্ৰিবেণী কাকতি |
| ১৪। | বৰ্ত্তমান অসমৰ গণজাগৰণ আৰু ডিগবৈ | | ॥ ৬৯ | অজিত কুমাৰ বড়া |

# প্ৰবন্ধ

## ॥ প্ৰাদেশিকতাবাদ, অসম আৰু জ্যোতি-চিন্তা ॥

● বীৰেন বৰগোহাঁই
স্নাতক ( বিজ্ঞান ) ১ম বাৰ্ষিক

আমাৰ সমাজত কমপৰিমানে হলেও জ্যোতি-চৰ্চ্চা হোৱাটো আনন্দৰ বিষয়। তেওঁৰ শিল্প-সাহিত্য অসমীয়া সমাজৰ আলেখ্যৰে জীৱন্ত আৰু বাস্তৱধৰ্মী। কলাৰ বাবে কলা নহয়, সমাজৰ বাবে যি উৎসৰ্গিত আৰু দায়বদ্ধ সিহে প্ৰকৃত কলা। জ্যোতি প্ৰসাদে এই ভাবধাৰাকে আগত ৰাখি শিল্প-সাহিত্যৰ চৰ্চ্চা কৰিছিল। শোষক আৰু স্বাৰ্থান্বেষী-অৰ্থলোভী-সকলৰ বিৰুদ্ধে কৰা পুঞ্জীভূত অভিযোগ আৰু শ্ৰমজীৱী জনতাৰ প্ৰতি থকা সহানুভূতি তেখে-তৰ ৰচনাৰ মাজেদি সুন্দৰ ভাবে প্ৰকাশ পাইছে। জ্যোতি প্ৰসাদৰ চিন্তা যেনেকৈ বাস্তৱধৰ্মী আৰু সামাজিক ভাবে দায়বদ্ধ ঠিক তেনেকৈ তেখেতৰ মানসত অসম-চিন্তাও সমান্তৰাল ভাবে জড়িত। ইয়াৰ ইংগিত তেখেতৰ ৰচনাত সদায়েই মূৰ্ত্তিমান। লভিতা নাটকত সংলাপৰ মাজেদি তেখেতৰ মানসত সুপ্ত হৈ থকা অসম-চিন্তাৰ এটা সুন্দৰ প্ৰতি-ফলন দেখিবলৈ পাওঁ। 'লভিতা' নাটকৰ সংলাপেৰে—

লেঃ বৰুৱা :— সৌৱা ভাইসকল! সৌৱা দূৰৈত অসমৰ পৰ্বতৰ চূড়া,— সৌৱা দূৰৈত অসমৰ আকাশ-বতাহ, সৌৱা দূৰৈত লুইতৰ পাৰত আমাৰ অসমীয়া ৰাইজ, সৌৱা দূৰৈত নিপীড়িত - দলিত - ধৰ্ষিত-অত্যাচাৰত জৰ্জ্জৰিত আমাৰ ভাৰতীয়-অসমীয়া স্বাধীনতাৰ কাৰণে বিয়াকুল হৈ ৰৈ আছে।—

লেঃ বৰুৱা :— ( নিচানৰ তলৰ পৰা অলপ মাটি হাতত লৈ ) এইয়া—এইয়া অসমৰ মাটি, ভাৰতৰ মাটি, ভাৰতৰ মাটিত আজি আমাৰ নিচান পোতা হ'ল। এই নিচানক আৰু আগবঢ়াই নিব লাগিব। অসমৰ বুকুলৈ, লুইতৰ পাৰলৈ, ভাৰতৰ কেন্দ্ৰলৈ, দিল্লীলৈ, লালকিল্লালৈ, আগবাঢ়া। জয়হিন্দ জয়হিন্দ।

লভিতা :— গাত এটোপা তেজ থাকে মানে — উলাহ থাকে মানে — যুজ কৰা — আজি গোটেই অসমীয়াৰ, গোটেই হিন্দুস্থানৰ সন্মান তোমালোকৰ হাতত — আগবাঢ়া।

লভিতা :—মোক-মোক—একো নকৰিবা দৰব নিদিবা — মোৰ বুকুত গুলী লাগিছে। মই — আৰু বেছিপৰ নাথাকো। ভনীহঁত! যাবৰ সময়ত মোৰ অসম আইৰ মাটিৰে কপালত এটা ফোঁট দিয়া — মোৰ দেশৰ

মাটিৰে ফোঁট —

লভিতা :— ভনীটিহঁত! নাকান্দিবা। ভনীটিহঁত, নাকান্দিবা! মোৰ মাত নাইকিয়া হৈ আহিছে। চকুৰ পোহৰ কমি আহিছে। ভনীটিহঁত, মই যাবৰ সময়ত অসমৰ সুৱদী-সুৰীয়া নাম এটা গাই শুনোৱা — অসমৰ সুৱদী মাত — অসমৰ সুৰীয়া মাত —

উল্লেখিত, 'লভিতা' নাটকৰ ব্যৱহাৰিক সংলাপৰ মাজেদি জ্যোতি প্ৰসাদৰ—অসমীয়া সমাজ তথা অসম-চিন্তাৰ এটা স্পৃষ্ট ইংগিত দেখিবলৈ পাওঁ। অন্যহাতেদি নাটকত প্ৰয়োগিক সংলাপ আৰু চৰিত্ৰই স্বাধীনতাৰ প্ৰতি থকা তেখেতৰ আসক্তিক উদঙাই দেখুৱাইছে। লভিতা নাটকৰ পাতনি অধ্যয়ন কৰিলে, অসমীয়া সমাজৰ প্ৰতি থকা তেখেতৰ দায়বদ্ধতাৰ কথা উপলব্ধি কৰিব পাৰোঁ। পাতনিত উল্লেখিত ব্যাখ্যাৰে— "— এই নাটক কোনো ৰাজনৈতিক মতবাদক সমৰ্থন কৰি লেখা হোৱা নাই। লভিতা আদৰ্শমূলক অসমীয়া ছোৱালীৰ চৰিত্ৰও নহয়। ইয়াৰ নায়ক গোটেই অসমীয়া ৰাইজেই—।" সূক্ষ্মভাৱে পৰ্য্যবেক্ষণ কৰিলে লভিতা নাটকৰ মাজেদি জ্যোতি প্ৰসাদৰ সৰ্বভাৰতীয় আৰু বিশ্ব-চিন্তাৰ এটা দিশ দেখিবলৈ পাওঁ। যদিও অসম-চিন্তাৰ তুলনাত এই দুই চিন্তাই গৌন স্থান অধিকাৰ কৰিছে।

লেখকৰ ৰচনাত সততে অসম, অসমীয়া সমাজ-সংস্কৃতিৰ বিষয়ে এৰাধৰা মনোভাৱ পৰিস্ফুট হোৱা দেখা যায়। এই বিলাকৰ পৰা জ্যোতি প্ৰসাদৰ কৈশোৰৰ আবেগিক অনুভূতি বা স্থানীয়তাবাদৰ সঙ্কেত পোৱা যায় নেকি সেয়াও বিচাৰ্য্য বিষয়। অন্যহাতেদি তেখেতৰ ৰাজনৈতিক কৰ্মজীৱনৰ সচেতনতাৰ প্ৰতি লক্ষ্য কৰিলে স্থানীয়তাবাদ বা প্ৰাদেশিকতাবাদ আৰু সৰ্বভাৰতীয়ৰ তাৎপৰ্য্যৰ প্ৰমূল্যৰ বিষয়ে তেখেতে নিশ্চয় সুবুজা নহয়। অথচ অসমীয়াত্বৰ কাৰণে ইমান ওকালতি কৰাৰ মানসিক আৰু নৈতিক যুক্তি তেখেতৰ নথকা নহয়। অৱশ্যে এই মানসিক আৰু নৈতিক দিশ দুটাৰ প্ৰয়োজনীয়তাৰ যুক্তি তেখেতে নিজেহে উপলব্ধি কৰিব পাৰিছিল।

তদুপৰি নাট্যকাৰৰ 'লভিতা' নাট কেৱল নাটেই নহয় — ই সমসাময়িক কালৰ ৰাজনৈতিক আৰু ধৰ্ম-ইতিহাসৰ বস্তুনিষ্ঠ প্ৰতিচ্ছবিও দাঙি ধৰিবলৈ সক্ষম হৈছে। নাটকৰ যোগেদি ২য় মহাযুদ্ধৰ এটা সুন্দৰ প্ৰতিচ্ছবিৰ লগতে প্ৰত্যেক জাতি-উপজাতিৰ নিজস্ব স্বাধীনতাৰ প্ৰতি থকা স্পৃহাৰ এখন সুন্দৰ চিত্ৰ প্ৰতিফলন হোৱা দেখা যায়। অন্যহাতেদি নাটখনৰ মাজেদি কলুষিত ধৰ্ম-ইতিহাসৰ এখন বস্তুনিষ্ঠ প্ৰতিচ্ছবিও দেখা যায়। নাটকৰ যোগেদি সেই সময়ৰ প্ৰচলিত হিন্দু ধৰ্মৰ গোড়ামিৰ কথা আমি ভালদৰে উপলব্ধি কৰিব পাৰো। আশ্ৰয়হীনা লভিতাই ইলাহী বক্সৰ (মুছলমানৰ) ঘৰত থকাৰ বাবেই গোলাপে লভিতাক গ্ৰহণ নকৰাটো সংকীৰ্ণ মনৰ পৰিচায়ক। ইয়াৰ বিৰুদ্ধে থকা পুঞ্জীভূত অভিযোগ তথা নতুন পুৰুষৰ প্ৰতি থকা উদাত্ত আহ্বান জ্যোতি প্ৰসাদে লভিতাৰ সংলাপৰ মাজেদি পূৰণ কৰিছে। ধৰ্মৰ আচাৰ-ৰীতিৰ (কলুষিত) প্ৰতি তেখেতৰ বীতৰাগ যদিও নৈতিক শক্তিৰ ওপৰত জ্যোতি প্ৰসাদৰ পূৰ্ণ আস্থা থকাৰ কথা অনুমান কৰিব পাৰি। দেখা যায় যে জ্যোতি প্ৰসাদে অসমীয়া

সমাজ তথা সংস্কৃতিক তেখেতৰ ৰচনাৰ মাজেদি বিশ্বৰ ৰাজসভাত বৰপীৰা পাৰি বহুৱাবলৈ বিচাৰিছিল। এইখিনিতে তেখেতৰ প্ৰাদেশিকতাবাদৰ প্ৰতি থকা অভিপ্সাৰ কথা উনুকিয়াব পাৰি। লগতে অসমীয়া সমাজৰ প্ৰতি থকা তেখেতৰ উচ্চাত্মিকা মনোভাৱৰ বিষয়েও বিচাৰ কৰিবলৈ থল আছে। বিশ্বৰ আগত অসমীয়া সমাজৰ চিত্ৰ দাঙি ধৰিব বিচৰা আশা তেখেতৰ তলত দিয়া ৰচনাৰ পৰাই বুজিব পাৰো।

কামৰূপা মোৰ
সুন্দৰী সুৰীয়া
অসমীয়া ভাষা
জগত সভালৈ যাব
উজ্জ্বল সুউজ্জ্বল
কহিনুৰ পিন্ধি
ইঁহি জ্যোতিৰূপা হ'ব।

জ্যোতি প্ৰসাদে যদিও প্ৰাদেশিকতাবাদ গ্ৰহণ কৰিছিল তথাপিতো ৰচনাৰ মাজেৰে তেখেতৰ সংকীৰ্ণ মনৰ পৰিচয় দেখিবলৈ নাপাওঁ। অন্যহাতেদি প্ৰাদেশিকতাবাদক তেখেতে কেতিয়াবা কেতিয়াবা চানেকি হিচাবেহে গ্ৰহণ কৰা দেখা যায়। প্ৰকৃতপক্ষে তেখেতৰ ৰচনাসমূহত অসমৰ প্ৰতিমূৰ্ত্তি সদায়েই প্ৰৱাহমান যদিও সৰ্বভাৰতীয় চিন্তা তেওঁৰ ৰচনাৰ মাজেৰে প্ৰকট ভাবে জিলিকি উঠে। বৈপ্লৱিক আহ্বান যদিও সদায়েই তেওঁৰ ৰচনাত পোৱা যায় তথাপি বিশ্বশান্তিৰ ক্ষেত্ৰতো সমানেই আগ্ৰহী। বিভিন্ন সংস্কৃতিৰ পৰম্পৰাৰ ক্ষেত্ৰত তেওঁ নিৰ্দেশিত পথত সংঘৰ্ষৰ কোনো স্থান নাই। অন্যহাতেদি পাৰম্পৰিক বুজাপৰা আৰু আত্মীয়কৰণৰ এটা সুন্দৰ আভাসহে পোৱা যায়।

থোৰতে ক'ব পাৰি যে জ্যোতি প্ৰসাদৰ চিন্তাৰ যোগেদি একত্ৰিকৰণৰ এখন সুন্দৰ চিত্ৰ দেখিবলৈ পোৱা যায় আৰু এই ভাবধাৰাৰ পৰা তেখেতৰ সৰ্বভাৰতীয় আৰু সৰ্বমানৱীয় মূল্যবোধৰ এটা সুস্পষ্ট অবয়বৰ কথা চিন্তা কৰিব পৰা যায়। জনজাতীয় আৰু অজনজাতীয়ৰ সংস্কৃতিৰ সংমিশ্ৰণত তেখেতে যি সৃষ্টি কৰিলে সি অনন্য। এই অনন্যতাৰ পৰিধিত আঁউজি আছে আগৰৱালাদেৱৰ ভাৰত তথা বিশ্বচিন্তাৰ এটা সমুজ্জ্বল দিশ। প্ৰাসঙ্গিকভাৱে কব পাৰি যে জ্যোতি প্ৰসাদৰ ৰচনাত কাব্যিক উচ্ছ্বাসৰ মাত্ৰা যথেষ্ট হলেও ইয়াৰ প্ৰয়োজনীয়তাক নুই কৰিব নোৱাৰি। বৰঞ্চ কবিতাৰ প্ৰয়োগিক উচ্ছ্বাসৰ মাজেদি আত্মবিশ্বাস, আকাংক্ষা আৰু সবল অভিব্যক্তিৰ এটা সুন্দৰ পথ দৃষ্টি গোচৰ হোৱা দেখা যায়। ইয়াৰ এটা সুস্পষ্ট নিৰ্দেশ তেখেতৰ "অসমীয়া ডেকা ল'ৰাৰ উক্তি" কবিতাটিৰ পৰাই পোৱা যায়—

মযে ভাৰতৰ
মযে অসমৰ
ময়ে ডেকাল'ৰা অগ্নিময়
মযে ভাৰতৰ নবীন সূৰ্য্য
পূৰ্বাচলত বজাও তূৰ্য্য—
মযে অসমীয়া
প্ৰাগজ্যোতিষৰ
মযে অসমীয়া শোণিতপুৰৰ
নবীন যুগৰ
কুমাৰ ভাস্কৰ মই
মযে অসমীয়া শৰাইঘাটৰ
চোকা তৰোৱাল লওঁ লাচিতৰ

মোমাই তামুলী গড়
দুৰ্জ্জয় অগ্নিগড় ময়েই
নাই মোৰ সমসৰ।
ময়ে খাচীয়া
ময়ে জয়ন্তীয়া
ডফলা আবৰ অঁকা,
ময়ে চিংফৌ
ভৈয়ামৰ মিৰি
সোৱণশিৰীয়া ডেকা,
বিজয়ী আহোম কছাৰী-কোঁচৰ
মেছৰকুমাৰ মই
ৰাজবংশী ৰাভা
কপালত জিলিকে শত গৌৰবৰ আভা।

মই
লালুং—চুতীয়া
লুচাই-মিকিৰ-গাৰো
মিছিমি-খামতি
নগা আঙ্গামী বীৰ
পৰ্বতে পাহাৰে
জ্বলিছে উচ্চশিৰ।
সাম্য মৈত্রীৰ ময়েই ৰণুৱা
চাহ-বাগিছাৰ ময়েই বনুৱা
ন-অসমীয়া, মৈমন ছিঙীয়া,
থলুৱা নেপালী
নৃত্য-কুশলী মণিপুৰীয়া মই।

মই—
কত পৰ্বতৰ
কত ভৈয়ামৰ
শত নিজৰাৰ ধাৰ,
হৈলদল ভাঙি
বৰ লুইতত
হৈ যাওঁ একাকাৰ।

নৈৰাশ্যবাদৰ বিপৰীত ভাবধাৰাক জ্যোতি প্ৰসাদ আগৰৱালাই গ্ৰহণ কৰিছিল। শ্ৰমজীৱী-সকলৰ বুভুক্ষ আৰ্তনাদে তেওঁৰ মনৰ গতিক আন্দোলিত কৰা দেখা যায়। বুৰ্জোৱাসকলৰ সহজসাধ্য ভবিষ্যন্ত ইমাৰতৰ আৰু শোষণৰ প্ৰতি সন্দিহান হৈ উঠা চিন্তাক দমন কৰাৰ উদ্দেশ্যেৰে সম্ভৱতঃ জ্যোতি প্ৰসাদে বৈপ্লৱিক চিন্তাধাৰাৰ পথ গ্ৰহণ কৰিছিল।তেখেতৰ ৰচনাৰ মাজেদি সমকালীন সমস্যাৰাশিৰ প্ৰত্যক্ষ চিত্ৰ এখন দেখিবলৈ পাওঁ। নৈতিকতা বিশ্বাস ৰখা জ্যোতি প্ৰসাদে ভাবিছিল আধ্যাত্মিক উন্নতিৰ অবিহনে সামাজিক উন্নতি অসম্ভৱ। সমসাময়িক সুবিধাবাদীসকলৰ প্ৰাদুৰ্ভাৱৰ প্ৰতি সচেতন হৈ উঠা চিন্তাক তেখেতে কবিতাৰ মাজেৰে প্ৰকাশ কৰিছিল তথা সুবিধাবাদী আৰু সচেতন জনতাক সতৰ্ক কৰি দিয়া দেখা যায়:—

তই জনা নাই
তই যাক ভাৱ
মূৰ্খ জনতা
মূঢ় জনতা
ৰূঢ় জনতা বুলি
যাৰ হব খোজ স্বয়ংসিদ্ধ নেতা
সেই জনতা আজি প্ৰবুদ্ধ হ'ল।

উল্লেখযোগ্য যে গান্ধীজীৰ আদৰ্শৰ প্ৰতি তেখেতৰ অনুকম্পা আছিল যদিও অহিংস নীতিৰ ওপৰত তেখেতৰ সম্পূৰ্ণ আস্থা আছিল বুলি ভাবিব নোৱাৰি। গান্ধীজীৰ নীতিৰ সতে

non violance সকলো ক্ষেত্রতে প্ৰযোজ্য। অন্যহাতেদি দুস্কৃতিকাৰীসকলৰ কদৰ্য্যতাৰ প্ৰতি অহিংস নীতি গ্ৰহণ কৰাৰ পক্ষপাতী জ্যোতি প্ৰসাদ নহয় — সেই কথা তেখেতৰ ৰচনাৰ মাজেৰে বুজিব পাৰি। ৰাজনৈতিক কৰ্মজীৱনত জ্যোতি প্ৰসাদ যদিও গান্ধীবাদৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল তথাপি তেখেতৰ সুপ্ত মনৰ মাজত সাম্যবাদী সমাজৰ অভিব্যক্তি ৰচনাৰ মাজেদি ফুটি উঠা দেখা যায়। ইয়াৰ এটা প্ৰত্যক্ষ প্ৰমাণ আমি তেখেতৰ জীৱনৰ শেহ ছোৱাক পৰ্য্যবেক্ষণ কৰিলেই বুজিব পাৰোঁ। ইয়াৰ মূল কাৰণ হিচাপে গান্ধীবাদৰ লেহেমীয়া গতিৰ অহিংস আন্দোলন বুলি ভাবিবৰ অৱকাশ ৰৈ যায়। অৱশ্যে ই এটা বিতৰ্কৰ বিষয়।

শেষত ইয়াকেই উনুকিয়াব পাৰি যে জ্যোতি প্ৰসাদৰ চিন্তাত কেৱল শিল্পীমনৰ ৰাজনৈতিক বা সামাজিক সচেতনতাই আছে এনে নহয়। তেখেতৰ মানসত যে শিল্পীমনৰ সৌন্দৰ্য্যও আছে তাৰ প্ৰতিফলন তেখেতৰ ৰচনাত সদায়েই প্ৰবাহমান। ৰূপালীম নাটকৰ পৰাই তেখেতৰ আবেগ তথা ৰোমাণ্টিকতা অতি কম পৰিমাণে হলেও দৃষ্টিগোচৰ হয়। ৰূপালীমৰ অবয়িক সৌন্দৰ্য্যৰ প্ৰতি তেখেতৰ যি আকৰ্ষণ সেই আকৰ্ষণক তেখেতে নাটকৰ নায়ক মনিমুগ্ধৰ হতুৱাই ব্যক্ত কৰাইছে।

সামৰণিত ইয়াকে কৈ থোৱা ভাল হব যে জ্যোতি প্ৰসাদৰ ভাৱাদৰ্শ বা চিন্তা যিয়েই নহওক লাগে, তেখেতৰ ৰচনাই যেন বৰ্তমান অসমীয়া সমাজৰ ৰাজনৈতিক, সামাজিক আৰু অৰ্থ নৈতিক অৱয়ৱৰ পৰিবৰ্ত্তন আনে। ●

DIGBOI COLLEGE LIBRARY GOVT ESTD 1965 AIDED DIGBOI

"অসমীয়া জাতিৰ প্ৰতিভা ভাগ্যৰ জাপৰ তলত সোমাই আছে। সুযোগ আৰু সুবিধা পালেই এদিন সি ভমকাই উঠিব।"

চন্দ্ৰকুমাৰ আগৰৱালা।

# উদ্ভিদ বনাম ইন্ধন

● দেৱজ্যোতি হাজৰিকা
প্ৰাক স্নাতক, ১ম বছৰ, বিজ্ঞান শাখা

১৯৭০ চনত পেট্ৰলৰ প্ৰতি লিটাৰত মূল্য আছিল প্ৰায় ১·৫০ টকা আৰু দহবছৰৰ ভিতৰতে সেই মূল্যৰ বৃদ্ধি হৈ প্ৰতি লিটাৰত ৫·৫০ টকালৈ বৃদ্ধি পালে। ডিজেল, কেৰাচিন আদিতো একে ঘটনাই পৰিলক্ষিত হৈছে। তদুপৰি সময়ে সময়ে কেৰাচিন, পেট্ৰল আদিয়ে ৰাইজৰ চাহিদা পূৰাব নোৱাৰাৰ ঘটনাও ঘটিছে। সময়ৰ লগে লগে এইবোৰ ঘটনা বৃদ্ধি পাব ধৰিছে। কিন্তু ইন্ধনৰ এই দ্ৰুতগতিত বৃদ্ধি হোৱা মূল্য আৰু এইবোৰৰ দ্বাৰা ৰাইজৰ চাহিদা পূৰাব নোৱাৰা আদি ঘটনাই কিহৰ সূচনা কৰে? বিশ্বত পেট্ৰল, ডিজেল, কয়লা আদি ইন্ধনৰ হ্ৰাস পাই অহা ঘটনাৰেই নহয় নে?

দিনক দিনে পৃথিবীৰ বিভিন্ন কামৰ বাবে যিমানেই শক্তিৰ চাহিদা বৃদ্ধি পাইছে, সিমানেই কয়লা, খনিজ তেল ইত্যাদি প্ৰাকৃতিক ইন্ধনৰ পৰিমাণ দ্ৰুত গতিত হ্ৰাস পাই আহিছে। উল্লেখযোগ্য যে বৰ্ত্তমানৰ দৰে খৰচ হৈ থাকিলে পৃথিবীত জমা থকা পেট্ৰলিয়ামৰ সমস্ত পৰিমাণ অহা দুহেজাৰ চনৰ শেহৰ ফালে অন্ত পৰিব পাৰে বুলি বিজ্ঞানীসকলে আশংকা কৰিছে আৰু এই আশংকাই তেওঁলোকৰ মাজত গভীৰ উদ্বেগৰো কাৰণ স্বৰূপ হৈ পৰিছে। কিন্তু এদিন এইবোৰ ইন্ধন শেষ হৈ যাব বুলি জানি নিৰ্ব্বিকাৰ হৈ বহি থকাটো মূৰ্খামীৰ বাহিৰে অন্য একো নহয়। সেয়েহে শক্তিৰ চাহিদা পূৰাবৰ কাৰণে বিজ্ঞানীসকলে নতুন নতুন উৎসৰ সন্ধানত মনোনিবেশ কৰিছে আৰু কিছু পৰিমাণে সফলো হৈছে।

এনে এজনা বিজ্ঞানীৰ নাম ডঃ মেলভিন কেলভিন। এওঁ আমেৰিকা যুক্তৰাষ্ট্ৰৰ বাসিন্দা। ৰসায়নত নবেল পুৰস্কাৰ পোৱা ডঃ কেলভিনে কয় "প্ৰাচীন কালত সেউজীয়া উদ্ভিদৰ পৰা যিবোৰ জীৱাশ্মী ইন্ধনৰ সৃষ্টি হৈছিল সেইবোৰেই কালক্ৰমত লাখ লাখ বছৰৰ পিছত তেল, কয়লা আৰু প্ৰাকৃতিক গেছলৈ ৰূপান্তৰিত হৈছিল আৰু এতিয়া আমি এই সমগ্ৰ ইন্ধন এশ বা দুশ বছৰতে অকলাই শেষ কৰিবলৈ গুলাইছো। ইয়াৰ অৰ্থ এইটোৱেই যে আমি আমাৰ সঞ্চয়ৰ সীমাৰ প্ৰায় বাহিৰত। এতিয়া আমি আমাৰ নিজৰ উপাৰ্জ্জনৰ ওপৰত জীয়াই থাকিবৰ সময় হ'ল।"

ডঃ কেলভিনে যি উপাৰ্জ্জনৰ কথা কৈছে, সি হৈছে সেউজীয়া উদ্ভিদৰ দ্বাৰা সংগৃহীত সৌৰ-শক্তি। কেলভিনে ১৯৬১ চনত ৰসায়নত

নবেল পুৰস্কাৰ পাইছিল। তেওঁৰ গৱেষণাৰ মূল বিষয় আছিল সালোক সংশ্লেষণৰ জটিল প্ৰক্ৰিয়া। তেওঁ সালোক সংশ্লেষণৰ জটিল ঘটনাবোৰৰ সহজ ব্যাখ্যা দিবলৈ সক্ষম হৈছিল। সালোক সংশ্লেষণ ( Photosynthesis ) এনে এবিধ প্ৰক্ৰিয়া য'ত উদ্ভিদে সূৰ্য্যৰ ৰশ্মি গ্ৰহণ কৰি ক্লৰ'ফিলৰ সহায়ত তাক সঞ্চিত ৰাসায়নিক শক্তি আৰু বৰ্দ্ধিত কলালৈ ৰূপান্তৰিত কৰে আৰু এতিয়া ডঃ কেলভিনে শক্তি উৎপন্নকাৰী এনে এবিধ কৃত্ৰিম আৱৰণ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছে যিয়ে উদ্ভিদৰ সালোক সংশ্লেষণ প্ৰক্ৰিয়াক দ্বিগুণিত কৰিব। যদিহে তেওঁ সফল হয়, তেন্তে এই আৱৰণখন শক্তিৰ বিকল্প উৎসৰ সন্ধানত এক অভিনৱ সৃষ্টি হব।

কিন্তু, শক্তি উৎপন্নকাৰী যিটো প্ৰকল্পই এতিয়া সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে সেইটো হৈছে ডঃ কেলভিনৰ দ্বাৰা আবিস্কৃত এক নতুন গছ, যি গছে প্ৰচলিত তেল খাদতকৈ কম খৰচতে খাৰুৱা তেল উৎপন্ন কৰিবলৈ সক্ষম। এই ঘটনাই বিশ্বৰ বিজ্ঞানীসকলৰ মাজত চাঞ্চল্যৰ সৃষ্টি কৰিছে।

১৯৮০ চনৰ ১ জুলাই তাৰিখৰ 'The Assam Tribune' কাকতৰ প্ৰথম পৃষ্ঠাত প্ৰকাশিত এটা বাতৰিয়ে বহুতৰে দৃষ্টি আকৰ্ষণ কৰিছিল। বাতৰিটোৰ উল্লেখযোগ্য অংশ তলত দিয়া হ'ল—

"Diesel From Plant"

"New Delhi, June 80 — Dr. Melvin Calvin, Nobel Laureate in Chemistry, has discovered a plant which can yield diesel fuel. Dr. Calvin won the Nobel Prize for his work in Photosynthesis in 1961.

Dr. Calvin has been carrying on research on plant known in botanical terms as Copaifera Langs-dorffii, a hydro-carbon producing plant found in abundance in Brazil. The plant produces a white milky juice when cut or its leaves torn. This substance can be converted into diesel without much of refining. A tree can produce high quality diesel to the extent of 30 litres per plant twice a year. Dr. Calvin has been experimenting with milkweed family of plants for a long time......"

আৰু ডঃ কেলভিনৰ এই গৱেষণাৰ বিষয়েই এই প্ৰবন্ধটোত বিস্তৃত ভাৱে আলোচনা কৰা হ'ব।

বাৰ্কলে ( Berkeley ) ৰ কালিফৰ্নিয়া য়ুনিভাৰ্ছিটিত অৱস্থিত ডঃ কেলভিনৰ অফিচটোত তেওঁ গৱেষণা কৰা কেইবিধমান গছৰ নমুনা আছে। তাৰে এজোপা কালিফৰ্নিয়াৰ শলাৰ দৰে সৰু "গ'ফাৰ জোপোহা গছ" ( Gopher Bush )। আন এজোপা হৈছে কোণীয় গজালি, যি জোপা ইথিয়পিয়া (Ethiopia ) গছৰ আকৃতিলৈ বৃদ্ধি হয়। এই দুয়োবিধ উদ্ভিদেই ইউফ'ৰবিয়া (Euphorbia) উদ্ভিদ নামৰ প্ৰজাতিৰ অন্তৰ্গত। ইউফৰবিয়াৰ লগত ৰবৰ জাতীয় গছৰ সম্পৰ্ক আছে। সিহঁতৰ

ডাঠ, বগা ৰসবোৰেই হৈছে ক্ষীৰ বা লেটেক্স ( latex )। এই লেটেক্স এনে এবিধ অৱদ্ৰৱ ( emulsion ) যত ৩০ৰ পৰা ৪০ শতাংশ পৰিমাণে হাইড্ৰকাৰ্বন আছে। ভূগৰ্ভৰ অশোধিত তেলতো হাইড্ৰকাৰ্বনৰ পৰিমাণ শতকৰা প্ৰায় ৪০ ভাগ। গতিকে বাহ্যিক দৃষ্টিত অশোধিত ভূগৰ্ভৰ তেল আৰু ইউফ'ৰবিয়া জাতীয় গছৰ দ্বাৰা নিঃসৃত ৰসৰ মাজত কোনো পাৰ্থক্য নাই। গতিকে ইউফ'ৰবিয়া গছৰ ৰসক বিকল্প ইন্ধনৰূপে ব্যৱহাৰ কৰাতো সম্ভৱ। ইউফ'ৰবিয়া গছৰ একেবাৰে শক্তি নাই। যিকোনো অংশতে অলপ হেচি দিলেই ভাঙি যায়। এইবোৰ জন্ম হয় শুকান মাটিত বা শিলেৰে পূৰ্ণ হৈ থকা অঞ্চলত য'ত অন্য একো খেতিয়েই কৰা সম্ভৱ নহয়। ইহঁতৰ বেছিভাগেই আমাৰ পৰিচিত। যেনে— ফণিমনসা, মনসা, ভেৰেণ্ডা, গুলচ, আকন্দ ইত্যাদি। এই জাতীয় গছ আৰু বহুত আছে।

ফণিমনসা গছৰ কথাই ধৰা যাওক। দেখিবলৈ বৰ কিম্ভূতকিমাকাৰ। হাতৰ তলুৱাৰ দৰেই ডাঠ ডাঠ সেউজীয়া পাত আৰু তাৰ ওপৰত জোঙা জোঙা কাঁইট। কিন্তু এই জোপা গছৰ গাত অলপ আঘাত হানিলেই বগা বগা ৰস নিঃসৰণ হবলৈ ধৰে। কিছু সময়ৰ ভিতৰতে এবাটি গাখীৰৰ দৰে বগা ৰস জমা কৰিব পৰা যায়। পৃথিৱীৰ বিভিন্ন মহাদেশত এই জাতীয় গছ প্ৰায় ৩ হেজাৰ বিধৰ আছে। এই জাতীয় গছৰ সকলোবোৰৰ পৰাই অৱশ্যে বগা ৰস সহজে পোৱা নাযায়।

যি কি নহওঁক, ডঃ কেলভিনে বিশ্বাস কৰে যে, সেই বগা জুলীয়া পদাৰ্থবিধেই আজিৰ বিশ্বই অনুভৱ কৰি থকা জীৱাশ্মী ইন্ধনৰ অভাৱৰ একাংশ পূৰাব পাৰে। এই বৃহৎভাৱে বিস্তৃত উদ্ভিদবিধৰ প্ৰজাতিৰ সৰহভাগেই আফ্ৰিকাতহে পোৱা যায় — অৱশ্যে সেই সকলোবোৰেই ইন্ধন যোগোৱা গছ নহয়।

ডঃ কেলভিনে সাবধান কৰি দি কয়— "এই গছবোৰে সমগ্ৰ বিশ্বৰ তেল আৰু ইন্ধনৰ যোগান ধৰিব নোৱাৰিব, পিছে জীৱাশ্মী ইন্ধনৰ সমস্যাৰ কোনো এক একক সমাধান সম্ভৱ নহয়। সেয়েহে আমি যিমান পাৰো সিমান সংগ্ৰহ কৰিবলৈ চেষ্টা কৰা উচিত।"

১৯৭৩ চনত যেতিয়া তেওঁ কিছুমান গছৰ হাইড্ৰকাৰ্বন উৎপন্ন কৰা ক্ষমতাৰ গৱেষণাত নিমগ্ন হৈ পৰিছিল, তেতিয়াৰ পৰাই ডঃ কেলভিনে ইউফৰবিয়াৰ কাৰ্য্যকলাপ অকলেই অনুধাৱন কৰিছিল। তেওঁ পৃথিৱীৰ বিভিন্ন অংশৰ পৰা ইউফ'ৰবিয়া লেটেক্সৰ নমুনা পাবলৈ ইমানেই আগ্ৰহান্বিত আছিল যে তেওঁ প্ৰায় সদায়েই কিছুমান সৰু কাঁচৰ বটল লগত লৈ ফুৰিছিল আৰু সেইবোৰ তেওঁ কোনোবা বিদেশী পৰ্য্যবেক্ষকক নাইবা দূৰভ্ৰমণলৈ যোৱা কোনোবা বন্ধুবান্ধবক দিছিল। "মই তেওঁ-লোকক যিখিনি কৰিবলৈ কওঁ সেয়া হৈছে, যদি গাখীৰৰ দৰে কিবা বস্তু কোনো গছৰ পৰা নিঃসৰণ হোৱা দেখে তেন্তে সেইখিনি গোটাই লৈ গছজোপাৰ নমুনা এটাৰ সৈতে মোলৈ পঠিয়াই দিয়ে যেন" — কেলভিনে এইদৰে কয়।

নমুনা সংগ্ৰহৰ কাৰণে, কেলভিনে নিজেই ১৯৭৫ চনত আফ্ৰিকাৰ ডাঠ হাবিৰ পৰা আৰম্ভ কৰি ব্ৰাজিলৰ আমাজান নদীৰ পাৰে পাৰে

বহুত ঠাই চলাথ কৰিছিল। কেতিয়াবা নাৱেৰে তেওঁ নৈৰ মাজৰ দুৰ্গম অঞ্চলত কিছুমান জোপোহা গছৰ ডাল বা পাতবোৰ ভাঙি ভাঙি সেইবোৰ পৰীক্ষা কৰিছিল।

কেলভিন তেতিয়াই থমকি বৈছিল যেতিয়াই তেওঁ দেখিছিল যে আঘাতপ্ৰাপ্ত গছবোৰৰ পৰা এবিধ ডাঠ বগা ৰস বৈ আহিছে। তাৰ পিছত তেওঁ ৰসৰ নমুনা কিছুমান কাঁচৰ বটলবোৰত ভৰাইছিল। অলপ টোকা লিখিছিল আৰু পাতবোৰ পিছত চিনাক্তকৰণ কৰিবলৈ এখন বহীত হেঁচা দি থৈ দিছিল।

এতিয়া, কালিফৰ্ণিয়াৰ লছ এঞ্জেলছত, কেলভিনৰ নিৰ্দেশনাত ০·৮ হেক্টৰ মাটিত গফাৰ উদ্ভিদৰ খেতি কৰা হৈছে। এই মাটিখিনিৰ পৰিমাণ ১৯৮০ চনৰ শেষলৈ ৮ হেক্টৰলৈ বৰ্দ্ধিত কৰাৰ কথা আছিল। এই গছবোৰে যি লেটেক্স বা ক্ষীৰ নিঃসৰণ কৰে সেইবোৰ কম পৰিমাণে শোধন কৰি পৰীক্ষাৰ দ্বাৰা গছবোৰে আজিকালিৰ তেল পথাৰবোৰতকৈ কিমান বেছি বা কম কাৰ্য্যক্ষম তাক নিৰূপণ কৰিব পৰা যাব। এটা ধাৰণা এনেকুৱা যে, প্ৰতি হেক্টৰত হোৱা গছবোৰে বছৰত ৫০ বেৰেল পৰ্য্যন্ত খাৰুৱা তেলৰ সমান ইন্ধনৰ যোগান ধৰিব। পৃথিবীত ৩,০০০ প্ৰজাতিতকৈও বেছি থকা এই ইউফ'ৰবিয়াৰ মাত্ৰ ১২ বিধমানৰহে লেটেক্স সূক্ষ্মভাৱে বিশ্লেষণ কৰা হৈছে।

তাৰে এটা হৈছে, ইউফ'ৰবিয়াৰ লগত সম্পৰ্ক থকা ৰবৰ গছ ( Rubber Tree )ৰ যেতিয়া হিভিয়া (Hevea) প্ৰজাতিৰ নিচিনাকৈ ইউফ'ৰবিয়াৰ প্ৰজাতিয়ে লেটেক্স উৎপন্ন কৰে তেতিয়া শোধন কৰাত সুবিধা হয়। কাৰণ ৰবৰ গছৰ হিভিয়া প্ৰজাতিৰ ক্ষীৰৰ অনুবোৰ সাধাৰণতে অধিক সূক্ষ্ম আৰু কম জটিলতাযুক্ত, যাৰ ফলত শোধনকাৰ্য্য সহজে কৰিব পাৰি। ডঃ কেলভিনে কয় — "ৰবৰ গছৰ পৰা পোৱা হাইড্ৰকাৰ্বনৰ পাঁচ লাখৰ পৰা দুই নিযুত পৰ্য্যন্ত আনৱিক ওজন আছে। আনহাতে গ'ফাৰ উদ্ভিদৰ ২০,০০০ হে আছে। আপুনি হিভিয়াৰ লেটেক্সৰ পৰা পানীখিনি অপসাৰণ কৰাৰ পাছত আশা কৰাৰ দৰেই ৰবৰ পাব। কিন্তু আপুনি এই পৰীক্ষা ইউফ'ৰবিয়া প্ৰজাতিৰ ক্ষেত্ৰত কৰক আৰু আপুনি অনুভৱ কৰিব আপুনি যি পালে সেয়া তেলৰ বাহিৰে অন্য একো নহয়।"

ওপৰত উল্লেখিত আনৱিক ওজন খাৰুৱা তেলৰ আনৱিক ওজনতকৈ ১,০০০ৰ পৰা ৫,০০০ৰ মাজত, বহুত বেছি। কিন্তু তৈল বিশেষজ্ঞৰ লগত কেলভিনে আলোচনা কৰি জানিছিল যে যদিহে উপযুক্ত পৰিমাণে কম খৰচত ইউফ'ৰবিয়া জাতীয় উদ্ভিদ পোৱা যায়, তেন্তে এই উদ্ভিদৰ লেটেক্সক প্লাষ্টিক, ইন্ধন আৰু স্নেহক ( Lubricant ) লৈ ৰূপান্তৰিত কৰাত কোনো সমস্যাৰেই সৃষ্টি নহ'ব।

ডঃ কেলভিনে কৈছে, "যিমান সম্ভৱ আমি অতি সহজে পাব পৰা ইউফ'ৰবিয়া উদ্ভিদৰ বিষয়ে মাত্ৰ অধ্যয়নহে কৰিছো। কিন্তু এই ধাৰণাটো ইমানেই নতুন যে, বাস্তৱিকতে যিকোনো পাৰ্গত ৰাসায়নবিদে এটা ফলদায়ক গৱেষণাৰ যত্ন কৰিব পাৰে। আমাৰ এটা প্ৰধান অভাৱ হৈছে পৃথিৱীৰ ইউফ'ৰবিয়া প্ৰজাতিবোৰৰ এটা শৃঙ্খলাযুক্ত দৃষ্টিপাত। কাৰণ সিহঁতৰ লেটেক্সত থকা হাইড্ৰকাৰ্বন, সিহঁতৰ শুকান ওজনত থকা লেটেক্সৰ শতাংশৰ হাৰ, সিহঁতৰ বৃদ্ধিৰ হাৰ ইত্যাদিৰ বিশ্লেষণৰ অৱশ্যেই

অতি প্ৰয়োজন।

"মই বিশেষভাৱে আগ্ৰহান্বিত — যিবোৰ সাধাৰণতে শুকান আৰু গৰম অঞ্চলত হয়। কাৰণ তেতিয়া খেতিৰ বাবে অনুপযুক্ত শুকান ঠাইকো ব্যৱহাৰ কৰিব পৰা যাব।" এক হেক্টৰ মাটিত হোৱা এক মিটাৰ পৰ্য্যন্ত ওখ হোৱা গ'ফাৰ গছৰ পৰা প্ৰতি বছৰত ৫০ বেৰেলৰ ওচৰা-ওচৰি খাৰুৱা তেল পোৱাৰ চিন্তাটো কোনো বৃথা কল্পনা নহয়। কাৰণ অযত্ন পালিতভাৱে হাবিত জংঘেমধে হোৱা গ'ফাৰ গছে প্ৰতি হেক্টৰত প্ৰায় ৫ বেৰেল পৰ্য্যন্ত খাৰুৱা তেল দিব পাৰে। গতিকে উপযুক্তভাবে খেতি কৰিলে সেই পৰিমাণ বৃদ্ধি হোৱাটো নিশ্চিত।

এটা উৎসাহপূৰ্ণ প্ৰাচীন দৃষ্টান্ত হৈছে দক্ষিণ আমেৰিকাৰ হাবিত জংঘেমধে হোৱা ৰবৰ গছৰ উন্নতি। এই গছৰ পৰা ওলোৱা ৰসৰ আৰ্থিক দিশৰ বাবে ১৯ শতিকাৰ আগ-ভাগত ইউৰূপীয়ানসকলে ইয়াক আৱিস্কাৰ কৰিব পাৰিছিল। এই গছৰ লেটেক্সবোৰ প্ৰথমতে ব্ৰাজিলত বহুতো মানুহে গছে গছে বগাই সংগ্ৰহ কৰিছিল। অৱশ্যে ব্ৰাজিলৰ এই ব্যৱসায় ক্ষন্তেকীয়া আছিল। এই ৰবৰ গছৰ প্ৰজাতিৰ বীজ মালয়েছিয়ালৈ নিয়া হয়, য'ত বৃটিছ কৃষকে বৃহৎ অঞ্চলত খেতি আৰম্ভ কৰিলে আৰু সেই খেতিৰ উৎপাদনৰ বৃহৎ হাৰে ব্ৰাজিলৰ উৎপাদিত ৰবৰক ১৯১৫ ৰ আগে আগে বিশ্বৰ বজাৰৰ পৰা বিলুপ্ত কৰালে।

সেই সময়ত প্ৰতি হেক্টৰত উৎপাদিত প্ৰাকৃতিক ৰবৰৰ পৰিমাণ হেক্টৰত ২২৫০ কিলোহে আছিল। কিন্তু আজিকালি প্ৰতি হেক্টৰত ২২৫০ কিলোত উৎপাদন সাধাৰণ কথা কাৰণ পৰীক্ষামূলক সংকৰে (hybrid) ৫,৫০০ কিলো পৰ্য্যন্ত উৎপন্ন কৰিছে।

যিকি নহওঁক ডঃ কেলভিনে কিন্তু উই-ফ'ৰবিয়াৰ ক্ষেত্ৰত প্ৰতিজ্ঞাপূৰ্ণভাৱে প্ৰতিশ্ৰুতি দিয়া নাই। সেয়েহে তেওঁ কৈছে, "ৰবৰ গছ ( Rubber tree ) ৰ অভিজ্ঞতাৰ পৰা দেখা গৈছে যে ইয়াৰ উদ্গতিয়ে কোনো আশ্চৰ্য্য-জনক বিষয়ৰ সৃষ্টি নকৰে। কিন্তু ইউফ'ৰবিয়াৰ ক্ষেত্ৰত আমি এটা বনৰীয়া জন্তুৰ সৈতে কাম কৰাৰ দৰেহে কৰি আছো। পোহনীয়া হোৱাৰ পিছত ই কেনে ৰূপ লব সেই কথা কোনে জানে ?

যিহেতু লেটেক্সত সঞ্চিত সৌৰ শক্তি পোৱা যায়, সেয়েহে পোহৰ বিস্তৰ ভাবে পৰা ঠাইহে ইউফ'ৰবিয়াৰ খেতিৰ বাবে উপযুক্ত হব। সাধাৰণতে উত্তৰ আৰু দক্ষিণ আফ্ৰিকা, উত্তৰ-পূব ব্ৰাজিল আৰু দক্ষিণ-পশ্চিম আমে-ৰিকা যুক্তৰাষ্ট্ৰৰ বিস্তৰ মৰুভূমি অঞ্চলেই উপযুক্ত হ'ব বুলি বিজ্ঞানীসকলে কয়।

ইউফ'ৰবিয়াৰ উপকাৰিতাৰ বিষয়ে ৰাজ-হুৱা বৰ্ণনা ১৯৭৫ চনত আমেৰিকাৰ কেমিকেল ছছাইটিৰ এখন সভাত কেলভিনৰ বক্তৃতাত শুনা গৈছিল। তেতিয়া তেওঁ ধাৰণা কৰিছিল যে গছজোপাৰ পৰা পোৱা খাৰুৱা তেল প্ৰতি বেৰেলত ৩ পাউণ্ডৰ পৰা ১০ পাউণ্ডৰ মাজৰ দামত উৎপন্ন কৰিব পৰা গলহেঁতেন, যিটো বৰ্ত্তমান বিশ্বত প্ৰচলিত তেলৰ দামতকৈ প্ৰকৃ-ততে কম আৰু মাত্ৰ ঘন ( Ghana ) আৰু টগ, ( Togo )ক সংযোগ কৰা অঞ্চলত কৰা খেতিয়েই সমগ্ৰ আমেৰিকাৰ গেছ'লিনৰ অভাৱ

পুৰালেহেঁতেন।

ইয়াৰ ফলত চাঞ্চল্যৰ সৃষ্টি হ'ল। সমগ্ৰ বিশ্বৰ পৰা বিশেষকৈ যিবোৰ দেশে তেলৰ বাবে অন্য দেশৰ ওপৰত নিৰ্ভৰশীল। সেইবোৰ দেশৰ পৰা বহুতো প্ৰশ্ন উত্থাপিত হ'ল। অইল ফাৰ্মকে ধৰি বহুতো বৃহৎ প্ৰাইভেট কোম্পানীয়ে বিস্তাৰিত ভাৱে জানিবলৈ ইচ্ছা কৰিলে। ইউফৰবিয়াৰ ওপৰত প্ৰকাশিত এটা পুৰণি প্ৰবন্ধ পুনঃ প্ৰকাশৰ বাবে বহু অনুৰোধ আহিবলৈ ধৰিলে।

তেতিয়া কেলভিনৰ মুখত হাঁহি বিৰিঙিল আৰু তেওঁ ক'লে— "It was ovbiously an idea whose time had come."

ৰবৰ উৎসৰ কাৰণে হিভিয়া ৰবৰ উদ্ভিদৰ ওপৰত গবেষণা কৰে। ডঃ কেলভিনেই প্ৰথম ব্যক্তি নহয়। কালিফৰ্ণিয়া ইউনিভাৰ-ছিটিতে, বিজ্ঞানীসকলে কেলভিনৰ দৰেই স্বাধীন ভাৱে লেটেক্স উৎপন্ন কৰা কালিফৰ্ণি-য়াতে পোৱা গুৱেয়ুল ( Guayule ) উদ্ভিদৰ কলাবোৰ ইলেকট্ৰনিক মাইক্ৰস্ক'পত নিৰীক্ষন কৰি আছে। তেওঁলোকে লেটেক্সৰ দ্বাৰা জীৱন্ত উদ্ভিদত হোৱা প্ৰকৃত ক্ৰিয়াৰ বিষয়ে জানিবলৈ চেষ্টা কৰি আছে। সম্ভৱত তেওঁ-লোকে কিদৰে উদ্ভিদত এই লেটেক্সৰ উৎপাদন বৃদ্ধি কৰিব পৰা যায়, সেই বিষয়েও গবেষণা কৰিছে।

তদুপৰি উদ্ভিদৰ পৰা ইন্ধন পোৱাৰ বিষয়ে গবেষণা কৰা বৈজ্ঞানিক হিচাবেও কেলভিন সৰ্বপ্ৰথম বিজ্ঞানী নহয়। ডঃ কেলভিনে নিজেই কৈছে, "১৯৭৫ চনত ব্ৰাজিলত কুহিয়াৰ ( Sugarcane ) গছৰ ৰসৰ পৰা উৎপন্ন হৈছিল দহলাখ লিটাৰ এলক'হল। সেই এলকহ'লক গেছলিনৰ লগত নিৰ্দিষ্ট পৰিমাণে মিহলি কৰি এক বিকল্প ইন্ধন তৈয়াৰ কৰা হৈছিল।" যদিও কুহিয়াৰ গছত বহু সৌৰ শক্তি সঞ্চিত কৰিব পৰা যায়। তথাপি এই গছবোৰ বিশেষ মাটি আৰু বিশেষ বতৰতহে ডাঙৰ দীঘল হব পাৰে। কেলভিনে আৱিস্কাৰ কৰিছিল যে এইবোৰ অসুবিধা ইউফৰবিয়া জাতীয় উদ্ভিদৰ ক্ষেত্ৰত দেখা নাযায়।

আমেৰিকাৰ Department of Agri-culture ৰ দ্বাৰা অলপতে প্ৰকাশিত হোৱা এটা ৰিপৰ্ট অনুসাৰে কেলভিনে কোৱাৰ দৰেই ইউফৰবিয়া জাতীয় উদ্ভিদবোৰ অন্য উদ্ভিদৰ খেতিৰ বাবে অনুপযুক্ত অঞ্চলতো ডাঙৰ-দীঘল হব পাৰে।

যিকি নহওঁক, গবেষকসকলৰ এই ইউফৰ বিয়াৰ বিভিন্ন প্ৰজাতিৰ ওপৰত গৱেষণা এতি-য়াও শেষ হোৱা নাই। এদিন নিশ্চয় ইন্ধন উৎপন্নকাৰী এই উদ্ভিদৰ খেতিৰ বাবে সমগ্ৰ বিশ্বতে মাটি চহোৱা হব।

এতিয়া মাত্ৰ এটাই প্ৰশ্ন :··· সেই দিন কেতিয়া আহিব ?

# ॥ অলপ হাঁহি অলপ অশ্রু ॥

কুমাৰ জীৱন বুঢ়াগোহাঁই
স্নাতক মহলা ২য় বাৰ্ষিক
( কলা )

অদূৰৰ গীৰ্জাটোৰ পৰা অহা ঘণ্টাৰ শব্দটোৰ লগে লগে এলিজাৰ মনৰ মাজতো ব্যস্ততা বাঢ়ি গৈছে। আজি বৰদিনৰ এই পবিত্ৰ ৰাতি-পুৱাটোৱে এলিজাৰ বিগত জীৱনৰ বহুটো পোৱা নোপোৱাৰ স্মৃতি বহন কৰি আনিছে। বাথৰূমৰ পৰা তিতি থকা চুলিখিনি মোহাৰি মোহাৰি তাই ভিতৰলৈ সোমাই আহিল। প্ৰথমে তাই ড্ৰয়াৰটোৰ ভিতৰৰ পৰা কেইডালমান মমবাতি উলিয়াই ল'লে। তাৰ পাচত দেৱালত আঁৰিথোৱা ক্ৰুছবিদ্ধ যিশুৰ ছবিখনৰ থাপনাত এডাল মম জ্বলাই তাই ভগবানৰ প্ৰতি বৰদিনৰ শ্ৰদ্ধা জনালে। তাৰপাচত এলিজা লৰালৰিকৈ বেডৰুম পালেগৈ। বেডৰুমৰ টেবুলখনত সজাই থোৱা যুগ্মজীৱনৰ ফটোখনৰ ওচৰত এলিজা থমকি ৰল। হাতেৰে আয়নাৰ ফ্ৰেমৰ এলবামটো লাহে লাহে ডাঙি ল'লে তাই। ওলাই আহিব ধৰা তপত চকুলোখিনিক তাই বাধা নিদিলে। এলিজাই তাইৰ মৰমৰ এড্‌ৱাৰ্ডৰ কপালত এটা চুমা আঁকি দিলে। দুগালে বৈ অহা চকুলো চেঁচা আয়নাখনৰ ওপৰত লাগি এড্‌ৱাৰ্ডৰ ছবিখন অস্পষ্ট হৈ পৰিল।

অকলশৰীয়া এলিজা। অকল আজিয়েই কিয় পাৰৈহে অহা চাৰিটা বছৰ এলিজাই মাথো চকুলো টুকিয়েই কটাইছে। জীৱন সংগ্ৰামত প্ৰথমটো খোজ পেলাবলৈ গৈয়ে এলিজা বিফল হ'ল। এয়া কিয় হ'ল এলিজাই নাজানে। একুৰি বছৰীয়া এলিজাৰ জীৱন যৌৱনৰ চঞ্চলতা এদিন নাইকিয়া হ'ল। এতিয়া মাথো এটা অস্থিচৰ্মসাৰ শৰীৰৰ যন্ত্ৰমানবৰ দৰে তাই জীয়াই আছে। ইয়াৰ উত্তৰো এলিজাৰ ওচৰত-নাই। এলিজাৰ জীৱনটোৱেই যেন এটা বিৰাট প্ৰশ্নবোধক চিন।

আজিৰ এই পবিত্ৰ বৰদিনটোৰ লগত চাৰি বছৰৰ আগৰ সেই বিশেষ বৰদিনটোৰ তুলনা কৰি চাবলৈ মন গ'ল এলিজাৰ। সেই দিনা গীৰ্জাৰ ঘণ্টাৰ ধ্বনিৰ লগে লগে ষোড়শী এলিজাৰ ব্যস্ততা বাঢ়ি গৈছিল। বৰদিনৰ উৎসৱমুখৰ পৰিবেশত এলিজাই নিজকে বিলাই দিছিল, হাঁহিছিল, গাইছিল, গীৰ্জাৰ সমূহীয়া প্ৰাৰ্থনাত যোগ দিছিল। এটা সময়ত মাক-দেউতাকৰে সৈতে গীৰ্জাৰ ফাদাৰৰ ওচৰত থিয় হৈ অজান আনন্দ আৰু ভয়ত তাই শিয়ৰি উঠিছিল কইনাৰ বেশেৰে হাতত ফুলৰ

থোপাৰৈ ফাদাৰৰ ওচৰত থিয়হৈ থাকোতে যেতিয়া তাইৰ হবলগা প্ৰিয়তম এডৱাৰ্ডে তাইৰ ফালে অৰ্থপূৰ্ণ দৃষ্টিৰে চাইছিল, কিয় জানো লাজতে তাইৰ মৰি যামযেন লাগিছিল। হাজাৰ জনৰ শুভেচ্ছা আৰু আশীৰ্ব্বাদৰ মাজেৰে এডৱাৰ্ড আৰু এলিজাৰ বিয়াখন হৈ গৈছিল। এলিজাৰ জীৱনত এটা নতুন অধ্যায়ৰ সূচনা হৈছিল। জীৱনৰ আশা আৰু যৌৱনৰ মধুৰ সপোনবোৰৰ বাস্তৱ ৰূপায়ণত তাই ব্যস্ত হৈ পৰিছিল। কিন্তু এলিজাৰ ইমানবোৰ সপোন জানো বাস্তৱত ৰূপায়ণ হ'ল। অদৃষ্টৰ নিষ্ঠুৰ হাতৰ পৰশত তাইৰ সপোনবোৰ খেলিমেলি হৈ গ'ল। এলিজাৰ জীৱন আকাশখন ক'লা ডাৱৰে আৱৰি ধৰিলে। চাৰিওফালৰ শূন্যতাই এলিজাক ব্যতিব্যস্ত কৰি তুলিলে। জীৱন সংগ্ৰামৰ সন্মুখত থিয় হৈয়ে তাই ব্যৰ্থতাকেই বুটলি লব লগা হ'ল। তাইৰ কেতিয়াবা চিঞৰি চিঞৰি কবৰ মন যায়—হে' ভগবান ক্ৰুছবিদ্ধ হৈও যি মানৱৰ দুখৰ বাবে তুমি ক্ষমা প্ৰাৰ্থনা কৰিলা ভগবানৰ ওচৰত, যাৰ মঙ্গলৰ বাবে তুমি জীৱন আহুতি দিলা, সেই বৰ্বৰ মানৱৰ পাষাণ হিয়াবোৰ বাৰু কেতিয়াবা গলিবনে ??

এৰা, এলিজাই নাজানে কেতিয়াকৈ এই বৰ্বৰ মানৱবোৰৰ ৰক্তবৃষ্ণা শেষ হব। তাই মাথো ভাৱে কথাবোৰ, বিজ্ঞানৰ অগ্ৰগতিৰ লগে লগে মানৱসমাজ কু-সংস্কাৰ, বৰ্বৰ জগতৰ পৰা এতিয়াৰ কুৰিশতিকাৰ সু-সভ্য মানৱ-সমাজলৈ পৰিণত হ'ল ; কিন্তু এই সভ্য মানৱবোৰ কিয় ৰক্তপিয়াসী। বিজ্ঞানৰ আবিষ্কৃত পাৰমাণবিক আগ্নেয় অস্ত্ৰবোৰ যেন সিহঁতৰ ৰক্তপিয়াসীৰ লালসা চৰিতাৰ্থ কৰাৰ আহিলাহে। শান্তি যেন সিহঁতৰ বাবে যন্ত্ৰণাৰ বোজা। ক্ষমতাৰ আত্মগৌৰৱ আৰু লালসাই সিহঁতৰ মানৱতাবোধ নাইকিয়া কৰি দিলে। এইবোৰ কথা ভাবিলে এলিজাৰ মনটো দেখো বৰ গধুৰ গধুৰ লাগে। তাই ভাৱে তাইৰ দৰে যদি সমগ্ৰ বিশ্ববাসীয়েই কথাবোৰ চিন্তা কৰিলেহেতেন, কিন্তু সকলোৱে এইবোৰ কথা চিন্তা নকৰে। কৰে মাথোন তাই আৰু হয়তো তাইৰ দৰে দুই এজনী দুৰ্ভগীয়াই। কাৰণ এলিজাৰ দুখৰ বাবে এই বৰ্বৰতাই জানো দায়ী নহয় ?

দেৱালত আঁৰিথোৱা ঘড়ীটোৰ টং টং শব্দই এলিজাক সচেতন কৰি দিলে। ঘড়ীটোলৈ চালে তাই। সাত বাজিলেই দেখোন। গীৰ্জাৰ সমূহীয়া প্ৰাৰ্থনা আছে আঠ বজাৰ পৰা। এলিজাৰ ব্যস্ততাও বাঢ়ি গল। কাপোৰ পিন্ধিবলৈ মন কৰি তাই ৱাৰড্ৰবটো খুলি ল'লে। কাপোৰেৰে ঠাহ খাই আছে ৱাৰড্ৰবটো। এই কাপোৰ তাইৰ আত্মীয়স্বজন আৰু বিশেষকৈ বান্ধৱীবিলাকে জন্মদিনৰ উৎসৱত উপহাৰ দিয়া। কিছুমান তাই নিজেও কিনিছে। ৰঙা, নীলা নানা ৰঙৰ কাপোৰবোৰ আজিকালি দেখোন তাইৰ ভালেই নালাগে। কেতিয়াবা মাথোন অন্তৰঙ্গ বান্ধৱীৰ জন্মদিনৰ পাৰ্টিলৈ পিন্ধি যায় সেইবোৰ। তলৰ পৰা এযোৰ কাপোৰ উলিয়াবলৈ গৈ থমকি ৰ'ল তাই। ধুনীয়া নীলা ৰঙৰ গাউনটো দেখি তাইৰ বহুত কথাই মনত পৰিল।

থিক দিনটো মনত তাইৰ নাই। বৰদিনলৈ তেতিয়া হয়তো দুই চাৰিদিন বাকী।

ধুনীয়া আবেলিটোৰ মিঠা আমেজখিনি ভাল-দৰেই অনুভৱ কৰিছিল তাই। তাতে দেহত তাইৰ নবযৌৱনৰ মাদকতা। সেইদিনা এলিজাই বান্ধৱী ক্রিষ্টিনাৰ সৈতে সান্ধ্যভ্ৰমণলৈ ওলাই গৈছিল। সিহঁতৰ ঘৰৰ আগেদি যোৱা পাইন গছৰ শাৰীৰ মাজেদি দীঘল পথটোৱেদি। ধুনীয়া এটা আবেলি। এনেকুৱা অপূৰ্ব্ব পৰিবেশত পাইনগছৰ মাজেদি যোৱা পথটোৰে ফুৰিবলৈ তাই ভাল পাইছিল। পথটোৰ কাষতে থকা সামৰিক বাহিনীৰ নতুন অস্থায়ী ঘাটিটো। সেইখিনি পাওঁতে সামৰিক ঘাটিটোৰ ওপৰত উৰিথকা ধুনীয়া সামৰিক পতাকাখনলৈ এলিজাই দূৰৈৰ পৰাই শ্ৰদ্ধাৰে মূৰ দোৱালে। নিজৰ জীৱন তুচ্ছ কৰিও নিজৰ দেশমাতৃৰ বাবে জীৱন আহুতি দিবলৈ আগবাঢ়ি যোৱা জোৱানহঁতলৈ এলিজাৰ শ্ৰদ্ধা হয়। খৰখেদাকৈ আগবাঢ়িবলৈ গৈ থমকি ৰল তাই। কোনোবা এজনে যেন পাইনবোৰৰ মাজৰ পৰা একান্ত মনে তাইৰ ফালে চাই আছে। নীলা গাউন পৰিহিতা ষোড়শী এলিজালৈ চাই থকা ধুনীয়া সামৰিক বিষয়াজনক দেখি প্ৰথমে তাই আচৰিত হৈছিল। কিন্তু তাইৰ বেয়া লগা নাছিল। তাই দেহত কিবা এক অজান নতুন শিহৰণ অনুভৱ কৰিছিল।

—"তেনেকৈ অকৰাৰ দৰে কি চাইছা" কম বুলিও কথাষাৰ এলিজাই কব নোৱাৰিলে। তাইৰ বাক্‌শক্তি যেন হেৰাই গ'ল। বান্ধৱী ক্রিষ্টিনাৰ মাততহে তাই সম্বিত ঘূৰাই পালে। তাৰ পাচত বহুতবাৰ এলিজাই সেই পাইন গছৰ পথটোৱেদি অহাযোৱা কৰিছে। এলিজা-এডৱাৰ্ড দুয়ো বহুত ওচৰ চাপি আহিল। এদিন এডৱাৰ্ডে নিজেই বিবাহ প্ৰস্তাবলৈ আহিল সিহঁতৰ ঘৰলৈ। এলিজাৰ মাক-দেউতাকেও এডৱাৰ্ডৰ দৰে মৰমীয়াল নম্ৰ সামৰিক বিষয়া এজনৰ হাতত জীয়েকক গতাই দিবলৈ সহজেই মান্তি হৈছিল। তাৰ পাচত ৰবদিনৰ দৰে পবিত্ৰ এটা দিনতেই সিহঁতৰ বিয়াখন হৈ গৈছিল। ছমাহৰ ছুটিত অহা এডৱাৰ্ডে এলিজাক পাই সুখী হৈছিল। সকুতেই মাক-দেউতাকক হেৰুৱা এডৱাৰ্ডৰ এতিয়া এলিজাই মাথোন আপোন। কিন্তু সিহঁতে গঢ়া নতুন সংসাৰখন যেন ক'ৰবাত কেনা লাগি গ'ল। এদিন পোষ্টমেনজনে দি যোৱা টেলিগ্ৰামখনেই যেন এলিজাৰ সপোনবোৰ খেলিমেলি কৰি দিলে। সেইদিনাখনৰ কথাবোৰ ভালকৈ মনত আছে এলিজাৰ।

"সেইখন কিহৰ টেলিগ্ৰাম প্ৰিয়তম" একান্ত ভাৱে টেলিগ্ৰাম পঢ়ি থকা এডৱাৰ্ডলৈ চাই এলিজাই সুধিছিল। এলিজাৰ চকুত বিস্ময়।

"এইখন নিতান্তই জৰুৰী টেলিগ্ৰাম এলিজা" এলিজালৈ নোচোৱাকৈ দি যোৱা উত্তৰটোৰ অৰ্থ এলিজাই বুজিছিল।

"মই যাব লাগিব এলিজা; শত্ৰুৱে আমাৰ সীমান্তত আক্ৰমণ কৰিছে। আমাৰ জেনেৰেলৰ পৰা আহিছে টেলিগ্ৰামখন"।

কিন্তু প্ৰিয়তম.............. ।

"আৰু কোনো কিন্তু নাই এলিজা। মই যাম। মই যাবই লাগিব। মোৰ দেশৰ বাবে। মোৰ বাবে। তোমাৰ বাবে"। এডৱাৰ্ডে ধীৰে ধীৰে কোৱা কথাখিনি লগে লগে উত্তেজিত হোৱা এলিজাই ধৰিব পাৰিছিল।

দুখত এলিজাও ভাগি পৰিছিল। তথাপিও এগৰাকী সামৰিক বিষয়াৰ পত্নী হিচাবে সাহস আৰু আদৰ্শৰে সিদিনাখন স্বামীক বিদায় দিবলৈ ৰেলষ্টেচনলৈকে গৈছিল। হাত জোকাৰি সেমেকা চকুৰে হাঁহি বিৰিঙাই বিদায় লোৱা এডৱাৰ্ডক চকুৰে নেদেখালৈকে এলিজাই বিদায় দিছিল। পুনৰ সোনকালে উভতি অহাৰ প্ৰতিশ্ৰুতিৰে—এডৱাৰ্ড এলিজাৰ পৰা বহুত দূৰলৈ গুছি গৈছিল।

সময়বোৰ বাগৰি গৈছিল। ব্যস্ত পৃথিবী-খনৰ লগত এলিজাই নিজকে মিলাই দিছিল। প্ৰতি সন্ধিয়া তাই ৰেডিঅ'ত অহা যুদ্ধৰ খবৰ-বোৰ শুনিছিল। ভয়তে তাইৰ বুকুখন কঁপিছিল। কৰিবলৈকো যে একো নাই তাইৰ। নিঃসহায় এলিজাই মাথো স্বামী আৰু দেশৰ মঙ্গলৰ বাবে ভগবানৰ ওচৰত সদায়ে প্ৰাৰ্থনা কৰিছিল। কিন্তু...কিন্তু এলিজাৰ প্ৰাৰ্থনা যেন ভগবানে শুনা নাছিল। এদিন এলিজাৰ জীৱনৰ চৰম অভিশাপৰ দিনটো আহি পৰিছিল। সেইদিনা সামৰিক বিভাগৰ গাড়ী এখনৰ পৰা নমাই অনা কফিনটো দেখি এলিজা থৰ হৈ গৈছিল। কফিনৰ ভিতৰত এডৱাৰ্ডৰ নিষ্প্ৰাণ দেহটোলৈ এলিজাই একেথৰে চাই আছিল। বিদায়গত এডৱাৰ্ডৰ সেমেকা মিঠা হাঁহিটো যেন এতিয়াও লাগি আছে তেওঁৰ মুখত। এডৱাৰ্ডে যেন কৈছে— "মোক বিদায় দিয়া এলিজা··· মোক বিদায়···" তাৰ পাচত কি হৈছিল এলিজাৰ মনত নাই। এডৱাৰ্ড এলিজাৰ পৰা বহু দূৰলৈ গুছি-গৈছিল ঘূৰি নহাৰ প্ৰতিশ্ৰু-তিৰে। ·········বহুত দূৰলৈ।

সেইদিনাৰে পৰা এলিজাই মাথো যন্ত্ৰ-মানবৰ দৰে দিন কটাইছে। এলিজাই আৰু এতিয়া কোনো হৈ চৈ উৎসৱত যোগ নিদিয়ে। প্ৰতিদিনেই তাই গীৰ্জালৈ যায়, প্ৰাৰ্থনা কৰে। আজি বৰদিনৰ পবিত্ৰ দিন। সমূহীয়া প্ৰাৰ্থনা হব গীৰ্জাত। এলিজাও যাব গীৰ্জালৈ। আনৰ দৰে তাই এতিয়া আৰু ভগবানৰ ওচৰত নিজৰ বাবে একো নিবিচাৰে। এলিজাই সদায়ে প্ৰাৰ্থনা কৰি অহাৰ দৰে আজিও ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিব— "হে' প্ৰভু যীশু, পৰম পিতা। মানৱক সুজ্ঞান দিয়া। সিহঁতৰ মাজত ভাতৃত্বৰ ভাব জগাই তোলা। যাতে কেতিয়াও আৰু সিহঁতৰ মাজত একো যুদ্ধ বিগ্ৰহ নহয়, কোনোৱে যেন পৰস্পৰ ৰক্তপিপাসু হৈ নুঠে। তেতিয়া হলে ভবিষ্যতে আৰু কোনো এলিজাৰ বাবেই বৰদিনৰ দৰে উৎসবটো ইমান উকা নহয়।"

তাৰ পাচত লৰালৰিকৈ এলিজাই ড্ৰয়াৰৰ পৰা বগা গাউনটো উলিয়াই পিন্ধি ল'লে। হাতত বগা ফুলৰ থোপাটো লৈ এলিজাই গীৰ্জালৈ বুলি ওলাই গ'ল। গীৰ্জাত বাজি থকা ঘণ্টাটোৰ শব্দ এলিজাৰ কাণত ডাঙৰ ডাঙৰকৈ বাজি উঠিল। ●

# অন্ধবিশ্বাস, কু-সংস্কাৰ আৰু ভাৰতবৰ্ষ

★বিজয়ানন্দ ডুৱৰা
প্ৰাক্‌স্নাতক বিজ্ঞান শাখা (দ্বিতীয় বাৰ্ষিক)।

"He who does not allow his miracles to be investigated is a crook, he who does not have the courage to investigate a miracle is gullible, and he who is prepared to believe without verification is a fool."

অন্ধবিশ্বাস মাত্ৰেই কুসংস্কাৰ নহয়। কিন্তু কুসংস্কাৰসমূহ অন্ধবিশ্বাসৰ ওপৰতেই প্ৰতিষ্ঠিত। গতিকে ইটো সিটোৰ লগত নিবিড়ভাৱে জড়িত। ভাৰতবৰ্ষ এখন বিচিত্ৰ দেশ। ইয়াৰ নানা অঞ্চলৰ মানুহৰ নানা বিশ্বাস, নানা মতবাদ। কিন্তু ই অতি সত্য যে ভাৰতৰ মানুহে নিজকে যিমানেই ধাৰ্মিক বুলি নাভাবক কিয় ভাৰতৰ জনসাধাৰণৰ ( বেচিভাগৰ ) মনোবৃত্তি প্ৰকৃততে অতি কুসংস্কাৰ ধৰ্মী, অন্ধবিশ্বাসী আৰু আটাইতকৈ ডাঙৰ কথা বিশ্লেষণধৰ্মী নহয়। অতীতত যিটো হৈছিল নভৱা নিচিন্তাকৈ তাকে মানি থকাটো আজিও ভাৰতৰ জনমানসত প্ৰতীয়মান। আটাইতকৈ দুখৰ বিষয় এইটোৱেই আজি কুৰি শতিকাৰ বিজ্ঞানৰ যুগৰ ছাত্ৰ-ছাত্ৰীৰ যি বৈজ্ঞানিক দৃষ্টিভঙ্গী থকাটো বাঞ্ছনীয় সিয়ো ভাৰতৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অভাৱ।

ইয়াৰ বাবে প্ৰধানকৈ দায়ী আমাৰ শিক্ষা-ব্যৱস্থা তথা ঘৰুৱা শিক্ষা। আজিৰ কোনো ছাত্ৰই যদি যুক্তিসহ দেখুৱায় যে সৰ্ব্বশক্তিমান যি ইচ্ছা তাকে কৰিব পৰা কোনো শক্তি এই বিশ্বত নাই তেতিয়া হয়তো কোনো গুৰু বা অভিভাৱকে অহৈতুক ভয়ত ছাত্ৰক 'জ্ঞানে মূৰত ধৰিছে' বা 'এনে কথা ক'ব নাপায়' আদি চালেবেৰে কোবোৱা কথাৰে অযুক্তিকৰ মন্তব্য দিব। ঈশ্বৰ আছে বুলি ধৰি ল'লে বহুতো সমস্যা মূহুৰ্ত্ততে সমাধান হৈ যায়। ফলত মানুহে বহুতো কথা চিন্তা নকৰি ঈশ্বৰৰ ওপৰত এৰি দিয়ে। ঈশ্বৰ আছে বুলিলে তেওঁৰ সৃষ্টিৰ প্ৰশ্ন উঠে। লগে লগে 'কুকুৰা আগতে নে কণী আগতে'ৰ দৰে সমস্যাৰ সৃষ্টি হয়। গতিকে এই প্ৰৱন্ধত সেইলৈ বিশেষ ভবা হোৱা নাই ; মাত্ৰ ঈশ্বৰ, ধৰ্ম আদি লৈ যিবোৰ ভণ্ডামি আৰু শোষণ চলি চলি আছে তাৰ সম্পৰ্কে আলোচনা কৰা হৈছে। ঈশ্বৰ নাই বুলিলেও মানুহে ভয় খায় অথচ আছে বুলিলেও সেই সম্পৰ্কে

উত্থাপিত প্ৰশ্নৰ সন্মুখীন হ'ব নোৱাৰে। উদাহৰণ স্বৰূপে এটা সাধাৰণ ঘটনা উনুকিয়াব খুজিছোঁ। এজন সৰু ল'ৰাক ধাৰ্মিক বাপেকে বুজাই থকা দেখিছিলো, "ভুত নাই। ভুত জানো ক'ৰবাত দেখিছা? ভয়তহে ভুত দেখে!" ইয়াৰ উত্তৰত হঠাৎ পুতেকে বাপেকক প্ৰশ্নকৰা শুনিছিলোঁ, "দে'তা, তুমি যে ৰাতিপুৱা, গধূলি পূজা কৰা ঈশ্বৰ চাবলৈ, তুমি ঈশ্বৰ দেখিছা নেকি? তেওঁ দেখিবলৈ কেনেকুৱা? আমাৰ ঘৰত যে আছে কৃষ্ণৰ মূৰ্ত্তি দুটা; দুয়োটাৰে চেহেৰা দেখোন একেবাৰে বেলেগ? তেওঁ আচলতে কেনেকুৱা?" মনে মনে কৃষ্ণৰ মূৰ্ত্তিক সেৱা কৰি শান্তি লভা আৰু আনহাতে নাম-ধৰ্মৰ হৈ ওকালতি কৰা বাপেকে উত্তৰ দিলে, "নাপায় সোণটো! ভগবানৰ কথা তেনেকে ক'ব নাপায়।" অতি পুতৌ লগা অৱস্থা তেওঁৰ। নজনা কথাটো নাজানো বুলিবৰ সাহ নাই।

কিন্তু এতিয়া প্ৰশ্ন হ'ল এই 'নাপায়' লৈ। কিয় নাপায় ঈশ্বৰ সম্পৰ্কে সমালোচনা কৰিব? সমাজত সৰ্বশক্তিমান বুলি স্বীকৃত ঈশ্বৰৰ দোষবোৰ কোৱাত আপত্তি কি? পাপ লাগিব? কিয়? যদিহে লাগে, যদিহে ঈশ্বৰ বেয়া বুলি কোৱাৰ বাবে পাপ লাগে আৰু ভাল ভাল বুলি শলাগিলে পুণ্য হয় তেন্তে মই ক'ম ঈশ্বৰে বিচাৰে মই তেওঁক তোষামোদ কৰাটো আৰু তেওঁক ভাল ভাল বুলি 'তেল' মাৰি থকাটো। ঈশ্বৰক পূজা সেৱা কৰাটো যদিহে একান্ত প্ৰয়োজনীয় তেন্তে মই ক'ম ঈশ্বৰেও ঘোচ্ (ভেটী) বিচাৰে। হয়নে? আৰু যদিহে নহয় তেন্তে গধূলি গধূলি চাৰি পাঁচ ঘণ্টা সময় বিভিন্ন ধৰ্মীয় ছত্ৰছায়াত বহি ঈশ্বৰৰ গুণগান কৰাৰ আৱশ্যক কি? যদিহে ঈশ্বৰে (গীতাৰ মতে) কৰ্ম চাইহে ফল দিয়ে তেন্তে দিনটোত চাৰি পাঁচ ঘণ্টা সময় একেখিনি কথাকে পাগুলি খৰচ কৰাৰ সকাম কি? নে মৃত্যুৰ আগতেই ঈশ্বৰৰ লগত ভাল সম্পৰ্ক ৰক্ষাৰ চেষ্টা? আমাৰ বুঢ়ামেথা, জ্ঞানী-গুণীসকলে আকৌ এইবোৰ কথাত তৰ্ক কৰিবৃ নাপায় বুলি কয়। কিয় নাপায়? শঙ্কৰদেৱে ঈশ্বৰ প্ৰাপ্তি 'তৰ্কে বহুদূৰ' বুলিছে বাবে? মহান সমাজ সংস্কাৰক শিল্পী শঙ্কৰদেৱক অসন্মান কৰিবলৈ যোৱা নাই; কিন্তু এই কথা কোনো পধ্যেই আজিৰ নতুন পুৰুষে মানি লোৱা উচিত নহয়। শঙ্কৰে দেখোন নিজেই মাধৱৰ লগত তৰ্ক কৰিহে মাধৱক শিষ্য কৰিছিল? অৰ্থাৎ তৰ্কৰ জৰিয়তেহে তেওঁলোকে ঈশ্বৰ সম্পৰ্কে ঐক্যমতত উপনীত হৈছিল।

যিকি নহওক, শঙ্কৰ-মাধৱৰ কথা ওলালত এইখিনিতে 'উদাৰ' বৈষ্ণৱ ধৰ্মৰ বিষয়ে দু-আষাৰ লিখোঁ। উদাৰ হয় জানো প্ৰকৃততে? কি শুনিলো কিছুদিন আগতে বৰপেটা নামঘৰৰ বিষয়ে? বিভিন্ন গোড়ামিলৈ ভাগ ভাগকৈ একেটা চুবুৰীতে দহটা নামঘৰ পাতিলেই যদি উদাৰতা প্ৰকাশ পায় নাজানো; কিন্তু সঁচাকৈয়ে জানো মাধৱৰ বাণীক মানি অহা হৈছে? "হৰিনাম কীৰ্ত্তনত নাহি কাল, দেশপাত্ৰ নিয়ম সংযম একো বিধি, হৰিত শৰণ লৈয়া কেৱল হৰিৰ নাম কীৰ্ত্তন কৰন্তে হোৱে সিদ্ধি।" —এইষাৰ কোৱাৰ পাচত কেইজন শঙ্কৰী মহাপুৰুষীয়াই বুকুত হাত দি ক'ব পাৰিব যে আজিও ই উদাৰ ধৰ্ম হৈয়েই আছে? দেশ,

কাল, পাত্ৰ বিচাৰ নকৰাকৈ ঈশ্বৰ উপাসনা হয়নে? গোড়া নীতি-নিয়ম বিনে নাম প্ৰসঙ্গ হয়নে সত্ৰ, বৰনামঘৰ আদিত? যদিহে হয় তেন্তে কিয় দেখা যায় গাঁৱত জাতি-উপজাতিৰ বেলেগ বেলেগ নামঘৰ?

এতিয়া কিছু বেলেগ কথালৈ আহোঁ। ঈশ্বৰৰ পৰা আমি বেচি পাইছোঁ নে ঈশ্বৰক আমি দিছোঁ বেছি আৰু দিয়াৰ বিনিময়ত কিবা পাইছোও যে তাকো সবল যুক্তিৰে প্ৰমাণ কৰিব নোৱাৰি। সেয়েহে আব্দুল মালিকে ৰাচিয়াত এজন ভদ্ৰলোকক তেওঁ-লোকে ঈশ্বৰক বহিস্কাৰ কৰিলে নেকি সোধাত মানুহজনে কৈছিল, "......আমাৰ দেশত তেওঁ বহুতদিন ভোগ কৰিলে আৰু তেওঁৰ দিনত আমাৰ সৰহভাগ মানুহে লঘোণ দিলে। এতিয়া আমাৰ মানুহে অলপ ভোগ কৰিবৰ ব্যৱস্থা কৰিছে আৰু ঈশ্বৰক ছুটী দিছে।........" আলবানিয়াৰ মানুহবোৰ মৰি গৈছে নেকি? তাততো ইমানপৰে (আমাৰ মতে) কল্কি অৱতাৰ ওলাবৃহি লাগিছিল? কাৰণ তাত ধৰ্ম চৰকাৰীভাৱে নিষিদ্ধ। আছেনে পৃথিৱীত ভাৰতৰ দৰে এখন দেশ, য'ত ধৰ্মীয় পৰজী-ৱিৰ সংখ্যা ইমান বেচি? ভাৰতৰ ডাঙৰ ডাঙৰ মন্দিৰবোৰৰ পূজাৰীবোৰ দেখিছে? চেহেৰা দেখিলেই বুজা যায় মাহিলি আয় পাঁচোটা অঙ্কৰ সংখ্যাতকৈও ডাঙৰ। কিন্তু কিয়েইবা কৰিছে তেওঁলোকে সমাজখনৰ প্ৰতি? সেই পৰজীৱিবোৰক দেশৰ দুখীয়া, অশিক্ষিত জনগণেই আপেল-আঙুৰ খুৱাই নোদোকা কৰা নাইনে, যিসকলে বিপদত পৰিলে মন্দিৰৰ বিগ্ৰহ দৰ্শনৰ দ্বাৰা ত্ৰাণ পাব বুলি ভাৱে? দক্ষিণ ভাৰতৰ জাগ্ৰত মন্দিৰ কিছুমানত দিনটো লাইন কৰিলেও বিগ্ৰহ দেখা পোৱাৰ সুবিধা নহয় অথচ টকা দহটা ঘোচ দিলেই সকলো সমস্যা সমাধান। কি 'দুষ্টৰ দমন শিষ্টৰ পালন' কৰিছে সেই জাগ্ৰত বিগ্ৰহবোৰে? ছিঃ! তেনেকুৱা মন্দিৰৰ আশীষ বিচাৰি আজিৰ যুগৰ মানুহ যায়নে? দিনটো টিলিঙা লৰাই জুইত ঘিঁউ দুচামুচ দিলেই মানুহে হীৰাৰ কুণ্ডল পিন্ধিব পৰা অৰ্থ নৈতিক অৱস্থা পায়নে? নে আন কিবা আয় আছে? সুবিধাবাদী পুৰোহিত একশ্ৰেণীৰ আয়ৰ সম্পৰ্কে Dr. D. D. Kosambi ৰ "An introduction to the study of Indian history" ত এটা উদাহৰণ পোৱা পোৱা যায়। "পুনাত কাৰোবাৰ ঘৰত বিয়া হ'লে প্ৰথম নিমন্ত্ৰণ পায় গণেশে। বিশেষ এটা পৰিয়ালৰ মানুহেহে এই দেৱতাৰ পূজাৰ অধিকাৰ পাইছে। প্ৰত্যেকজন পুৰোহিতে অপৰ্য্যাপ্ত দান, মন্দিৰৰ দেৱালৰ শোচনীয় বিজ্ঞাপন (এই বুৰ্জোৱা যুগত পুনাৰ প্ৰত্যেক মন্দিৰৰ বেৰত এনে ধৰণৰ বিজ্ঞাপন পোৱা যায়), মন্দিৰৰ মাটি আৰু প্ৰাঙ্গনৰ দোকানৰ খাজানা আদিৰ পৰা হোৱা আয়ৰ পৰা বুজন পৰিমাণৰ ভাগ পায়।" কোনে সুবিধা দিছে এই পৰজীৱিবোৰক? দেশৰ জনসাধাৰণে নহয়নে? ফুলনিত টেলিফোন লগাই, ডাঙৰ অট্টালিকাত সুন্দৰীৰ মাজত বিহাৰ কৰি ব্ৰহ্ম-চাৰী ব্ৰত ধৰি থকা ভণ্ডৰ ওচৰতনো আজিৰ যুগৰ জননেতা, ৰাজনৈতিক নেতাই আশীৰ্ব্বাদ বিচাৰি যায়নে? অত্যন্ত লাজলগা কথা। আমাৰ চিন্তাধাৰা উন্নত কৰিবৰ সময় হোৱা নাইনে?

এতিয়া পাপ পুণ্যৰ কথালৈ অহা যাওক। হিন্দুসকলৰ মতে যিবোৰ কাম নকৰিলে পাপ হয় সেইবোৰ কাম নকৰাকৈয়ে মুছলমানসকল আৰু মুছলমানসকলৰ মতে যিবোৰ কাম কৰিলে পুণ্য হয় সেইবোৰ কাম নকৰাকৈয়ে হিন্দুসকলে সুকলমে জীৱনধাৰণ কৰি আছে। তেন্তে পাপ কি? আৰু পুণ্য কি? হিন্দু সকলৰ মতে গৰুখোৱা পাপ। কাৰণ হিচাপে শতপথ ব্ৰাহ্মণৰ এটি বিখ্যাত শ্লোকত পোৱা যায় যে দেৱতাসকলে পৃথিবীৰ সকলো শক্তি গাইগৰু আৰু ষাঁড়গৰুৰ মাজত সুমুৱাই দিছে। কিন্তু উপনিষদৰ প্ৰভাৱশালী ঋষি যাজ্ঞবল্কই গৰুৰ মাংস কোমল হ'লে তেওঁ খাব আৰু আনেও খোৱা উচিত বুলি কৈছিল। সমসাময়িক ব্ৰাহ্মণসকলে তেতিয়া গো-মাংস ভক্ষণ কৰিছিল। অথৰ্ব্ববেদতো এই কথা আছে। তাত ব্ৰাহ্মণৰ খাদ্য হিচাবে বঁজা গৰু দান দিবলৈ কোৱা হৈছে। আনকি ব্ৰাহ্মণ সকলে নিজৰ গোমাংসৰ উৎস ৰক্ষাৰ বাবে কূটনীতিও খটুৱাইছিল। এনে কথা প্ৰচাৰিত হৈছিল—"ঘৰত যদি কোনোৱে বাঁজী গৰু পোহে তেন্তে সেই গৃহস্থই দেৱতা আৰু ব্ৰাহ্মণৰ বিৰুদ্ধে পাপত লিপ্ত হয়।"

অতীতৰ ঋষি-মুনিসকলে যে সময়ে সময়ে সুবিধা বুজি পাপ পুণ্যৰ সংজ্ঞা সলনি কৰি আহিছে তাৰো বহুত প্ৰমাণ আছে। দেৱতা সকলৰ গুৰু বৃহস্পতিৰ শিষ্য চাৰ্বাক মুনিৰ দৰ্শন সম্পৰ্কে দুআষাৰ লিখিব খুজিছোঁ। তাত উল্লেখ থকা কথাসমূহ আজিৰ যুগৰ মানুহৰ চিন্তাধাৰাতকৈ কিছু ক্ষেত্ৰত যথেষ্ট উন্নত। তেওঁৰ দৰ্শনত পোৱা যায় — প্ৰত্যক্ষহে এক-মাত্ৰ প্ৰমাণ। অনুমান কোনোকালে প্ৰমাণ বুলি গ্ৰাহ্য হ'ব নোৱাৰে। পৰলোক মিছা। এই দেহ এবাৰ নষ্ট হ'লে তাক পুনৰায় পোৱাৰ সম্ভাৱনা মুঠেই নাই। বেদ ভণ্ডৰ ৰচনা। স্বৰ্গ নৰকাদি ধূৰ্ত্তৰ কল্পিত। যজ্ঞত পশু বধ, মাংস আদি নিবেদন ৰাক্ষসবোৰে দিয়া। আচলতে স্বৰ্গ, নৰক, নিৰ্বান, মুক্তি আদি অবাস্তৱ কথা। যাগ-যজ্ঞ, অগ্নিহোত্ৰ, ব্ৰহ্মচৰ্য্য আদি নিষ্ফল ক্ৰিয়া। মৃত্যুৰ লগে লগে সকলো শেষ। সেয়েহে — "যাৱজ্জীৱং সুখং জীৱেদ্ ঋণং কৃত্বা ঘৃতং পিৱেৎ"। মতান্তৰে বৃহস্পতি মুনিকেই 'চাৰ্বাক দৰ্শন'ৰ প্ৰণেতা আৰু প্ৰচাৰক বুলি দাবী কৰা হয়। বৃহস্পতি আছিল নাস্তিক। কিন্তু তেওঁ দেৱতা-সকলক জ্ঞান দিব পৰা লোক বুলিয়েই স্বীকৃত। তদুপৰি জ্যাবালী আদি মুনিয়ে এই দৰ্শনৰ ভিত্তিত ৰামক বনগমনত বাধা দিছিল। বিষ্ণু পুৰাণেও ইয়াক স্বীকৃতি দিছিল বুলি জনা যায়। গতিকে দেখা যায় যে মুনি ঋষিয়ে এইবোৰ জানি তথা মানিও দেৱ-দেৱী, ইহলোক পৰলোক আদি সৃষ্টি কৰি সুবিধাবাদী মনোভাৱৰ পৰিচয় দিছিল। আৰু বলি নিদিলে পাপ হয়, পৰজন্মত শাস্তি পায় আদি মতবাদ প্ৰচাৰ কৰিছিল। আগতে উপৰোক্ত দৰ্শনক বিভিন্ন সময়ত ব্যৱহাৰ কৰি পাচত সেইবোৰ কৰিলেই আকৌ পাপ হয় বুলি কোৱা হৈছিল। গতিকে দেখা যায় যে পাপ পুণ্যৰ সংজ্ঞা সদায়েই সলনি হৈ আহিছে।

প্ৰসঙ্গক্ৰমে 'পাপ কৰিলে ঈশ্বৰে শাস্তি দিব' কথালৈ অহা যাওক। কাৰোবাৰ বেমাৰ হ'লে কোনো তথাকথিত ধাৰ্মিক পণ্ডিতক

কাৰণ সুধিলে ক'ব যে কিবা দায়-দোষ লগোৱাৰ ফলতহে তেওঁৰ বেমাৰ হৈছে। কিন্তু দুদিন পিচত দৰৱ খোৱাত সেই বেমাৰ ভাল হৈ যায়। উপৰোক্ত কথাটো উনুকিয়াই Dr. Abraham T Kavoor এ তেওঁৰ 'Gods, Demons and Spirits'ত কৈছে যে ঈশ্বৰে দিয়া শাস্তি মানুহে নাইকিয়া কৰাৰে পৰা প্ৰমাণ হয় যে মানুহ ঈশ্বৰতকৈ বেচি শক্তি-শালী। নহয়নে? গোড়া মনোবৃত্তিৰ মানুহে যুক্তি নামানে। তেওঁলোকৰ পৰা এইকথা জানিব পাৰোঁনে যে পুণ্যবান ধাৰ্মিক পুৰোহিত সকলৰনো কি পাপৰ বাবে বেমাৰ আজাৰ হয়? তেওঁলোক পাপী নেকি? যদিহে সাধাৰণ মানুহৰ দৰে তেওঁলোকেও পাপ পুণ্য কৰে তেন্তে স্বৰ্গ-নৰকৰ বাট দেখুওৱাত, ঈশ্বৰ প্ৰাপ্তিৰ বাট দেখুওৱাত তেওঁলোকক দালালী কৰাৰ সুবিধা কোনে দিছে? ঈশ্বৰৰ লগত ইমান ভাল সম্পৰ্ক থকা, ৰাইজক পাপ-পুণ্যৰ সংজ্ঞা দিব পৰা, ৰাইজৰ পাপ-পুণ্যৰ সংবাদ ঈশ্বৰক দিব পৰা পণ্ডিত পুৰোহিতনো ডাক্তৰী দৰৱ বিচাৰি আহে কিয়? তেওঁলোকে নিজেই জানে দেখোন কি কৰিলে পাপ খণ্ডন হয়।

পাপ পুণ্য সম্পৰ্কে আৰু দুআষাৰ লিখোঁ। শ্ৰীকৃষ্ণ বোলা ত্ৰেতাযুগৰ প্ৰেমিকজন নিশ্চয় পাপী নাছিল? তেৰাৰ বিষয়ে বহলাই কোৱাৰ প্ৰয়োজনবোধ কৰা নাই। কিন্তু তেনেকুৱা প্ৰেম স্বীকৃত নে আজিৰ সমাজত? কোনোবা স্বামীয়ে যদি উলঙ্গ অৱস্থাত গা-ধুই থকা তেওঁৰ পত্নীক আনে চোৱাটো নিবিচাৰে তেন্তে সেইজন লোকে পাপৰ ভয়ত শ্ৰীকৃষ্ণৰ গুণগান কৰাটো নিতান্তই ভণ্ডামি। গধূলিৰ আন্ধাৰত লোকৰ ঘৰৰ বোৱাৰীক ঘৰৰ কথা পাহৰাই প্ৰেমত মতলীয়া কৰি ৰখাটো আজিৰ সমাজত বৈধ নে? দিয়া হ'বনে তেনে কাম কৰিবলৈ আজিৰ যুগৰ মানুহক সামাজিক ভাৱে? নে 'দেৱতাই কৰিলে লীলা, মানুহে কৰিলে কিলা'? এইবোৰ কথা জানিও ফট'খনৰ শ্ৰীকৃষ্ণৰ মিচিকিয়া হাঁহিত গোপীনীৰ দৰে ভোল যোৱাটো আমাৰ বাবে উচিত হ'বনে? অষ্ট চৰিত্ৰৰ ইন্দ্ৰাদি দেৱতাবোৰক পূজাৰ সময় এতিয়াও আছেনে?

পাপ খণ্ডনৰ উপায় সম্পৰ্কে আকৌ উদাহৰণবোৰ চাবলৈ গ'লে মানুহ ঈশ্বৰৰ বিবেচনা শক্তিৰ প্ৰতি সন্দিহান হৈ পৰাটো স্বাভাৱিক। কীৰ্ত্তনৰ অজামিলৰ উপাখ্যান সকলোৱে জানে। পাপকৰ্ম্মা চৰিত্ৰহীন অজা-মিলে পুতেকৰ নাম ধৰি 'নাৰায়ণ' 'নাৰায়ণ' বুলি মতাৰ বাবেই বৈকুণ্ঠ পালেগৈ। পাপ খণ্ডনৰ ইমান সুন্দৰ উপায় থাকোঁতে পূজা পাতলাদি কৰাৰনো কি প্ৰয়োজন? গু-মূতেৰে পূৰ্ণ গঙ্গাত স্নান কৰাৰে বা কি প্ৰয়োজন?

'কুম্ভমেলা'ৰ ঘন্টাৰ শব্দ শুনিলে বোলে পাপ খণ্ডন হয় আৰু স্বৰ্গপ্ৰাপ্তি ঘটে? এই অন্ধবিশ্বাসৰ বাবেই গঙ্গা-যমুনা আৰু কল্পিত সৰস্বতীৰ সঙ্গমস্থল প্ৰয়াগত লাখ লাখ মানুহে নিজৰ জীৱন বিপন্ন কৰিও মেলাত যোগ দিয়ে। মেলাৰ সেই 'মাঙ্গলিক' ধ্বনি শুনিবৰ বাবে মানুহে খৰখেদা কৰি যাওঁতে বহুতে অত্যন্ত পিচল বোকাত পৰি লোকৰ গচকত প্ৰাণ হেৰুৱায়। কিন্তু অন্ধবিশ্বাসীসকলৰ এইবোৰৰ প্ৰতি কাণসাৰেই নাই। কাৰণ

তেওঁলোকৰ বিশ্বাস এইবোৰ মানুহৰ স্বৰ্গপ্ৰাপ্তি ঘটিব নাইবা পৰজন্মত পুণ্য হ'ব? ১৯৫৩ চনত এগৰাকী আমেৰিকান মহিলাই এনে মেলাৰ দৰ্শন কৰি আৰু তাত ভাৰতৰ ৰাষ্ট্ৰপতি-হেন শিক্ষিত লোকক দেখি বৰ আচৰিত হৈছিল আৰু কৈছিল যে এইবোৰৰ প্ৰতি ভাৰতৰ হিন্দুসকলে দকৈ গমিবৰ হ'ল। কিন্তু ইয়েই প্ৰমাণ নকৰে যে খৃষ্টান সকল আমাতকৈ উন্নত। তেওঁলোকেও নিজৰ পাপ 'external wash' বা 'Baptism' আৰু 'eternal wash' বা 'Holy communion'ৰ দ্বাৰা ধুব পাৰি বুলি ভাৱে। ভাগ্যে তেওঁ-লোকৰ গুৰুৱে তেওঁলোকক প্ৰয়াগলৈ আহি-বলৈ কোৱা নাই। নহ'লে তেওঁলোকো দলে বলে প্ৰয়াগ পালেহিহেঁতেন।

কিন্তু আমাৰ এই তলখাপৰ চিন্তাধাৰাক ভাৰতৰ বাহিৰৰ মানুহে বৰ হেয় দৃষ্টিৰে চায়। চায়। উদাহৰণ স্বৰূপে ১৯৬১ চনৰ ইংলেণ্ডৰ Surrey ত অনুষ্ঠিত 'World Union of Freethinkers'ৰ অধিবেশনলৈ আঙুলিয়াব পাৰি। তাত Lord Fenner Brockway (Labour M. P. of Uk) নামৰ এজনে বক্তৃতা প্ৰসঙ্গত কৈছিল যে পশ্চিমৰ 'Materialistic' দেশবোৰে প্ৰাচ্যৰ 'Spritualistic' দেশবোৰক সাহায্য দিয়া বন্ধ কৰি দিব লাগে। ভাৰত আৰু শ্ৰীলঙ্কাৰ স্বাধীনতাৰ হকে House of commons ত তৰ্ক কৰা Brockway ৰ মুখত এনে কথা শুনি Sri Lanka Rationalist Association ৰ সভাপতি Dr. Kovoor এ তেওঁক ইয়াৰ কাৰণ সুধিছিল। উত্তৰত তেওঁ কৈছিল, "......We prosper because we work hard, depend on the fruits of science and technology without seeking the assistance of imaginary gods to better our life here and now. Your People on the other hand waste their time and energy to placate imaginery gods to better their lives after death! Do you want us to give you a share of the products of our hard labour to enable you to waste more time on prayers, meditation, poojas and pilgrimages? ......While bells are rung at our work places to enable the workers to rest and refresh themselves to do more and efficient work, bells are rung several times during working time in certain middle east countries to enable the workers to conduct their prayers for ensuring better life after their death? Why do you expect help from us when you can get all what you need as boons from your gods?" তেখেতে আৰু সুধিছিল এইদৰে বাজে কামত আমাৰ কিমান মানৱশক্তি (man power) বছৰি খৰচ হৈছে তাৰ খবৰ কোনোবাই লৈছেনে? পশ্চিমীয়া দেশত কোনোবাই ব্যৱসায় আদি আৰম্ভ কৰিবলৈ হ'লে প্ৰথমে বিশেষজ্ঞৰ ওচৰলৈ পৰামৰ্শ বিচাৰি যায় আৰু আমাৰবোৰে পূজাপাতল কৰি হাত দেখুৱাই মাঙ্গলিক দিনবাৰ ঠিক কৰে!

ভাৰতীয় মানুহৰ চিন্তাধাৰা উন্নত নকৰিলে আমাৰ উন্নতি কেতিয়াও সম্ভৱ নহয়। সুবিধা-বাদী সকলে ইয়াৰ সুবিধা ল'বই ল'ব। 'ছাই বাবা'ৰ দৰে হাজাৰ হাজাৰ 'ভগৱান'ৰ জন্ম হ'ব। এইজন ভগৱানক আকৌ বহুতে প্ৰত্যাহ্বান জনোৱা সত্বেও ভগৱান নিমাত। বহুবাৰ ছাই বাবাক তেওঁৰ যাদুবোৰ পৰীক্ষাৰ বাবে দাখিল কৰিবলৈ কোৱা হৈছে যদিও 'ভগৱানজন' বাৰে বাৰে পলাই সাৰিছে। ইমানেই যদি তেওঁৰ যাদুৰ বল তেন্তে Bangalore University ৰ Vice Chanchellor Dr. Narasimhaih ৰ প্ৰত্যাহ্বান তেওঁ গ্ৰহণ নকৰিলে কিয়? কিয় গ্ৰহণ নকৰিলে তেওঁৰেই সৃষ্ট 'ছাই কৃষ্ণ'ই Dr. Abraham T. Kovoor ৰ প্ৰত্যাহ্বান, যাক ছাই বাবাই শ্ৰীকৃষ্ণৰ অৱতাৰ আখ্যা দিছিল? এই ছাই কৃষ্ণই আকৌ এবাৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিও পিচত পলোৱাত তেওঁৰ হৈ ওকালতি কৰা Dr. G. Venkat Rao এ 1000 টকা Rationalist Association ক ভৰিব লগীয়া হয়। কিন্তু অতি আনন্দৰ কথা ছাই বাবাৰ সৃষ্ট এই ছবছৰীয়া ছাই কৃষ্ণ ধৰা পৰিল। ১৯৭৬ চনৰ ১৫ জুলাইত Dr. H. Narasimhaihৰ নেতৃত্বত যোৱা দলটোৱে এগৰাকী Dr. ( Mrs. ) Vinoda N. Moorthy য়ে ল'ৰাটোৱে পেট বিষাইছে বুলি কোৱাত তাৰ পেন্টৰ ওপৰৰ বচীডাল খুলিবলৈ যাওঁতে দেখিলে যে তাৰ গেঞ্জীৰ খোচনত এটা 'পবিত্ৰ ছাই' ( holy ash )ৰ টোপোলা য'ৰ ছাই উলিয়াই সি শ্ৰীকৃষ্ণৰ অৱতাৰ হৈছিল। জোলো ঙাৰ মেকুৰী তেতিয়াহে ওলাল। এইবোৰত আকৌ সহায় কৰে কিছুমান সুবিধাবাদী সাংবাদিকৰ দলে। Blitz কাগজৰ Karanzia ছাইবাবাৰ মহা ভক্ত। তেওঁৰেই আকৌ প্ৰচাৰ কৰিছিল যে Hatha Yoga ৰ দ্বাৰা এজনে পানীৰ ওপৰত খোজ কাঢ়িব পাৰে। কিন্তু কিছুদিন পিচত সেইজনা যোগী নিজেই ধৰা দিলেহি বাঙ্গালোৰৰ Kornatic Hypnotists Circle ৰ সভাত ১৯৭৭ চনত। ড: কভুৰক উদ্দেশ্যি তেওঁ ক'লে, "Sir, I am L. S. Rao, the Hatha Yogi, who tried to walk on water at Bombay. I was not demonstrating any yogic power. It was only a trick of mine to make some money and I made 27 lakhs in the deal." Blitz আৰু যোগীৰ সততা দেখিলে? অসাধাৰণ শক্তি সম্পৰ্কে ড: আব্ৰাহাম কভুৰে কৈছিল যে তেনে কোনো শক্তি থকা হ'লে কেতিয়াবাই তেওঁৰ (কভুৰৰ) লাওলোৱা অৱস্থা হ'লহেতেন। কাৰণ তেওঁৰ মৃত্যুৰ ১৫ বছৰ আগতেই এটা প্ৰত্যাহ্বান জনাইছিল ১ লাখ শ্ৰীলঙ্কা টকাৰ। এই মুকলি প্ৰত্যাহ্বান সম্পৰ্কে তেওঁ কৈছিল, "I have offered an award of one lakh Srilanka rupees to any one who can demonstrate any one of the 23 items of miracles mentioned in my permanent challenge under fraud proof conditions." কিন্তু এই মহান সংস্কাৰকজনে এটা ফুটা কড়িও হেৰুৱাবলগীয়া নহ'ল।

শেষত ধৰ্ম ( religion ) সম্পৰ্ক দুআষাৰ লিখি এই প্ৰবন্ধৰ মোখনি মাৰো। "Probably the greatest curse of mankind

was the invention of the innumerable gods". ধৰ্মসমূহে ঐক্যৰ নামত বিভেদ অনা নাইনে? প্ৰত্যেকেই ঈশ্বৰ উপাসনাৰ নিজস্ব উপায়কেই শ্ৰেষ্ঠ বুলি ভবাৰ বাবে দেশত কটাকটি মৰামৰি হৈয়েই আছে। মোৰাদাবাদত ধৰ্মৰ নামত কম কলঙ্কময় ঘটনাখন নঘটিলনে? খৃষ্টিয়ান বুৰঞ্জীত Lutheran বোৰে Anabaptist ক, Calvin এ Servetus ক বা Quaker বোৰক Puritan বোৰে অত্যাচাৰ কৰা বা হত্যা কৰাৰ কথা আছে। একেজন ঈশ্বৰকে উপাসনা কৰা Protestant আৰু Roman Catholic বোৰে ইটোৱে সিটোক হত্যা কৰা নাইনে Belfast ত? কি কৰিছে সৰ্বশক্তিমান ঈশ্বৰে? কিবা অঘটন ঘটাৰ ভয়ত তেওঁক দয়ালু বুলি ক'লেই হ'লনে? প্ৰত্যক্ষত আমি কি দেখিছোঁ ( ধৰ্মই মানুহৰ মন সঁচাকৈয়ে শুদ্ধ কৰেনে? Frank Swankara নামৰ এজন উকীল তথা লিখকে এটা অনুসন্ধান কৰিছিল দুষ্কাৰ্য্য আৰু ধৰ্মৰ মাজত সম্পৰ্ক লৈ বিভিন্ন দেশত। তাৰে এখন দেশৰ উদাহৰণ দিয়া হ'ল। তাত ফাঁচী দিয়া হত্যাকাৰী সমূহৰ মাজত ৬৫% ৰোমান কেথলিক, ২৬% প্ৰটেষ্টান, ৬% হিব্ৰু, ২% পাগান ( Pagans ) আৰু ১ শতাংশৰ ⅔ ভাগহে ধৰ্মনাস্তিক। তেন্তে? ধৰ্মহীন, ঈশ্বৰত অবিশ্বাসী Bertrand Russell এহে দেখোন মানবীয় গুণৰ বাবেই আমেৰিকাক ভিয়েটনামৰ যুদ্ধত ৰাসায়নিক গেচ ব্যৱহাৰত বাধা দিছিল। তেতিয়া ধৰ্মৰ নামত মৰিব পৰা মানৱ দৰদী সকলে কি কৰিছিল? গতিকে দেখা যায় ধৰ্ম পূজা-পাতলাদিতকৈ বাস্তৱমুখী তথা বিশ্লেষণধৰ্মী চিন্তাধাৰাইহে মানুহক অধিক মানৱতাবাদী, মানৱদৰদী কৰি তোলে। মানুহে এজনে ইজনৰ কথা ভাবি মানৱীয় সমস্যাবোৰ যদি সমাধা নকৰে তেন্তে কোনো অলৌকিক ঈশ্বৰে অৱতাৰ ৰূপ ধৰি বা দূত পঠিয়াই মানৱ সমস্যা সমাধা নকৰেহি। Dr. Kovoor ৰ ভাষাত ক'বলৈ হ'লে, "The greatness of anyone consists in honest living and service to the people but never in making 'miracles'." ★

যিজনে নিজকে জ্ঞানী বুলি ভাৱে তেওঁতকৈ
মূৰ্খ লোক পৃথিৱীত দ্বিতীয় জন নাই।

—ভল্টেয়াৰ।

# পানী (এক অঙ্কীয়া নাটক)

● ডঃ প্ৰফুল্ল কুমাৰ ভুঞা

চৰিত্ৰসমূহ ঃ

(১) মঞ্জু — ন বোৱাৰী।
(২) বিনোদ — মঞ্জুৰ স্বামী।
(৩) ৰবীন ফুকন — বিনোদৰ দেউতাক।
(৪) বোপাইকণ — ঘৰৰ লগুৱা।
(৫) মজুমদাৰ — সোণাৰী
(৬) সবিতা, কবিতা আৰু ৰজিতা } মঞ্জুৰ কলেজীয়া বান্ধৱী।

চেটিংচ ঃ মঞ্চৰ চাৰিভাগৰ এক অংশ এখন পাৰ্টিচনে ভাগ কৰি থৈছে। তাত এখন থাপনা আছে আৰু থাপনাৰ আগৰ শৰাইত এখন কীৰ্ত্তন সজাই থোৱা আছে। ৰাকী চাৰিভাগৰ তিনি অংশত পৰিপাটিকৈ সজাই থোৱা জাকজমকীয়া ড্ৰইংৰুম। মাজতে এখন ডাঙৰ চাইবাবাৰ ফটো। ফটোত ধুনীয়া মালা এডাল আঁৰি থোৱা আছে। একাষে এটা ফোন আছে।

সেই ড্ৰইংৰুমতে বহি নবোৱাৰী মঞ্জুৱে এখন filmfare মনে মনে পঢ়ি আছে। মাজে মাজে দুই এখন ছবি বৰ মনোযোগেৰে চাইছে। এনেতে Calling bell টো বাজি উঠে।

মঞ্জু ঃ (বহি বহিয়েই আৰু দুৱাৰমুখলৈ চাই), সোমাই আহক।

[ ঢেক্ ঢেক্কৈ হাঁহি সবিতা, কবিতা আৰু ৰজিতা সোমাই আহে। হাতত তিনিওৰে কিতাপ-বহী আছে। কলেজৰ পৰা বাহিৰে বাহিৰে আহিছে ]

মঞ্জু ঃ (উঠি) আৰে— কবিতা, সবিতা আৰু ৰজিতা দেখোন। বহ, বহ। (তিনিও বহে) কি হ'ল আজি ক্লাচ নহ'ল নেকি ?

সবিতা ঃ আজি বাৰটাতে ক্লাচ চাচ্‌পেণ্ড কৰিলে। সেইকাৰণে ভাবিলো তোৰ তাতে সোমাই যাওঁ। (চাৰিও বহে)

কবিতা ঃ তাতে আৰু' আজি এমাহেই তোক দেখা নাই নহয়। এমাহৰ আগতে হোষ্টেলৰ পৰা যি ওলালি তাৰ পৰাতো দেখাই নাই।

সবিতা ঃ অ', মঞ্জুৰ বিয়া হোৱা এমাহেই হ'ল

নহয়!

মঞ্জু : বিয়ালৈনো নগলি কেলৈ? ৰ' ৰ'— বোপাইকণ! অ' বোপাইকণ এই-পিনে আহঁাচোন! (নেপথ্যত : গৈছো আইদেউ)

কবিতা : তইঁতৰ বাগানৰ ঘৰৰ পৰা বিয়া পাতিলি আক'। গাড়ী-গুড়া একো যোগাৰ কৰিব নোৱাৰিলো।

বোপাইকণ : (সোমায়েই) আইদেৱে বা কেলৈ মাতিছিল?

মঞ্জু : প্ৰথমতে ইহঁতলৈ তামোল আনা। লগতে চাহ-জলপানৰ যোগাৰ কৰা।

বোপাইকণ : বাৰু! (বোপাইকণ ওলাই যাবলৈ ধৰে)।

সবিতা : (বোপাইকণলৈ চাই) ফুলা ফুলা লুচি আৰু ভাজি।

(আটাইকেইজনীয়ে হাঁহি দিয়ে)

বোপাইকণ : (আকৌ ওলাই আহি) দিম, দিম —নিশ্চয় দিম।

[কৈ কৈ গুচি যায়, আটাইকেই-জনীয়ে আকৌ হাঁহে।]

ৰজিতা : (চাইবাবাৰ ফটোখন দেখি উঠি দীঘলীয়া নমস্কাৰ কৰে আৰু কয়) এই মঞ্জু, তোৰ চাইবাবাৰ পূজা ঠিকমতে চলিছে নে নাই?

মঞ্জ : (তপৰাই) এতিয়াতো ঠিকেই চলিছে; কিন্তু এটা কথালৈ বৰ ভয় লাগি আছে।

ৰজিতা : সেইটোনো আকৌ কি?

মঞ্জু : (কেউপিনে চাই) শহুৰক লৈ।

ৰজিতা : মানে— (আটাইকেইজনীয়ে মঞ্জুৰ ওচৰ চাপি বহে)

মঞ্জু : নহয় মনে, শহুৰ বৰ গোড়া বৈষ্ণৱ। মানে মহাপুৰুষীয়া।

সবিতা : পিছে কি হ'ল?

মঞ্জু : (তপৰাই) চাইবাবাক দেখিবই নোৱাৰে।

কবিতা : যোৱা এমাহেনো তই বাবাৰ পূজা কেনেকৈ চলালি?

মঞ্জু : সেইটোৱেইটো কথা যোৱা এমাহ-কাল শহুৰ ট'ৰত গৈছিল। আৰু আমাৰ এওঁৰ বুইছ, হাহেঁৰেও ৰাজি-মাহেৰেও ৰাজি। একো ৰাগ জঞ্জাল নাই। গতিকে এই এমাহ মই নিজ মনে চাইবাবাৰ পূজা চলাই আছো। শহুৰ আহিলেহে এতিয়া কি হয়?

কবিতা : তোকনো কোনে ক'লে যে শহুৰেৰে চাইবাবাক দেখিবই নোৱাৰে?

মঞ্জু : আমাৰ এওঁৱেই ক'লে।

সবিতা : চা, চা (কবিতাৰ গাত ধৰি জোকাৰি দি মনোযোগ আকৰ্ষণ কৰে), মই কৈছিলো নহয় বাবাই একদম ৰ'ম ভোল দৰা যোগাৰ কৰি দিয়ে।

মঞ্জু : সচাঁ, বাবাক পূজা কৰাহে কথা। বাবাই কৰিব নোৱাৰে কি? এবাৰ জান, আমি দাইটিৰ গাড়ীত গৈ আছিলো আমি ছটা মানুহ; হ'ল বাটতেই গাড়ী বন্ধ! দাইটিয়ে উঠি গৈ গাড়ীৰ টেংকীত মাৰি ভৰাই তেল জুখিলে। তেল একেবাৰেই নাই।

চিন্তাত মৰিছো। এতিয়া কি হ'ব? প্ৰায় দহ মাইল মান দূৰলৈকে পেট্ৰল পাম্প নাই। কি কৰোঁ? আমি চিন্তান্বিত। কিন্তু দাইটিয়ে জান অবিচল ভাৱে চাই বাবাক স্মৰণ কৰিলে, স্তুতি মিনতিও কৰিলে আৰু তাৰ পাছত চেলফ্ টানি দিলে; ঘৰক্ কৰে গাড়ী ষ্টাৰ্ট হ'ল। সেই যে চলিল, চলিলেই। আহি ঘৰ পালোহি।

কবিতা আৰু সবিতা: (আশ্চৰ্য্য প্ৰকাশ কৰি) সঁচা!

মঞ্জু: মই কেতিয়াবা মিছা কথা কোৱা দেখিছ?

ৰঞ্জিতা: কে'লে, তোৰ বায়েৰৰ বিয়াৰ কথা ইহঁতক কৈ দেচোন।

মঞ্জু: অ' সিও এটা আচৰিত কথা। [এনেতে বোপাইকণ সোমাই আহে আৰু সকলোকে তামোল যাচেহি। সকলোৱে একোখন কৈ তামোল লয় আৰু খায় আৰু বটাটো থৈ বোপাইকণ যায়গৈ] অ'! মোৰ বাইদেউৰ বিয়াৰ কথা কম বুলিছিলো নহয়?

ৰজিতা: অ' ক'চোন।

মঞ্জু: মোৰ বাইদেউৰ কতদিন বিয়া হোৱা নাছিল। কত দৰা আহিছিল। তাইক পচন্দই নকৰে। কিন্তু এবাৰ দাইটি আহি তাইক এখন ডাঙৰ চাই বাবাৰ ফটো দি কলে "তই এইখন ফটোত সদায় পুৱা-গধূলি ধূপদি চাই বাবাৰ আৰাধনা কৰিবি।" আৰু এমাহ নহ'-লেই। তাইক দৰাই থপিয়াই নিয়াদি লৈ গ'লহি নহয়।

কবিতা আৰু সবিতা: সচাঁ! (দুয়ো আশ্চৰ্য প্ৰকাশ কৰে)

ৰজিতা: মঞ্জু, তোৰ নিজৰ কথাটোৱেইনো কৈ নিদিয় কিয়? এতিয়া বিয়া হৈ গ'ল যেতিয়া কিহৰ লাজ আৰু?

মঞ্জু: (হাঁহি হাঁহি) তহঁতি জানই মই বাবাৰ নিয়মীয়া ভক্ত। মই সদায় বাবাক খাটিছিলো মোক এজন ব'ম ভোলা স্বামী যোগাৰ কৰি দিবলৈ; যাতে মই বাবাৰ আৰাধনা সদায় চলাই যাব পাৰিম। আৰু বাবাই দি-লেও তেনেকৈ। আৰু আচৰিত কথা কি জান?

কবিতা: (তপৰাই) কি?

মঞ্জু: মই মনতে এবাৰ ভাবিলো যে তিনি-মাহৰ ভিতৰত বিয়াৰ বন্দবস্ত নহ'লে মই বিয়াকে নোসোমাও। আৰু দিনে ৰাতিয়ে বাবাক স্মৰণ কৰিবলৈ ধৰি-লো। আৰু বাবাৰ কি মহিমা!

মঞ্জু: তিনিমাহ শেষ হোৱাৰ আগৰ দিনা মোক চাবলৈ এই বাপেক পুতেক দুয়ো গ'ল। আৰু হুৰমূৰকৈ বিয়া পাতি লৈ আহিলে। আনকি বিয়াখন ভালকৈ যোগাৰ কৰিবলৈ দেউতাহঁতে সময়কে নেপালে।

কবিতা: অ' তোক যে গাড়ী তুলি দেউতাৰে হোষ্টেলৰ পৰা হঠাতে লৈ গৈছিল, তোক দেখুৱাবলৈ বুলিহে নিছিল নেকি?

মঞ্জু : অ' তো।

কবিতা : তাৰ পিছততো তই হোষ্টেললৈ নাহি- লিয়েই।

সবিতা : অ' হয় হয়, মোৰো মনত পৰিছে।

ৰঞ্জিতা : ইমান লৰালৰি হ'ল কাৰণেহে তোৰ বিয়ালৈ আমি যাব নোৱাৰিলো।

মঞ্জু : মই কথাটো জানিয়েই তহঁতি নো- যোৱাত বেয়া পোৱা নাই। কিন্তু তহঁতি যাবি বুলি আশা কৰি আছিলো।

[ এনেতে ফোনটো বাজি উঠে ]

অলপ ৰবিচোন। কাৰনো ফোন আহিছে ধৰোঁ, হেল্লো মই মিচেছ ফুকনে কৈছো। (……হাঁহি) অ, কোৱা কোৱা। আজিনো ফোন কৰি- বলৈ কি হ'ল। মনত পৰিয়েই আছে নেকি ? [হাঁহে ,বান্ধবী কেইজনীয়েও মিচিকিয়াই হাঁহে ]। কি ? কি ? দেউতা আহিছে নেকি ? ঘৰলৈ নাহি বাহিৰে বাহিৰে অফিচলৈ গ'ল যে? ……টকা ? দেৰি হ'ল কাৰণে ? ঘৰলৈনো কেতিয়া আহিব ? কি ক'লা তিনি মান বজাত, তুমিনো কেতিয়া আহিবা ? … কি চাৰে চাৰি বজাত ? অলপ আগত আহিব নোৱাৰে নে ? ( কেৰাহিকৈ বান্ধবী কেইজনীলৈ চায় আৰু বান্ধবীকেইজনীয়ে মিচিকিয়াই হাঁহে ।…… )

মঞ্জু : ( গম্ভীৰ হৈ ) কি, কি ফটোখন ? বুজিছো, আৰু কিবা কৰিব লাগিব নেকি ? ……বুজিছো বুজিছো।

বোপাইকণ : ( সোমাই আহি ) আইদেউ চাহ জলপান ডাইনিং টেবুলতে সজাই আহিছো।

মঞ্জু : বোপাইকণ !

বোপাইকণ : কি কৈছে আইদেউ ?

মঞ্জু : আমি চাহ খাওঁ মানে তুমি এটা কাম কৰি থব লাগিব —।

বোপাইকণ : কি কাম আইদেউ ?

মঞ্জু : বলা ভিতৰতে কম। আহ তহঁতি ভিতৰলৈকে আহ।

( সকলো উঠে আৰু মঞ্জুৰ পিচে পিচে যায়। ) ( অলপ পাচতে বোপাইকণ ওলাই আহে )

বোপাইকণ : (স্বগতঃ) উৱা, এইবোৰ আৰু' কি কথা ? (ওপৰত উঠিবলৈ টুল এখন আনি চাইবাবাৰ ছবিৰ তলতে থয়। বাবাৰ ফটোখনলৈ চাই চাই) বৰ থুলন্তৰ পুৰুষ দেই এইজন। পিচে চুলিকোচা কেনেকুৱা জপৰা। জটা ধৰাও চোন নহয় আমি জটা ধৰা ফকীৰ কত দেখিছো। ( টুলখনত উঠি ফটোখন নমায় আৰু জাবি জোকাৰি চফা কৰি লয়। আকৌ এবাৰ ফটোখনলৈ চাই ৰ' লাগি ৰৈ থাকে। এনেতে চাহ খাই উঠি মঞ্জু, সবিতাহঁতে খিলখিলাই হাঁহে ।) অ' আহিলেই। মোক নেদেখুৱাকৈ কাম- টো কৰিবলৈ কৈছিল নহয়। মৰিলো এতিয়া।

( খৰধৰকৈ টুলখন যথাস্থানত থয় আৰু ফটোখন লৈ কোবাকোবিকৈ

ভিতৰলৈ যায়। পিচে সবিতাহঁত ইতিমধ্যে ওলাই আহি ফটোখন নিয়া দেখি আশ্চৰ্য্য প্ৰকাশ কৰে। মঞ্জু অলপ পিচত ওলাই আহে; হাতত তামোলপানৰ বটাটো লৈ। ওলাই আহিয়েই "তামোল খা" "হো তামোল খা" "বহ আক" বুলি কৈ কথাটো তল পেলাবলৈ চেষ্টা কৰে। আটাইকেইজনীয়ে তামোল খায় আৰু বহে।)

সবিতা : কি হ'ল অ' মঞ্জু? মানুহটোৱে দেখোন বাবাৰ ফটোখন লৈ গ'ল!

মঞ্জু : সেইটোৱেইটো সমস্যা। এওঁযে এতিয়া ফোন কৰিছিল— ফটোৰ কথাযে কৈছিল—

আটাইকেইজনীয়ে : অ' তই 'ফটোখন' 'ফটোখন' কৰা শুনিছিলো।

মঞ্জু : অঁ। তেওঁ ফটোখন গুচাই লুকুৱাই থবলৈ কৈছে। শহুৰদেউতাই বাবাৰ নামকে নুশুনে। মই কৈছোৱেই নহয় তেখেত এজন গোড়া বৈষ্ণৱ, মানে মহাপুৰুষীয়া। মই বৰ চিন্তাতেই পৰিছো। (চিন্তান্বিত হয়।)

সবিতা : আহ, বাবাৰ এটা ভজনকে গাওঁ। বাবাই সকলো সমস্যা সমাধান কৰি আহিছে আৰু কৰিবও।

বাকী সকলোৱে : হয়, হয়।

মঞ্জ : বোপাইকণ ফটোখন লৈ আহা। (বোপাইকণে ফটোখন আনি ছোৱালীহঁতৰ আগৰ মেজতে আওজাই থয় আৰু গুচি যায়)

[মঞ্জুৱে ভজন লগাই দিয়ে আৰু বাকীবোৰে গায়।]

গনেশ চৰণম চৰণম গনেশ, (৪ বাৰ)
চাইচ চৰণম চৰণম চাইচ (৪ বাৰ)

(ভজনৰ শেষত সকলোৱে ইতিমধ্যে বোপাইকণে থৈ যোৱা বাবাৰ ফটোলৈ সশ্ৰদ্ধ সেৱা জনায়।)

মঞ্জুত বাদে আটাইকেইজনীয়ে উঠে আৰু কয় : আমি যাওঁদে। তোৰ শহুৰেৰ আহিব নহয়।

মঞ্জু : যা বাৰু। (আটাইকেইজনী উঠে।)

সবিতা : (উঠি উঠিয়েই) চিন্তা নকৰিবি বুজিছ। বাবাই তোক এই সমস্যাত সহায় কৰিব।

মঞ্জু : বৰ দিগদাৰি কৰিলে ঘৰলৈ কেইদিনমানৰ কাৰণে গুচি যামগৈ। মই বাবাৰ দৈনিক পূজা সেৱা নকৰাকৈ থাকিব নোৱাৰো।

মঞ্জুত বাদে সকলোৱে : নাই, নাই, চব বাবাই ঠিক কৰি দিব। আমি আহোঁদেই। (কবিতা, সবিতা আৰু ৰজিতা যায়গৈ)

মঞ্জু : (বাবাৰ ফটোখনলৈ মূৰ দোৱায়) অ' বোপাইকণ, বোপাইকণ এইফালে আহাঁচোন। (নেপথ্যত গৈছো আইদেউ। তৎক্ষণাতে বোপাইকণ আহে।)

বোপাইকণ : মোক বা কেলৈনো মাতিলে?

মঞ্জু : ফটোখন লোৱা আৰু মোৰ আলমাৰীৰ ভিতৰত ভৰাই থোৱা। আৰু শুনা, দেউতাক দিবলগা চাহ, জল-

পান, গৰমপানী আদি সকলো সাজু ৰাখা। প্ৰথমতে কি কৰে নেজানোৱেই নহয়।

বোপাইকণ : ( হাতত ফটোখন লৈ ) একো চিন্তা নকৰিব আইদেউ। মই চব যোগাৰ কৰিম। আপুনি খালি দি যাব। [ বোপাইকণৰ প্ৰস্থান ]

মঞ্জু : ( বহে আৰু টেবুলৰ পৰা আনি ফিল্মফেয়াৰ এখন চাব খোজে ) নাই, নাই, এওঁলৈ এটা ফোনকে কৰোঁ আৰু খবৰটো লওঁ চোন দেউতা কেতিয়া আহে। ( উঠি গৈ ফোনটো ডাঙি লয়। অলপ পিচত ) চিক্স-ফাইভ প্লিজ। ( এনেতে কলিং বেল বাজি উঠে। ফোনটো থৈ মঞ্জু উঠি দুৱাৰ মুখলৈ যায়। ) ভিতৰলৈকে সোমাই আহক। ( দুখোজ পিচ হোহোকি যায়) অ' দেউতা দেখোন। ( ততাতৈয়াকৈ মূৰত ওৰণি লয়। আগে আগে ৰিক্সাৱালাটোৱে হল্ডঅল আৰু চুটকেছটো লৈ আহি থয় আৰু পিছে পিছে শ্ৰীযুত ৰবীন ফুকন। ফুকনে পইছা দিয়ে আৰু ৰিক্সাৱালাই চালাম দি গুচি যায়। )

মঞ্জু : বোপাইকণ, এইবোৰ ভিতৰলৈ লৈ যোৱা। )

বোপাইকণ : ( ভিতৰৰ পৰাই ) গৈছো আইদেউ। ( ওলাই আহি ) অ' দেউতা দেখোন।

ৰবীন ফুকন : কি খবৰ অ'? ভালনে ?

বোপাইকণ : ভাল দেউতা। ( কৈয়েই বস্তু কেইটা হাতত আৰু কান্ধত লয় আৰু ভিতৰলৈ যায়। ফুকন বহে।)

মঞ্জু : দেউতা, চাহকে একাপ আনো নেকি ?

ৰবীন ফুকন : নাই, প্ৰথমতে হাত-মুখ ধুই লওঁ। ( এই বুলি উঠে আৰু ভিতৰলৈ যায়। ইতিমধ্যে মঞ্জুৱে টেবুল ক্লথ আদি জাৰি জোকাৰি চাফা কৰি নতুনকৈ পাৰি কোঠাটো শুৱনী কৰে। এনেতে কাপোৰ সলাই ঘৰুৱা পোচাকত শ্ৰীযুত ফুকন আহি বহেহি। )

মঞ্জু : মই তেনে চাহ আনো ?

ৰবীন ফুকন : অ' আনা। ( মঞ্জু ভিতৰলৈ যায় আৰু ফুকনে খবৰ কাগজ এখনকে চায়। মঞ্জুৱে চাহ একাপ আনি টুলখনৰ ওপৰত থয়। )

মঞ্জু : দেউতা চাহ খাওক।

ৰবীন ফুকন : অ'। ( খবৰ কাগজখন জাপি থয় আৰু চাহকাপ লয়। )

মঞ্জু : জলপানো কৰি থৈছো। এতিয়া বিস্কুট দুখনমানকে আনোনে ?

ৰবীন ফুকন : ( গহীনাই ) অ' আনা-আনা। জলপান বিনোদৰ লগতহে খাম। ( মঞ্জু ভিতৰলৈ গৈ প্লেট এখনত বিস্কুট কেইখনমান লৈ আহি শহুৰেকৰ আগত থয়। শ্ৰীযুত ফুকনে মঞ্জুৰ আঙুলিৰ আঙঠিটোলৈ বৰকৈ লক্ষ্য কৰে আৰু আচৰিত হৈ ) উৱা বোৱাৰী,তোমাৰ হাতৰ আঙুলিত থকা আঙঠিটোত সেইটো জপৰা মূৰীয়া কোন মানুহৰ ছবি। চাওঁ, চাওঁ।

মঞ্জু : ( সগৌৰবে আৰু আঙঠিটো আগবঢ়াই ) এইয়া আমাৰ পৰম আৰাধ্য চাই ভগবানৰ ছবি।

ৰবীন ফুকন : কি ক'লা? কি ক'লা — চাই ভগবান! সেই ভণ্ডটো আক' কেতিয়াৰ পৰা ভগবান হ'ল।

মঞ্জু : নহয় দেউতা, নহয় মানে — হাতখনেৰে 'নহয়'টো প্ৰকাশ কৰিবলৈ চেষ্টা কৰে।)

ৰবীন ফুকন : ( কথাৰ ওপৰতে কথা কয় ) কি নহয়হে, কি নহয়? যোৱাবাৰৰ Sunday খন চোৱা নাছিলা? তাৰ ভণ্ডামীবোৰৰ কথা পঢ়া নাছিলা? মোৰ ওচৰত আছে—পঢ়ি চাবা।

মঞ্জু : নহয় মানে দেউতা। ( আকৌ আগৰ দৰে হাতেৰে অঙ্গীভঙ্গী কৰে )।

ৰবীন ফুকন : ( মঞ্জুৰ ডিঙিলৈ চাই ) উৰা ডিঙিৰ লকেটতো সেই জপৰাৰ ছবি!

মঞ্জু : নহয়, নহয় (প্ৰতিবাদ কৰিব নোৱাৰি হুক্‌হুক্‌কৈ কান্দিবলৈ ধৰে।)

ৰবীন ফুকন : ( খং কৰি ) আমি বৈষ্ণৱ বুজিছা? মহাপুৰুষীয়া ধৰ্ম্ম মানো। এই ভণ্ড চাইবাবা - টাইবাবাক নেমানো।

মই এতিয়াই এজন ভাল সোণাৰী মাতি আনিম। তুমি এই দুপদ অলঙ্কাৰ ভঙাই আন অলঙ্কাৰ ইচ্ছামতে গঢ়োৱাই লবা। অ' আৰু শুনা, এটা বৰগীত শিকি থবা ; নহলে ময়েই লগাই দিম। দুয়ো একেলগে গোসাঁই ঘৰত প্ৰাৰ্থনা গীত গাম। অ' আৰু এটা কথা শুনা, এই ভণ্ডটোৰ ক'ৰবাত ফটো থাকিলে এতিয়াই নমাই আনি পেলাই দিবা।

( ৰবীন ফুকন খণ্ডেৰে ভিতৰলৈ সোমাই যায়। )

মঞ্জু : ( উচুপি উচুপি কান্দিয়েই থাকে আৰু কান্দি কান্দি কয় ) মই বাৰু এক মূহুৰ্ত্ততেই মোৰ ইমান দিনৰ আৰাধনা, প্ৰাৰ্থনা আৰু উপাসনা জলাঞ্জলি দিওঁ কেনেকৈ? ( আকৌ হুক্‌হুক্‌কৈ কান্দে ) মই তাতকৈ ( মন দৃঢ় কৰি ) ঘৰলৈকে গুচি যাওঁগৈ। অন্ততঃ মনটোকে প্ৰস্তুত কৰি লব পাৰিম। মোৰোতো এটা মন আছে এটা মানসিক প্ৰস্তুতি আছে।

[ এনেতে হঠাতে হাতত লাঠীডাল লৈ ৰবীন ফুকন ওলাই যায় আৰু যাওঁতে কৈ যায়। আনহাতে মঞ্জু চক্‌খাই উঠে। ]

ৰবীন ফুকন : বিনোদক মই নহাকৈয়ে চাহ খাবলৈ ক'বা।

মঞ্জু : ( চকীত বহি পৰে আৰু হুক্‌হুক্‌কৈ কান্দে আৰু কান্দি কান্দি কয় ), হে চাই ভগবান, মোক ক্ষমা কৰা। মোৰ উপাই নাই। ( আকৌ হুক্-হুক্‌কৈ কান্দে। এনেতে বিনোদ ফুকন অৰ্থাৎ মঞ্জুৰ স্বামী সোমাই আহে। ( মঞ্জুৱে বিনোদৰ গাত ধৰি কান্দি কান্দি কয়।) মোক তুমি ঘৰত থৈ আহা।

বিনোদ : আহ্-লৰালিৰোৰ নকৰিবাচোন। সৌ সিদিনাহে তোমালোকৰ ঘৰৰ পৰা আহিছো।

মঞ্জু : নাই, নাই—মোক তুমি এতিয়াই থৈ আহিব লাগিব। মই এক মুহূর্ত্ততে মোৰ মত লৈ নিৰ আৰাধ্য ভগবানক এৰিব নোৱাৰো। (আকৌ হুক্-হুক্‌কৈ কান্দে)।

বিনোদ : অ' মই এতিয়াহে বুজিছো। মই এইটো হ'ব বুলি আগেয়েই জানিছিলো।

মঞ্জু : নাই, নাই, সেইবোৰ নেজানো; তুমি এতিয়াই এখন টেক্সী আনা আৰু মই মোৰ কাপোৰ কেইযোৰমান চুটকেচত ভৰাই লওঁ। (মঞ্জু কান্দি কান্দি ভিতৰলৈ সোমাই যায় আৰু বিনোদে মূৰে-কপালে হাত দিয়ে। এনেতে বোপাইকণ সোমাই আহে আৰু কাপ-প্লেটযোৰ হাতত লয়।)

বিনোদ : এই বোপাইকণ, কি হ'ল অ'? তই শুনিছিলিনে?

বোপাইকন : কিনো হব আৰু। দেউতাৰ লগত কথাৰ কটাকটি হ'ল।

বিনোদ : দেউতাক এওঁ কিবা বেয়াকৈ ক'লে নেকি?

বোপাইকন : নাই, নাই, দেউতাক ক'বলৈ কাৰোবাৰ সাহস আছেনে? দেউতাইহে আইদেউক ধমকি মাৰি এতিয়া সোণাৰী মাতিবলৈ গৈছে।

বিনোদ : সোণাৰী আক' কেলৈ?

বোপাইকণ : সেই কিবা চাইবাবাৰ ফটো থকা আঙঠি আদি ভঙাই নতুন গঢ়না কৰাবলৈ।

বিনোদ : তেন্তে মই যাওঁ।

বোপাইকণ : কেলৈ চাহ-জলপান নেখায় নেকি?

বিনোদ : এই পিনে আহ। (কাণত ফুচ্‌ফুচাই কিবা এটা কয় বোপাইকণে শব্দ নকৰাকৈ হাঁহি দিয়ে।) মঞ্জু, অ' মঞ্জু......

মঞ্জু : (ভিতৰৰ পৰাই) কি কৈছে? মই চুটকেচটো ঠিক কৰিছো।

বিনোদ : মই টেক্সী আনিবলৈ যাওঁ। তুমি দেউতাক ঘৰলৈ যাওঁ বুলি কৈ কবা। (এনেকৈ কৈ মিছা কথা কোৱাৰ ভেঙুচালী ধৰে আৰু ওলাই যায়।)

মঞ্জু : (ভিতৰৰ পৰাই) বাৰু যোৱা। সোনকালে আনিবা।

[ বোপাইকণে হাতত কাপ-প্লেটযোৰ লৈ ৰ' লাগি চায় আৰু কয় ]।

বোপাইকন : (স্বগতঃ) এইবাৰবা কেনে খেলা হয়? আগৰখন খেলাত দেউতাই গ'ল দিলে। এইবাৰ কোনে গ'ল দিয়ে চাওঁ। (ডিঙিটো মেলি ভিতৰলৈ চাই) অ' শুনিলেই নেকি আক'? শুনিলে আক' মইহে গ'ল খাই বহি থাকিম। (লাহে লাহে বোপাইকণে কাপ-প্লেটযোৰ লৈ ভিতৰলৈ যায়। এনেতে ৰবীন ফুকন আৰু সোণাৰী মজুমদাৰ সোমাই আহে। মজুমদাৰৰ হাতত কেইটামান কেটেলগ। ফুকন চোফাত বহি পৰে)।

ৰবীন ফুকন : বহা মজুমদাৰ, বহা। বোপাইকণ অ' বোপাইকণ।

বোপাইকণ : গৈছো দেউতা।

ৰবীন ফুকন : তই মজুমদাৰলৈ চাহ-জলপান লৈ আহ। বোৱাৰীক সধ্যে পঠাই দেচোন।

বোপাইকণ : ( ভিতৰৰ পৰাই ) বাৰু দেউতা।

মঞ্জু : ( চুচুক চামাক কৈ মূৰত ওৰণি লৈ ওলাই আহে আৰু মজুমদাৰ অৰ্থাৎ অচিনাকী মানুহ এজন দেখি চক্ খায়। ) দেউতাই মোক মতাইছিল ?

ৰবীন ফুকন : অ' বোৱাৰী, তোমাৰ সেই কেইপদ অলঙ্কাৰ ভঙাই কি লাগে গঢ়োৱাই লোৱা। খৰচলৈ ভয় নকৰিবা। ( ডাঙৰকৈ ) বোপাইকণ, মজুমদাৰলৈ তামোল আন।

বোপাইকণ : ( নেপথ্যৰ পৰা ) নিছো দেউতা। আপোনালৈও পানী আৰু গামোছা যতনাই থৈছো। আপুনিও সোমাই আহক।

ৰবীন ফুকন : মজুমদাৰ, মই উঠো তেন্তে।

মজুমদাৰ : যাওক চাৰ। মই বাকীবোৰ চম্ভালী লম। ( ফুকন সোমাই যায়। ) কেটেলগকেইটা লওক আৰু মোক ডিজাইন বাচি দিয়ক। ওপৰৰখন কেটেলগ একেবাৰে নতুন ডিজ ইনৰ। ( মঞ্জুৱে ডিজাইনৰ বহী কেইটা লয় আৰু চোফাত বহি মনোযোগেৰে চাবলৈ ধৰে। )

মজুমদাৰ : আপোনাৰ অলঙ্কাৰ দুপদ দিয়ক।

মঞ্জু : ( যন্ত্ৰৰ দৰে অলঙ্কাৰ দুপদ খোলে আৰু মজুমদাৰক গতাই দিয়ে। ) লওক। ( তেনেতে চাহ লৈ বোপাইকণ ওলায় আৰু মজুমদাৰৰ ওচৰৰ টুলখনত থয় )

মজুমদাৰ : আঙঠিটো সোণৰ ; কিন্তু চেইন-ডাল সোণৰ নহয়।

বোপাইকণ : ( টপৰাই ) ভালেই হ'ল, আই-দেৱে এতিয়া বাপেকে দুটা সোণৰ অলঙ্কাৰ পাব।

মঞ্জু : চেত্, মনে মনে থাকা। দেউতাই শুনিব।

বোপাইকণ : নাই আইদেউ, বাথৰুমত সোমালে আধাঘণ্টালৈ নোলায় আৰু একো নুশুনে নহয়।

( মঞ্জুৱে মিচিকিয়াই হাঁহে আৰু ডিজাইনবোৰ চাই থাকে )

মঞ্জু : ( কেটলগটো আগবঢ়াই ) এইটো ডিজাইনত আঙঠি আৰু লকেটসহ চেইন, দুয়োতে কিমান পৰিব ?

বোপাইকণ : ( দূৰৰ পৰাই ডিঙি মেলি চাই ) বাৰুকৈয়ে এসোপা লাগিব।

মজুমদাৰ : ( এহাতে কেটেলগটো লয় আৰু আনহাতে চাহকাপ থয় আৰু তামোল চোবাই থাকিয়েই কয় ) ফুকন চাহাবে যিমানেই খৰচ নপৰক মনৰ মতন বনাই দিবলৈ কৈছে।

বোপাইকণ : ( দুয়ো হাত দাঙি ) মাৰি দিলে আইদেউ। অলপ দামীত ধৰাহে কথা।

মঞ্জু : এই মনে মনে কোৱাচোন। দেউতাই শুনিলে বাৰু কি ভাবিব ?

মজুমদাৰ : এইডাল চেইনৰ লকেটত মুকুতা খুৱাই দিলেহে ভাল লাগিব।

মঞ্জু : মুকুতা খুৱালে সৰ্বমুঠ খৰচ কিমান পৰিব ?

মজুমদাৰ : আঙঠি আৰু চেইনত, এইটো আঙঠিৰ সোণ বাদ দি......ৰব...... (কাগজ কলম উলিয়াই লৈ কিবাকিবি বহুত হিচাব কৰি ) দুহেজাৰ টকা পৰিব ।

মঞ্জু : ইমান পৰিলে নেলাগে পায় ।

বোপাইকণ : ( অঙ্গীভঙ্গীৰে প্ৰকাশ কৰি ) লৈ লওক আইদেউ । দেউতাই দিছে যেতিয়া এৰাৰ কথা নহয় ।

মঞ্জু : মাৰাহে এক ঢকা এইটোক ( হাতখন ডাঙে ) ভয় কৰা যেন দেখুৱাই বোপাইকণ চুকলৈ দৌৰ মাৰে )

মজুমদাৰ : তপৰাই আৰু হাঁহি হাঁহি ) ফুকন চাহাবে মোক তিনি হেজাৰৰ ভিতৰত গঢ়াই দিবলৈ কৈছে ।

মঞ্জু : ( লাজ কৰি ) সঁচা ? ( এনেতে ফুকন সোমাই আহে আৰু সকলোবোৰ সংযত হয় )

ফুকন : কি হ'ল বোৱাৰী ? বাচি উলিয়াব পৰা নাই নেকি ?

মঞ্জু : ( লাহে লাহে ) নহয় মানে......

মজুমদাৰ আৰু বোপাইকণ : বেচি দাম পৰে বুলি গঢ়াবলৈ মনকৰা নাই ।

ফুকন : কি হ'ল মজুমদাৰ ? কিমাননো পৰিব ?

মজুমদাৰ : দুহেজাৰ চাৰ ।

ফুকন : হ'ব বাৰু । চাবা মজুমদাৰ অলঙ্কাৰে বোৱাৰীক শুৱাব লাগিব । ( মঞ্জুৱে লাজ কৰি অলপ পিচ হোহকে । )

মজুমদাৰ : সেইবিষয়ে আপুনি চিন্তাকে নকৰিব ( কেটেলগ আদি জাপি লৈ ) তেন্তে মই উঠোহে ।

ফুকন : যোৱা বাৰু । ( মজুমদাৰ যায়, বোপাইকণে কাপপ্লেটযোৰ গোটাই লয় আৰু যাওঁতে যাওঁতে কয় । )

বোপাইকন : অলঙ্কাৰ কিপদে আইদেউক হ'লে তুলি ধৰিব ।

ফুকন : যা! ( বুলি ধমকি মাৰে ) আহা বোৱাৰী ( ঘড়ী চাই ) গুৰু সেৱাৰ সময় হ'ল । ( দুয়ো কাষৰ গোঁসাই ঘৰত সোমায় । কঠ দুখন মঞ্জুৱে পাৰে । ফুকন অলপ আগত আৰু মঞ্জু সোঁহাতে অলপ পাচত বহে ।)

গোৱা বোৱাৰী, এটা ভাল বৰগীত গোৱা ।

মঞ্জু : ( এটা বৰগীত গায় )

ধ্ৰুং — ॥ নাৰায়ণ ! কাহে ভকতি কৰো তেৰা ।
মেৰি পামৰু মন, মাধব ঘনে ঘন,
যাতুক পাপ নাছোঁৰো ।

পদ — যত জীৱ জঙ্গম কীট পটঙ্গম
অগ্‌ নগ জগ তেৰি কায়া ।
সবকহ মাৰি পূৰত ওহি উদৰ
নাহি কৰত ভূত দায়া ॥
ঈশ স্বৰূপে হৰি সবঘটে বৈঠহ
যৈচন গগণ বিয়াপি ।
নিন্দা-বান পৈশূন্য হিংসা হৰি
তেৰি কৰহোঁ হামু পাপী ॥
কাকু শংকৰ কয় কৰহ কৰুণা নাথ
যো নোছাড়োহ ৰাম বাণী ।

সব অপৰাধক বাধক তুৱা নাম
তাহে শৰণ লেহ জানি ॥

( বৰগীতৰ শেষত ফুকনৰ ইঙ্গিতমতে ফুকন আৰু মঞ্জুৱে সেৱা কৰে আৰু ফুকনে কামনা-ৰূপী গীত গায়। গীতত শঙ্কৰ গুৰুৰ প্ৰতি আনুগত্যই প্ৰাধান্য পায়।

আৰু ফুকনে গায় :

জগত গুৰু আমাৰেই
শংকৰ গুৰু আমাৰেই
লুকাই আছা দেখা নেদা,
মণিকূটৰ ভিতৰে।

ফুকন আৰু মঞ্জুৱে গায় :

জগত গুৰু আমাৰেই,
শংকৰ গুৰু আমাৰেই,
লুকাই আছা দেখা নেদা,
মণিকূটৰ ভিতৰে।

গাই আৰু সেৱা কৰি থাকোঁতেই ড্ৰইংৰুমলৈ বিনোদ আৰু বোপাইকণ সোমাই আহে দুফালৰ পৰা। বিনোদে জুমি চাই ফুকন আৰু মঞ্জুক সেৱা কৰি থকা দেখে আৰু কয়। )

বিনোদ : (স্বস্তিৰ এটা ডাঙৰ নিশ্বাস পেলাই) হওক তেও পাই, সমস্যাৰ সমাধান হ'ল। মই বৰ ভয় খাই আছিলো।

বোপাইকণ : ভয় নাই সৰু দেউতা ! অলঙ্কাৰ কিপদ কৰাবলৈ দিওঁতে আইদেউৰ যে কি স্ফূৰ্ত্তি।

বিনোদ : হয় নেকি ? ( আচৰিত হোৱা যেন কৰে আৰু গহীনাই কয়।) বহুতবোৰ মাইকী মানুহ পানীৰ নিচিনা ; যি পাত্ৰতে থয়, তাৰেই গঢ় লয়।

● পট পৰে ●

গল্প

# তেজৰ ৰং ৰঙা

ৰমেশ গগৈ
২য় বাৰ্ষিক স্নাতক।

এটা সুন্দৰ প্ৰভাত। দিগবলয়ৰ সীমা চেৰাই, চকলা ডাৱৰ ফালি দোপতদোপে উঠি অহা এটা তেজোময় সূৰ্য্য। ৰঙা ৰং হেনো বিপ্লৱৰ প্ৰতীক। তেজৰ ৰঙো ৰঙা। বিপ্লৱ যদি এখন নদী; তেজ হ'ল তাৰ বুকুৰেদি বৈ যোৱা জলধাৰা। শুকান নদীৰ উৰ্ব্বৰতা নাই, পলস নাই। পুষ্পপত্ৰহীন লঠঙা ডালৰ সৌন্দৰ্য্য নাই, পূৰ্ণতা নাই। মুকুতা বৰ্জ্জিত শামুকৰ খোলাৰ মূল্য নাই।

"চাহাব, চাহ ইয়াতে থওঁ নেকি?" চক্ খাই উঠি পিচলৈ ঘূৰি চালো। আমাৰ ঘৰৰ পুৰণা লগুৱা কলিমন একাপ চাহ হাতত লৈ বৈ আছে। আমাৰ এই ৰাজপ্ৰাসাদ হেন ঘৰত তাৰ লেথিব পৰা কামিহাড় আৰু মোজাইক কৰা মজিয়াত খালী ভৰি দেখি কিবা বিসদৃশ যেন লাগিল। কিন্তু কলিমনতো মোৰ জন্মৰো বহু আগৰে পৰা আমাৰ ঘৰত আছে। তেতিয়া মোৰ দৃষ্টিত কলিমনৰ পৰিচয় ঘৰৰ সমস্ত কাম কৰা এটা যন্ত্ৰহে। সিওযে মানুহ সেই চিন্তাৰ আগমনত বহু পলম হৈছিল।

"অ, ইয়াতে থ।" কলিমন চাহকাপ থৈ গ'লগৈ। মোৰ মনটোও তাৰ লগে লগে গৈ তাৰ অতীত জীৱনৰ আঁত বিচাৰিবলৈ লাগিল। সেই একেই সূত্ৰ—"শক্তিৰ সংৰক্ষণৰ সূত্ৰ"। অস্থিচৰ্মসাৰ দেহাৰ তেজ মঙহ পেটুৱা শোষণকাৰীৰ বলে নোৱাৰা পেট আৰু মেদবহুল দেহলৈ ৰূপান্তৰিত হ'ল মাথো। শক্তিৰ বিনাশ নাই। সেপ গিলিবলৈও জীপ নোহোৱা জিভাৰ বিপৰীতে কোৱাৰিয়েদি লালটি বৈ যোৱা মুখৰ কুৎসিৎ হাঁহি। কলিমনৰ আগমনে মোৰ চিন্তাৰ দুৱাৰ মুকলিহে কৰি দিলে। মোৰ মন উৰি গ'ল পুনৰ অমৰহঁতৰ পঁজাৰ জে'কা মাটিৰ মজিয়াখনলৈ। এৰা, মোৰ বন্ধু অমৰজ্যোতি বৰুৱাৰ কথাই কৈছো। যাৰ পিচত আছে এক ইতিহাস; হয়তো কাৰোবাৰ বাবে মূল্যহীন; কিন্তু আন কাৰোবাৰ ওচৰত কিঞ্চিৎ হ'লেও হয়তো তাৰ মূল্য আছে। তাৰ দৃষ্টিভঙ্গী, তাৰ কথা, তাৰ উপলব্ধিক শুনক; কাৰণ আপোনাৰ আগত সৌঁশৰীৰে কিবা কোৱাৰ পৰা সি বঞ্চিত।

তেতিয়া অসমবাসীৰ অস্তিত্ব ৰক্ষাৰ আন্দোলন আৰম্ভ হৈছেহে মাথো। অমৰ আৰু মই একেখন কলেজৰে ছাত্ৰ আছিলো। আমাৰ

দুয়োৰে মাজত থকা সামাজিক বৈষম্যৰ বিপৰীতে গঢ়ি উঠিছিল আমাৰ বন্ধুত্ব। মই আছিলো চৰকাৰী চিকিৎসক দেউতাৰ একমাত্ৰ উত্তৰাধিকাৰী। অভাৱ কি— তাক উপলব্ধি কৰাৰ আহৰিয়েই নাই। কিন্তু নানা দুখ-কষ্ট আৰু অভাৱ অমৰৰ চিৰলগৰীয়া আছিল।

অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনক লৈয়েই আমাৰ দুয়োৰে মাজত কিছু কিছু ক্ষেত্ৰত মতবিৰোধ হৈছিল। এদিনৰ কথা —

অমৰ আৰু মোৰ মাজত আন্দোলন সম্পৰ্কে আলোচনা হৈছিল — "চা অৰুণ, আমাৰ এই আন্দোলন অস্তিত্ব ৰক্ষাৰ শেষ আন্দোলন নহয়। ই আৰম্ভণিহে মাথো। এই আন্দোলনৰ সফল ৰূপায়ন কৰি কেইলাখমান বিদেশী অসমৰ পৰা বহিষ্কাৰ কৰিলেই আমাৰ সমস্যা সমাধান নহয়। ইয়াৰ পাছতে আহিব আমাৰ সমাজত থকা দেশী-বিদেশী শোষণ-কাৰীৰ বিৰুদ্ধে অভিযান আৰু যিটো অতি প্ৰয়োজনীয়" — সি কৈছিল।

"তাৰ মানে তই আমাৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনক সমৰ্থন নকৰ ?" —মই খঙেৰে সুধিছিলো।

"মোক ভুল নুবুজিবি অৰুণ"— সি অতি গম্ভীৰভাৱে আৰম্ভ কৰিছিল। "অস্তিত্ব মানে মানুহৰ নামত থকা জকাঁটোৱেই কেৱল নহয়। আনকি তোৰ অস্তিত্ব আৰু মোৰ অস্তিত্বৰ মাজত যথেষ্ট পাৰ্থক্য আছে। ধৰ, সাগৰৰ মাজত দুখন নাও ধুমুহাৰ দ্বাৰা আক্ৰান্ত হৈছে। এখন নাৱৰ বঠা আছে আৰু আন-খনৰ নাই। কিছু সময়ৰ পাচত সাগৰ শান্ত হ'ল। বঠা থকা নাওখনে নিজৰ গতিপথেৰে আগবাঢ়িল ; কিন্তু আনখন স্থবিৰ। অতি আশ্চৰ্য্যৰ কথা হ'ল— আদিতে দুয়োখন নাৱৰে একোডালকৈ বঠা আছিল ; কিন্তু প্ৰথম নাৱৰ নাৱৰীয়াসকলে নিজৰ বঠা থকা স্বত্বেও আনখন নাৱৰ বঠাডাল কাঢ়ি ল'লে, নিজক অধিক শক্তিশালী কৰাৰ বাবে। তোক বোধকৰো ইয়াতকৈ বেছি নক'লেও হব।"

"কিন্তু ধুমুহাৰ পৰাতো প্ৰথমে ৰক্ষা পাব লাগিব। তাৰ পাচতহে বঠাৰ কথা চিন্তা কৰাৰ আহৰি।"

"সচাঁ কথা। হ'লেও বঠাহীন নাও এখন আনকি ধুমুহাৰ সময়খিনি তিষ্ঠি থকাই মস্কিল হব দেখোন। ধুমুহা শেষ হৈ ক্ৰুদ্ধ সাগৰ শান্ত হোৱালৈ — নাওখনৰ অস্তিত্ব থকা নথকাত সন্দেহ আছে। বৰ্ত্তমান আমাৰ সমস্যা এই নাওদুখনৰ সমস্যাৰ সৈতে একে পৰ্য্যায়ৰ। বঠাহীন নাওখন আমাৰ সমাজৰ দুৰ্ব্বল শ্ৰেণীৰ প্ৰতীক। আনখন আমাৰ সমাজৰে আন এক শ্ৰেণীৰ প্ৰতীক। শোষণকাৰীৰ কোনো জাতি, কোনো সম্প্ৰদায় নাই অৰুণ। সিহঁত সৰ্বত্ৰ বিৰাজমান। তই এইবিলাক কথা বুজাত অসুবিধা পাবি। কিন্তু তাৰবাবে তোক দোষ নিদিওঁ! তই যি পৰিবেশত, যিখন সমাজত জন্ম লৈ ডাঙৰ দীঘল হৈছ— কিছুমান মানুহ নামধাৰী প্ৰাণীৰ বাবে সেয়া এক ৰঙীন সপোনত বাদে আন একো নহয়; বাস্তৱ জীৱনত যাৰ অস্তিত্বই নাই। এই অসমতাৰ বাবে দায়ী কোন ? নিশ্চয় কেৱল বিদেশী সকলেই ইয়াৰ বাবে দায়ী নহয়। আমাৰ গাৰ মঙহো তাৰ বাবে দায়ী।" —মোক আক্ৰমণ কৰাৰ উদ্দেশ্যেই অমৰে কথাখিনি

খুব উত্তেজিত সুৰেৰে কৈছিল।

"সমাজৰ এই বৈষম্য আজিৰ কথা নহয়। কিন্তু আমাৰ বৰ্ত্তমান অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ সময়তহে এই বৈষম্য উপলব্ধি কৰাৰ অৰ্থ কি?"

— মোৰো খং উঠিছিল।

"শুন অৰুণ।" তাৰ কথাৰ এক বিষাদৰ সুৰে মোক চুই গৈছিল। "তই আৰু মই একৈশ বছৰীয়া ডেকা। শাৰীৰিক গঠনত তোৰ আৰু মোৰ পাৰ্থক্য নাই। আশা আকাংখ্যা বা অন্তৰৰ অনুভূতিৰ কথা নকলোৱেইবা। কিন্তু মই এনে এক পৰিস্থিতিত শিক্ষা নামৰ অৰ্থ উৎপাদনকাৰী এক ব্যৱস্থ ৰ পিছে পিছে ঘুৰিব লগা হৈছে; মাত্ৰ জীয়াই থকাৰ বাবে, মাত্ৰ অৰ্থৰ বাবে, কোনো চখৰ কাৰণে নহয়। কেৱল ময়েই নহয়, মোৰ অকালতে বিধবা হোৱা মা আৰু ভাইটি কেইটাৰ বাবে শিক্ষাৰ মূল্য মাথো এটা চাকৰি — কেইটামান টকা। আনকি মোৰ পঢ়াৰ খৰচৰ বাবে বছৰে বছৰে বন্ধকত ৰখা মাটিখিনি পুনৰ খোলাৰ দায়িত্বও ময়েই মূৰ পাতি লব লগা হৈছে। মোৰ মুখলৈ বাট চাই থকা মা আৰু ভাইটি কেইটাৰ কাৰণে এটা দিনেই এটা যুগ। দুখৰ দিন শামুকীয়া গতিৰেহে আগবাঢ়ে। এনে পৰিস্থিতিত এটা বছৰ কিমান দীঘলীয়া, তাক বোধকৰো অনুমান কৰিব পাৰিছ। তই মাথো অনুভৱহে কৰিব পাৰিবি। তত্বসমূহ দেখাত তেনেই উজু; কিন্তু কাৰ্য্যপ্ৰণালী যথেষ্ট জটিল।" সি কৈ গৈছিল। সি পুনৰ এটাকৈ এটাকৈ কবলৈ আৰম্ভ কৰিলে— যেন লেখি লেখি গভীৰ অংশহে কৈছে: "মঞ্জু,— মঞ্জুৱেও নুবুজিলে। কেনেকৈ বুজিব? তাই, তাইৰ ইঞ্জিনিয়াৰ দেউতাকৰ ক'লা টকাৰ মোহত আছন্ন। আজিৰ যুগত মানুহৰ অন্তৰৰ অনুভূতিয়েও অৰ্থ সম্পত্তিৰ ৰচীৰে বান্দৰ নাচ নাচে। এজন মানুহৰ মূল্যায়নৰ একমাত্ৰ আহিলা হ'ল টকা। যাৰ টকা নাই, তাৰ মূল্য প্ৰায় শূন্য। তাৰ প্ৰেম-প্ৰীতি, চিন্তাধাৰা, আশা-আকাংখ্যাৰ স্বৰূপ — আউসীত পূৰ্ণচন্দ্ৰৰ অস্তিত্বৰ নিচিনা।"—এটা গভীৰ হুমুনিয়াহেৰে কথাখিনি শেষ কৰি অমৰে মুক্ত আকাশৰ ফালে চাই ৰ'ল। চাই ৰ'ল — ক্লান্ত সূৰুযৰ ৰক্তিম প্ৰকাশ।

অমৰৰ দুৰ্ব্বল অংশত আঘাত কৰাৰ বাবে নিজৰ ওপৰতে ধিক্কাৰ জন্মিল। তথাপি তাক সুধিলো—

"বাৰু, যি কি নহওক, আমাৰ এই ঘুণে ধৰা সমাজ ব্যৱস্থাৰ বিপৰীতে এক অনন্য, নিষ্পেষনহীন সমাজ সৃষ্টিৰ পথ কি উপায়েৰে মুকলি কৰিব পৰা হ'ব? আমাৰ সমাজৰ দেশী-বিদেশী শোষণকাৰীৰ শোষণ-নিপীড়ন কি উপায়েৰে উচ্ছেদ কৰা সম্ভৱ হ'ব?

মোৰ এই প্ৰশ্নৰ উত্তৰত বহুসময় সি একেথৰে তাৰ অস্বাভাৱিক ভাৱে ৰঙা পৰা চকুৰে মোলৈ চালে। তাৰ এই তীব্ৰ চাৱনিৰ প্ৰখৰতাক সহ্য কৰিব নোৱাৰি মই তলমূৰ কৰি ৰ'লো।

"বি-প্ল-ৱ" সি এটা এটাকৈ উচ্চাৰণ কৰিলে।

"বিপ্লৱ!"

"কিয়? ভয় খাই গ'লি দেখোন। আমাৰ সমাজত চলি থকা অন্যায়-অবিচাৰ, শোষণৰ বন্ধন ছিঙাৰ একমাত্ৰ মোক্ষম অস্ত্ৰ হ'ল বিপ্লৱ।

ইয়াৰ বিকল্প মই বিচাৰি পোৱা নাই আৰু মোৰ বিশ্বাস, প্ৰকৃততে ইয়াৰ বিকল্প নাই। ইতিহাসেই তাৰ সাক্ষী।"

কিন্তু বিপ্লৱ মানেতো এক ৰক্তঘাটী সংঘৰ্ষ। তাকো জীৱশ্ৰেষ্ঠ মানুহৰ মাজত। এয়েই যদি তোৰ বিপ্লৱ হয়; তেনেহলে বোধকৰো বিপ্লৱ মানৱতা আৰু নৈতিকতা-বৰ্জিত। জীৱশ্ৰেষ্ঠ হিচাবে এই পন্থা কেনেকৈ গ্ৰহণযোগ্য হব পাৰে?

"হাঃ হাঃ হাঃ। তই মোক হহুঁৱালি অৰুণ। হাঃ হাঃ হাঃ।" সি শব্দ কৰি হাঁহি উঠিল। মই মাত্ৰ ভেবা লাগি তাৰ মুখলৈ চাই ৰ'লো।

"তোৰ এই বিচাৰ একপক্ষীয় হৈছে অৰুণ। মানৱতা? মানৱতাৰ কথা কৈছ? যেতিয়া জীয়াই থকাৰ ন্যূনতম সম্বলকনো মানুহে মানুহৰ পৰা কাঢ়ি লৈ যায়। যেতিয়া মানুহৰ মুখৰ হাঁহি মানুহেই চিৰদিনলৈ নোহোৱা কৰি দিয়ে আৰু যেতিয়া তিলতিলকৈ মানুহেই মানুহক মৃত্যুৰ মুখলৈ আগবঢ়াই দিয়ে; তেতিয়া নৈতিকতা আৰু মানৱতাক তোৰ জীৱশ্ৰেষ্ঠ মানুহে কিয় সামৰি থয়? আৰু শ্ৰেষ্ঠত্ব — ? এই শব্দৰ অপপ্ৰয়োগ হৈছে মাত্ৰ। মানুহ বন্য পশুতকৈও হিংস্ৰ, সাগৰৰ ধুমুহাতকৈও ভয়াবহ। এই মানুহ নামধাৰী পশুহঁতৰ তেজেৰে দুহাত পখালি লোৱাতকৈ পুন্যৰ কাম একো হ'ব নোৱাৰে অৰুণ, একো হব নোৱাৰে।" —সি জোৰেৰে চিঞৰি উঠিছিল।

আজি বাৰে বাৰে অমৰৰ কথাই আহি মোক জুমুৰি দিছেহি। যাৰ বক্তব্যক সদায় আওকান কৰিয়েই ক্ষান্ত থাকিলো; মাত্ৰ প্ৰলাপ বিবেচনা কৰিছিলো; তাৰ প্ৰতিধ্বনি কিয় আজি বাৰে বাৰে শুনিছো? বোধকৰো অমৰ আজি মোৰ কাষত নাই বাবেই। মোৰ কাষৰ পৰাই নহয়, এই দুখ-সুখ, শোকতাপে জৰ্জৰিত পৃথিৱীৰ বন্ধনৰ পৰা সি মুক্তি লভিলে। সি শ্বহীদ হ'ল। যেনেকৈ মাতৃভূমিৰ বহু বীৰ সন্তানে, গণতান্ত্ৰিক দেশৰ, গণতন্ত্ৰৰ সলিল সমাধি ঘটোৱা প্ৰশাসনৰ বলিশালত মূৰ পাতি বলি গ'ল। উদক ভেটাৰখীয়া পাতিলে ভেটাত লগা মাছৰ জুতি লগোৱা আঞ্জা খাবলৈ পোৱা টান। নাজানো এই মাছখোৱা উদৰ তেজৰ সোৱাদ কেনেকুৱা হ'ব। অমৰেও এই সোৱাদ নেপালে।

সৌৱা অমৰ আহিছে। মানুহৰ কান্ধতে উঠি আহিছে। ফুলৰ মাজত শুই আহিছে। জীৱনত যি মাথো কাঁইটৰ ওপৰতেই শুই কটালে, মৃত্যুৰ দুৱাৰদলি পাৰ হোৱাৰ পাছত তাৰ বাবে ফুলৰ মূল্যইবা ক'ত? জীৱনৰ আশা-আকাংখ্যা, পোৱা-নোপোৱাৰ বেদনা, সকলো মৃত্যুৰ দৰবাৰত অৰ্থহীন। সৌৱা জনসমূদ্ৰত সেৱা মঞ্জু নহয়নে? মই ভুল দেখিছো নেকি? নাই চকুৱে মোক এতিয়া-লৈকে বিশ্বাসঘাটকতা কৰা নাই। সেয়া তাইৰ হাতত ফুলৰ থোপা; ৰঙা ৰঙা ফুলৰ থোপা। তাই কান্দিছে নেকি বাৰু? মোৰ খুব ইচ্ছা হৈছে তাইৰ এটুপি চকুলো দেখাৰ। বোধকৰো সেয়ে অমৰৰো অন্তিম ইচ্ছা আছিল। তাইৰ এটুপি চকুলোৰ খুব আৱশ্যক হৈছে আজি। যিটুপি চকুলোৱে ধুই নিব অভি-জাত্যাভিমানৰ সমস্ত আবৰ্জনা, উজলাই তুলিব মানুহৰ হিয়াৰ গভীৰ অনুভূতিৰ সঁচা-অকৃত্ৰিম

ৰূপ। বাস্তৱ জীৱনৰ সীমাহীন দূৰত্বক মৃত্যুৱে তেনেই ওচৰ কৰি দিলে। তই জয়ী হলি অমৰ। তই বৰ ভাগ্যৱান। তই চা-তোৰ মাতৃয়েও তোৰ বাবে বেজাৰ কৰা নাই; আৰু কেতিয়াও নকৰে। তোৰ মৃত্যুৰ শোকে তেওঁক স্পৰ্শিব পৰা নাই। এই মাতৃভূমিৰ বাবেই তেওঁৰ শিৰৰ সেন্দূৰ বিসৰ্জন দিলে আৰু বিসৰ্জিলে তোক। এইবাৰ তেওঁ নিজেই আগবাঢ়ি আহিছে— মাতৃভূমিৰ পূজাৰ বাবে, মানুহক মানুহ হিচাপে জীয়াই ৰখাৰ বাবে।

সূৰ্য্যটো বৰ ৰঙা হৈ ওলাইছে। সুকৃষৰ ৰক্তিম জ্যোতিয়ে ধৰাবক্ষক উজলাই তুলিছে। সৌৱা অমৰও মানুহৰ কান্ধত উঠি আমাৰ পদূলি মূৰত ৰৈছে। আমাৰ শেষ বিদায়ক্ষণ উপস্থিত হৈছে। মই ঘপহকৈ বহাৰ পৰা থিয় হ'লো। ফুল! নাই ফুলেৰে সম্ভাষণ জনাই তোক অৱমাননা নকৰোঁ। মোৰ অজানিতেই মোৰ মুষ্ঠিবদ্ধ সোঁহাতখন ধীৰ অথচ দৃঢ়তাৰে উৰ্দ্ধমুখী হৈ মূৰৰ ওপৰত অলৰ-অচৰ হৈ ৰৈ গ'ল আৰু মই মোৰ শিৰা উপশিৰাই ৰঙা ৰঙৰ উত্তপ্ত তেজৰ অস্তিত্ব অনুভব কৰি ঘামি উঠিলো। ●



# ॥ আধুনিকা নাৰী ॥

তাৰা পাল
স্নাতক ২য় বাৰ্ষিক (কলা)।

ভাৰতীয় সমাজত নাৰীৰ স্থিতি পুৰুষৰ তুলনাত কম মহত্বপূৰ্ণ। আধুনিকা নাৰীয়ে যেতিয়া নিজৰ এই হীনস্থিতিৰ কাৰণ বিচাৰিবলৈ প্ৰয়াস কৰিলে তেতিয়া নাৰীয়ে ভাৱিলে তেওঁৰ এই হীনস্থিতিৰ মূল কাৰণ হৈছে পুৰুষ। আৰু তেওঁ নিজকে পুৰুষৰ সৈতে তুলনা কৰিবলৈ ধৰিলে। পুৰুষৰ প্ৰতি এই বিদ্ৰোহৰ মনোভাৱে নাৰীক নিজৰ কোমলাংগী অস্তিত্বক পুৰুষোচিত কঠোৰতাৰ অনুৰূপ গঢ় লবলৈ প্ৰেৰণা যোগালে। নাৰীয়ে নিজৰ চাৰিওফালে থকা সামাজিক বান্ধোনক ছিন্ন বিচ্ছিন্ন কৰিবলৈ সচেষ্ট হৈ পৰিল। ঘৰৰ চাৰিবেৰৰ মাজত নাৰীৰ শ্বাস-ৰুদ্ধ হ'বলৈ ধৰিলে। আধুনিকা হ'বলৈ যোৱাৰ এই উন্মত্ত বাসনাত নাৰীয়ে নিজৰ কোমলতা, মসৃণতা আৰু ভাবুকতা ত্যাগ কৰি পেলালে।

এইটো সঁচা যে পাৰস্পৰিক আদান-প্ৰদানৰ কাৰ্য্যত নাৰীয়ে পালে কম আৰু হেৰুৱালে অধিক। তথাপি এই কম আৰু অধিকৰ দৰ বিশুদ্ধ ৰূপত সংস্কাৰজনিতহে পৰিস্থিতিজনিত নহয়। নাৰীয়ে পৰিস্থিতিক সলনি কৰিব পাৰে; কিন্তু সেই সংস্কাৰবিলাক কেনেকৈ সলনি কৰিব যি নেকি তাইৰ ব্যক্তিত্বৰ অভিন্ন তত্ব। প্ৰকৃতিৰ সৈতে মিলিত হোৱা কোমলতা আৰু সংস্কাৰৰ ৰূপত পল্লৱিত ভাবুকতা কেনেকৈ নষ্ট হব? যদিও যত্ন কৰি এই অভিন্ন তত্ব বিলাকৰ ডিঙি চেপিও দিয়া হয়, তথাপিও এই কথাৰ কি নিশ্চয়তা যে নাৰীৰ ভৱিষ্যৎ মঙ্গলময় হ'বই। পৰিস্থিতিজনিত দোষ যিমান সোনকালে মচখাই যাব পাৰে সংস্কাৰজনিত দোষ সিমান সোনকালে মচখাব নোৱাৰে আৰু এই বিচাৰ ধাৰাই নাৰীক আৱশ্যকতকৈ অধিক কঠোৰ হবলৈ বিৱশ কৰি দিয়ে; কিন্তু এই কঠোৰতা ইমান সযত্নে হয় যে নাৰী নিজেও সুখী হ'ব নোৱাৰে। কৱচে বাহিৰৰ ৰ'দ বৰষুণৰ পৰা শৰীৰক ৰক্ষা কৰে; কিন্তু নিজৰ ভাৰ শৰীৰৰ ওপৰত নিদিয়াকৈ থাকিব নোৱাৰে।

নাৰীৰ স্বাৰ্থময় ৰূপ পশ্চিমীয়া দেশবিলাকত সহজ-সুলভ। সেইবিলাক ঠাইৰ নাৰী পুৰুষৰ সৈতে প্ৰত্যেক ক্ষেত্ৰতে খোজত খোজ মিলাই আগবাঢ়ি গৈছে। আৰ্থিক দৃষ্টিত পশ্চিমীয়া দেশৰ নাৰী সম্পূৰ্ণ স্বতন্ত্ৰ। সমাজ আৰু নীতিৰ কোনো বান্ধোনে নাৰীক আগুৱাই যোৱাত বাধা দিব নোৱাৰে; কিন্তু ইমানখিনি

স্বতন্ত্ৰতা প্ৰাপ্তৰ পাচতো কি নাৰীয়ে নিজে নিজকে সম্পূৰ্ণ স্বতন্ত্ৰ বুলি কব পাৰেনে? নাৰীয়ে এটি এটিকে সামাজিক আৰু নৈতিক বান্ধোনক ছিন্ন-বিছিন্ন কৰিও জানো সঁচা সুখ লাভ কৰিব পাৰিছে? ইচ্ছা কৰিলেই জানো নিজৰ নাৰীত্বক জলাঞ্জলি দি পুৰুষৰ কামুক দৃষ্টিৰ আগত কাঠৰ পুতলাৰ দৰে নাচিবলৈ অস্বীকাৰ কৰিব পাৰে? কিন্তু বাস্তৱেত নহয়। নাৰী স্বতন্ত্ৰ হৈয়ো স্বতন্ত্ৰ নহয়। বাহ্যিক ৰূপে পুৰুষৰ প্ৰতি উপেক্ষাৰ মনোভাৱ পোষণ কৰা সত্বেও নাৰীৰ অন্তৰত থকা পুৰুষক উন্মত্ত কৰা ৰূপ-সৌন্দৰ্য্যৰ মোহ লোপ পোৱা নাই আৰু আধুনিকা নাৰীয়ে এই নিষ্ঠুৰ সত্যক অস্বীকাৰ কৰিব নোৱাৰে। আধুনিক প্ৰসাধন সামগ্ৰী, ৰূপক সুৰক্ষিত কৰি ৰখাৰ সংখ্যাতীত উপকৰণ, পুৰুষক আকৰ্ষিত কৰাৰ উপহাসযোগ্য প্ৰচেষ্টা এই কথাৰ সাক্ষী। নাৰীয়ে নাৰী-সুলভ কোমলতাক ঢাকি কঠোৰ আৰু পুৰুষৰ সমান হবলৈ চেষ্টা কৰিলে যদিও নিজৰ গৌৰৱ ৰক্ষা কৰিব নোৱাৰিলে। দৈনিক জীৱনৰ সংঘৰ্ষত পুৰুষক তলপেলাবলৈ চেষ্টা কৰা সত্বেও পুৰুষৰ আকৰ্ষণৰ কেন্দ্ৰ হৈ থাকিবলৈ সদায় সচেষ্ট। নাৰীৰ মনৰ স্থিতি সেই ব্যক্তিজনৰ দৰে, যিজনে নেকি বাহ্যিক ৰূপে কোনো বস্তু বিশেষৰ প্ৰতি ঘৃণা আৰু অৰুচিৰ মনোভাৱ পোষণ কৰিও সময় আৰু উপযুক্ত মূহুৰ্ত্ত পালেই সৰ্বপ্ৰথমে তাক উপভোগ কৰে।

নাৰীৰ প্ৰতি, নাৰীৰ প্ৰত্যেক অংগৰ প্ৰতি, পুৰুষৰ ৰহস্যাত্মক দৃষ্টি সমূহ মানৱ-সমাজৰ এটি চিৰন্তন সত্য। নাৰীৰ প্ৰতি পুৰুষৰ সহজ জিজ্ঞাসা সৃষ্টিৰ আৰম্ভনিৰ পৰাই আছে আৰু ইতিহাসো এই তথ্যৰ সাক্ষী। তথাপি এই জিজ্ঞাসাই স্ত্ৰী-পুৰুষৰ পাৰস্পৰিক সম্বন্ধৰ শেষ বুলি ক'ব নোৱাৰি। স্ত্ৰী-পুৰুষৰ পাৰস্পৰিক আদান-প্ৰদানতো নাৰীয়ে দিলে অধিক আৰু পালে কম! বিধাতাই নাৰীক মাতৃত্বৰ গৌৰৱময় স্থান প্ৰকাশ কৰি কম পোৱা আৰু অধিক দিয়াৰ মাজৰ অন্তৰাল-খিনিৰ ক্ষতিপূৰণ কৰিলে।

পশ্চিমীয়া ৰঙীন সভ্যতাত লালিত-পালিত হোৱা নাৰীৰ সকলো পোৱা সত্বেও একো পোৱা নাই যেন লাগে। যি আৰ্থিক স্বতন্ত্ৰতাৰ কাৰণে নাৰীয়ে সংঘৰ্ষ কৰিলে সেই আৰ্থিক স্বতন্ত্ৰতাই নাৰীৰ অসন্তোষ আৰু অতৃপ্তিৰ কাৰণ হ'ল। নাৰীত্ব কেতিয়াও বিলুপ্ত নহ'ল। পুৰুষ প্ৰকৃততে চঞ্চল। নাৰীৰ উপেক্ষাই পুৰুষৰ মনত স্বাৰ্থপূৰ্ণ আৰু বাসনা-জনিত প্ৰেমৰ উৎপন্ন কৰে। শেষত পুৰুষ নাৰীৰ প্ৰেমী নহৈ নাৰীৰ ৰূপৰ 'গ্ৰাহক' হৈ পৰে আৰু 'গ্ৰাহকে' বিশুদ্ধৰূপে লাভ আৰু লোকচানৰ হিচাপ ৰাখিয়েই দৰ কৰে। যদি বস্তু লাভদায়ক যেন দেখে তেন্তে ক্ৰয় কৰি লয় নহ'লে অন্য দোকানলৈ গুচি যায়। পশ্চিমীয়া দেশৰ নাৰী-পুৰুষৰ সম্বন্ধৰ স্থিতি প্ৰায় এনেধৰণৰে।

পশ্চিমৰ আধুনিকা নাৰী ভাৰতীয় নাৰীৰ আদৰ্শ হৈ পৰিল। ভাৰতীয় নাৰীও পুৰুষৰ সমকক্ষ হ'বলৈ চেষ্টা কৰিবলৈ ধৰিলে। কিন্তু ভাৰত আৰু পশ্চিমীয়া দেশসমূহৰ নৈতিক আৰু সামাজিক পৰিৱেশৰ বহু পাৰ্থক্য আছে। ভাৰতীয় নাৰীয়ে অন্ধৰ দৰে পশ্চিমীয়া নাৰীৰ অনুকৰণ কৰিও সেই সকলোবিলাক আহৰণ

কৰিব নোৱাৰিলে, যাৰ বাবে তেওঁ ঘৰৰ চাৰিবেৰ ত্যাগ কৰিছিল। এফালে নাৰীৰ মনত পুৰুষৰ পম্পৰাগত প্ৰভুত্ব সোমাই আছিল আৰু আনফালে নাৰীত্বই নাৰীক স্থিৰ হৈ থাকিবলৈ দিয়া নাছিল। কিমান ভাল হ'লহেঁতেন, যদিহে নাৰীয়ে নিজৰ মহিমাক সুৰক্ষিত কৰি ৰাখিলেহেঁতেন, নিজৰ উপযোগীতাৰ সহায়ত নিজৰ অস্তিত্বক সুৰক্ষিত কৰি ৰাখিলেহেঁতেন। কিন্তু এইবোৰ সম্ভৱ নাছিল। নাৰীৰ অধিকাৰ নিৰিচৰাকৈ দিব পৰা দয়ালু কৃপালু পুৰুষ এতিয়ালৈকে এই পৃথিৱীত জন্ম হোৱা নাই।

ভাৰতবৰ্ষৰ আধুনিকা নাৰী মুখ্যত তিনি প্ৰকাৰৰ — এই আধুনিকা নাৰীসমূহৰ এটি শ্ৰেণী এনে মহিলাৰ যিসকলে সামাজিক আৰু অন্য প্ৰকাৰৰ বান্ধোনক উপেক্ষা কৰি ভাৰতবৰ্ষৰ ৰাজনৈতিক আন্দোলনক গতি প্ৰদান কৰিলে। এই আধুনিকা নাৰীসকলৰ আন এটি ভাগ এনে, যিসকলে সামাজিক পৰম্পৰাক সমাদৰ কৰিও নিজৰ শিক্ষাকে নিজৰ জীৱিকাৰ সাধনা স্বৰূপে ল'লে। এই নাৰীসকল শিক্ষিতা আৰু সামাজিক অন্যায়ক সহ্য কৰিও শ্বাসৰুদ্ধ জীৱন যাপন কৰে। আধুনিকা নাৰীৰ তৃতীয় শ্ৰেণীটো হ'ল সেইটো য'ত অল্প শিক্ষা আৰু পাশ্চাত্য সভ্যতাৰ প্ৰভাৱ পৰিছে। আধুনিকা নাৰীৰ এই বৰ্গই পাশ্চাত্য সভ্যতাক শ্ৰদ্ধা কৰে। এওঁলোকৰ জীৱনৰ মানদণ্ড থকা-লোৱাৰ ধৰণ পাশ্চাত্যগন্ধী তথাপি এই বিভাজনকে একমাত্ৰ বুলি মানি লোৱা অনুচিত হ'ব কিয়নো আধুনিকা নাৰীৰ এই তিনিবৰ্গ সম্পূৰ্ণৰূপে স্বতন্ত্ৰ। ওপৰত উল্লেখিত বিভেদ তত্ব কেৱল বাহ্যিক। আন্তৰিক দৃষ্টিত নাৰী নাৰীয়েই। এই বৰ্গ বিভাজন বাহ্যিক জীৱনৰ ওপৰত আধাৰিত। আন্তৰিক দৃষ্টিত প্ৰত্যেক বৰ্গৰ নাৰী অতি নগন্য আৰু সহজ সুলভ। ৰাষ্ট্ৰীয় জাগৰণত অংশগ্ৰহণ কৰা ভাৰতীয় নাৰীয়ে আধুনিকতাৰ সঁচা অৰ্থ বুজি পালে— ৰাজনৈতিক আন্দোলনক প্ৰচণ্ড ৰূপ প্ৰদান কৰিলে। এনে ৰাজনৈতিক উত্থান-পতনে তেওঁলোকৰ স্বকীয় শক্তিক প্ৰমাণ কৰিলে। তেওঁলোকে সংযম আৰু কঠোৰতাৰ নতুন-নতুন কীৰ্ত্তি প্ৰতিষ্ঠিত কৰিলে, কিন্তু সত্য এয়ে যে এই সকলো সংঘৰ্ষত তেওঁলোকৰ বিদ্ৰোহী ৰুক্ষতাই পৰিলক্ষিত হ'ল। তেওঁলোকৰ সংযম, ত্যাগ আৰু আত্মবিশ্বাস নমস্কাৰযোগ্য। কিন্তু তেওঁলোকৰ বিদ্ৰোহাত্মক ৰুক্ষতাই তেওঁলোকক সম্পূৰ্ণতা আৰু সৌন্দৰ্য্য প্ৰদান কৰিব নোৱাৰিলে।

যিসকল শিক্ষিতা মহিলাই ঘৰৰ বান্ধোনক উপেক্ষা কৰি সাৰ্বজনিক জীৱনত পদাৰ্পন কৰিলে, তেওঁলোকৰ জীৱন অসম্পূৰ্ণ হৈ ৰ'ল। ঘৰৰ বান্ধোন তেওঁলোকৰ বাবে আপত্তিকৰ হৈ পৰিল, যাৰ দ্বাৰা তেওঁলোকে নিজৰ সামঞ্জস্য স্থাপিত কৰিব নোৱাৰিলে। পৰিণাম স্বৰূপে তেওঁলোকে নিজৰেই ঘৰৰ চাৰিবেৰৰ লগত ঠেকা খাই বিদ্ৰোহ কৰি বহিল। তেওঁলোকে ঘৰৰ বন্ধন ৰক্ষা কৰাত সৰ্বদাই অসমৰ্থ হৈ থাকিল, ত্যাগ, বলিদান তেওঁলোকৰ বাবে অৰ্থহীন বুলি প্ৰতীতি হ'ল।

ভৱিষ্যতে নাৰীৰ স্বৰূপ এই কথাত নিৰ্ভৰ কৰিব যে তেওঁ নিজৰ বিদ্ৰোহী-ভাৱনাক কিমানদূৰ বিস্তৃত কৰিব পাৰিছে। পুৰুষৰ সৈতে বুজাপৰা কৰি চলা, পুৰুষৰ আকৰ্ষণৰ এক মহত্ব বিন্দু হৈ থকা আৰু নাৰীসুলভ

কোমলতা আৰু ভাবুকতা ৰক্ষা কৰি থকাই নাৰীৰ সুন্দৰ, সুখময় সংসাৰ নিৰ্মাণৰ তত্ব হ'ব পাৰে। কেৱল বিৰোধৰ পথ ধ্বংসাত্মকেই হ'ব পাৰে। বিকাশ আৰু নিৰ্মাণৰ প্ৰথম চৰ্ত্ত :— পুৰুষৰ সৈতে সামঞ্জস্য। যদি নাৰীয়ে নিজৰ বিৰোধকেই চৰম লক্ষ্য মানি লয় আৰু পুৰুষৰ সৈতে বুজাপৰাৰ প্ৰচেষ্টাক পৰাজয়ৰ প্ৰচেষ্টা বুলি মানি লয় তেন্তে জীৱনৰ লক্ষ্য অনিশ্চিত আৰু বিকাশৰ ক্ৰম আউলীয়া হৈ পৰিব। ★

DIGBOI COLLEGE LIBRARY
GOVT.
ESTD: 1965
AIDED
DIGBOI

**নিজৰ দোষ ঢাকিব খোজাজনেই হ'ল আচল অন্ধ। চকু নথকাজনেই অন্ধ নহয়।**

— গান্ধীজী।

গল্প

# সি বিদ্ৰোহ কৰিব

দেৱজ্যোতি হাজৰিকা
প্ৰাক্ স্নাতক, ১ম বাৰ্ষিক (বিজ্ঞান)।

তিনিআলিটোত ক্ৰমে মানুহৰ সমাগম এজন দুজনকৈ বৃদ্ধি পাবলৈ ধৰিলে আৰু জমা হোৱা মানুহবোৰৰ কথাবোৰ এটা সময়ত মৃদু কোলাহল লৈ পৰিণত হ'ল। সকলোৰে দৃষ্টি মাত্ৰ এটুকুৰা ঠাইলৈ — নৰ্দমাটোৰ কাষৰ এটুকুৰা বিশেষ ঠাইলৈ। তেতিয়া ৰাতিপুৱা সাত বাজিছৰ হৈছিল। ঠাইটুকুৰাত গোট খোৱাৰ সৰহভাগ মানুহেই আছিল চাকৰিলৈ যোৱা মানুহ।

ৰাতিপুৱাই হঠাৎ কোলাহল শুনি ক্ষন্তেক আগতে আজান দি শেষ কৰা ৰহিম চাচা মছজিদটোৰ পৰা অতি কৌতুহলেৰে একপ্ৰকাৰ খৰধৰকৈয়ে ওলাই আহিল আৰু মানুহৰ ভিৰ ভাঙি ভাঙি অৱশেষত ঘটনাটো আৱিষ্কাৰ কৰিলে। কুৰি শতিকাৰ প্ৰগতিশীল (!) সমাজৰ এক জ্বলন্ত স্বাক্ষৰ — কোনোবা নিৰ্লজ্জ কাপুৰুষৰ অবৈধ সম্বন্ধৰ সাক্ষী স্বৰূপ সদ্যজাত এটা ফুলকুমলীয়া শিশু নৰ্দমাটোৰ কাষত নিসাৰ হৈ পৰি আছে। শিশুটোৰ কাষতে পৰি আছে এখন ৰঙা কাপোৰ। কিন্তু জমা হৈ কোলাহল সৃষ্টি কৰা মানুহবোৰ যেন মন্ত্ৰমুগ্ধ পুতলাহে ! শিশুটোৰ জীৱন ৰক্ষা কৰাৰ কথা চিন্তা নকৰি চিৰিয়াখানাৰ জন্তু চোৱাদি শিশুটোক মাত্ৰ চাইছে। শিশুটোক দেখিয়েই ৰহিম চাচাৰ ধাৰণা হ'ল যেন তাৰ গাত তেতিয়াও প্ৰাণ আছে। হয়তো বিধাতাই শিশুটিৰ অকাল মৃত্যু কামনা কৰা নাছিল। হঠাৎ চাচাই শিশুটোৰ কাষতে পৰি থকা ৰঙা

কাপোৰখনেৰে তাক মেৰিয়াই লৈ আলফুলকৈ কোলাত তুলি ল'লে আৰু ঠাইটুকুৰাত জমা হোৱা মানুহবোৰলৈ এক বিতৃষ্ণাপূৰ্ণ দৃষ্টি নিক্ষেপ কৰি মুখেৰে এটা শব্দও উচ্চাৰণ নকৰি তীব্ৰবেগেৰে কিছু দূৰত থকা ডাক্তৰ ৰঞ্জন বৰুৱাৰ ঘৰলৈ খোজ চলাবলৈ ধৰিলে।

আৰু কোলাহল সৃষ্টি কৰা মানুহবোৰ! তেওঁলোকৰ সৰহভাগেই ইস্ ইস্ আস্ আস্ কৰি গন্তব্যস্থানলৈ যাত্ৰা কৰিলে। কেইটামান চেঙেলীয়া ল'ৰাহে মাত্ৰ চাচাৰ পিছে পিছে গৈ থাকিল। ঠাইটুকুৰাত তিনিআলিটোৰ ওচৰে-পাজৰে থকা কেইজনমান মানুহ ৰৈ থাকিল আৰু তেওঁলোকে সমগ্ৰ ঘটনাটোৰ সমালোচনা আৰম্ভ কৰি দিলে। বাটেদি গৈ থকা অন্য বহুতো মানুহেও আহি সেই সমালোচনাত অংশ গ্ৰহণ কৰিবলৈ চেষ্টা কৰিলে। মুঠতে তিনিআলিটোলৈ ৰাতিপুৱাই যেন ব্যস্ততা নামি আহিল।

ডাক্তৰ বৰুৱাই সেই সময়ত চাহ খাই উঠিছিলহে মাত্ৰ। হঠাৎ তেওঁ ৰহিম চাচাক কোলাত এটা কেঁচুৱাৰ সৈতে হুৰ্মুৰ্কৈ "ডাক্তৰ চাহাব ডাক্তৰ চাহাব" বুলি চিঞৰি তেওঁৰ ঘৰলৈ সোমাই অহা দেখি আচৰিত হৈ ওলাই আহিল আৰু এক প্ৰশ্নবোধক দৃষ্টিৰে মাথো চাচালৈ চাই ৰ'ল। চাচাই একে উশাহতে গোটেই ঘটনাটো কৈ পেলালে আৰু ডাক্তৰক শিশুটোৰ প্ৰাণ আছেনে নাই চাবলৈ অনুৰোধ কৰিলে। ৰাতিপুৱাই এনে এটা পৰিস্থিতিৰ সমুখীন হ'ব বুলি ডাক্তৰে কল্পনাও কৰা নাছিল। যিকি নহওক, তেওঁ চাচাক ভিতৰৰ কোঠালৈ লৈ গ'ল আৰু শিশুটোক বিছনা এখনত শুৱাই লৈ পৰীক্ষা কৰিবলৈ ধৰিলে। ক্ষন্তেক পিছতে ডাক্তৰৰ মুখৰ পৰা কেইটামান শব্দ উচ্চাৰিত হ'ল — "ইয়াক এতিয়াই ডিছপেনছেৰীলৈ লৈ যাব লাগিব। খুব সম্ভৱ বচাব পৰা যাব।" ৰহিম চাচাই যেন সেইকেইটা শব্দকেই ডাক্তৰৰ মুখৰপৰা শুনিবলৈকে বাট চাই আছিল। তেওঁৰ ধাৰণা সত্যত পৰিণত হোৱা দেখি এক তৃপ্তিৰ হাঁহি তেওঁৰ সমগ্ৰ মুখমণ্ডলত বিয়পি পৰিল।......

ৰাতিপুৱাৰ ভিতৰতে গোটেই ঘটনাটো সৰু চহৰখনত বনজুইৰ দৰে বিয়পি পৰিল। পাণ-ঘুমটি, চাহৰ হোটেল আদিত জমা হোৱা মানুহৰ মুখতো মাত্ৰ সেই ঘটনাটোৰেই আলোচনা হ'বলৈ ধৰিলে। ৰহিম চাচাই নৰ্দমাৰ কাষত পৰি থকা কাৰোবাৰ অবৈধ ল'ৰা সন্তানক কোলাত তুলি ল'লে— এই কথা শুনি বহুতেই ঘৃণাত নাক কোঁচালে। বহুতেই বহু মন্তব্য দিলে। বহুতেই ঘটনাটো শুনিও নুশুনাৰ ভাও ধৰি থাকিবলৈ চেষ্টা কৰিলে। অৱশেষত দুপৰীয়া সময়ত চহৰখনৰ মুছলমান ৰাইজে মছজিদত এখন জৰুৰী মিটিং পাতিলে আৰু সেই মিটিঙত ৰহিম চাচাই এটা অবৈধ শিশুক নৰ্দমাৰ কাষৰ পৰা তুলি লোৱা ঘটনাক তীব্ৰভাৱে গৰিহণা দিলে। বহুতো তৰ্ক-বিতৰ্কৰ পিছত চাচাক সমাজৰ পৰা বহিষ্কাৰ কৰিবলৈ সিদ্ধান্ত ল'লে আৰু তেওঁক পাঁচদিনৰ ভিতৰত মছজিদ ত্যাগ কৰাৰ নিৰ্দেশ দিয়াৰ সিদ্ধান্তও গ্ৰহণ কৰা হ'ল। মিটিঙত উপস্থিত কেইজনমান মানুহে এই সিদ্ধান্তৰ প্ৰতিবাদ কৰে যদিও গৰিষ্ঠ সংখ্যক লোকেই উপৰোক্ত সিদ্ধান্তকেইটাকে বাহাল ৰাখিব

লাগে বুলি ক'লে। বহুতেই ৰহিম চাচাক অশ্লীল গালিৰেও বিভূষিত কৰিলে। মিটিঙত আলোচনা চলি থকা সময়তে হঠাৎ ৰহিম চাচা ধুমুহাৰ দৰে মছজিদলৈ সোমাই আহিল আৰু তাত উপস্থিত থকা মানুহবোৰক উদ্দেশ্যি ক'বলৈ ধৰিলে, "আপোনালোকে মোক লৈ ইমান বাক-বিতণ্ডাৰ সৃষ্টি মিছাকৈয়ে কৰিছে। মোক সকলো কথা বাটত এজনে বৰ্ণাই ক'লে। আপোনালোকে যদি সঁচাকৈয়ে সেই অসহায় শিশুটোৰ জীৱন ৰক্ষা কৰা কাৰ্য্যক পাপ বুলি গণ্য কৰিছে তেন্তে কৰক। মোৰ কোনো আক্ষেপ নাই। আপোনালোকে লোৱা সিদ্ধান্ত অনুসৰি মোক আপোনালোকে সমাজৰ পৰা বহিষ্কাৰ কৰাৰ কাৰণেও মই বেয়া পোৱা নাই আৰু মই পাঁচদিনৰ ভিতৰতে এই মছজিদ ত্যাগ কৰিম বুলি আপোনালোকক এতিয়াই কৈ থলো।" কথাখিনি কৈয়েই ৰহিম চাচা যেনেকৈ আহিছিল তেনেকৈয়ে ধুমুহাৰ দৰে ওলাই গুচি গ'ল। মিটিঙত তীব্ৰ উত্তেজনাৰ সৃষ্টি হ'ল। আৰু সেই দিনাৰ পৰাই এজন নতুন মোল্লাই সেই মছজিদত ৰহিম চাচাৰ স্থান ল'লে।

তেন্তে এটা নিষ্পাপ, নিৰ্দোষী শিশুক বাটৰ কাষৰ পৰা তুলি লৈ তাক জীৱন দিবলৈ কৰা চেষ্টাই ৰহিম চাচাৰ দোষ আছিল? আজিৰ যুগত এই কথাই কিহৰ সূচনা কৰে? এখন প্ৰগতিশীল সমাজৰ নে এক অন্ধকূপৰ ভিতৰলৈ সোমাই যোৱা নিকৃষ্ট মনেৰে পৰিপূৰ্ণ মানুহৰ সমাজৰ?

কিন্তু অলপো বিচলিত নহ'ল ৰহিম চাচা। অৱশ্যে ৰাইজে যে তেওঁক সমাজৰ পৰা বহিষ্কাৰ কৰিব পাৰে সেই কথা তেওঁৰ মনলৈ অহা নাছিল। অন্ততঃ তেনে অধিকাৰ কাৰোবাৰ আছে বুলি তেওঁ জনা নাছিল। যিকি নহওক, ৰাইজৰ সিদ্ধান্তক ৰহিমচাচাই এক প্ৰত্যাহ্বান হিচাবে ল'লে।

* * *

"ডাক্তৰ চাহাব! আপোনাৰ এইখিনি উপকাৰৰ কথা মই মৃত্যুৰ সময়লৈকে মনত ৰাখিম। আপুনি শিশুটোক জীৱন দিবলৈ যি আপ্ৰাণ চেষ্টা চলালে তাৰ বাবে খোদাই আপোনাৰ অসীম উন্নতি কৰক! প্ৰকৃততে আপোনাৰ অন্তৰখন মানুহৰ অন্তৰ নহয়, এইখন এখন দেৱতাৰ অন্তৰ। আপুনিয়েই কওকচোন ডাক্তৰ চাহাব — কাৰোবাৰ ভুলৰ ফলত জন্ম লাভ কৰাই জানো এই কুমলীয়া শিশুটিৰ দোষ? হ'ব পাৰে সি কোনো পাপীৰ পাপকাৰ্য্যৰ পৰিণামস্বৰূপ; কিন্তু তাৰ বাবে জানো শিশুটোক দায়ী বুলি কব পাৰি? সি কি জানে? মোৰ কিন্তু শিশুটোক বেৰিলৈ ৰাস্তাৰ কাষত বৈ ৰং চোৱা মানুহবোৰক এটা মৰাশৰ ওচৰত বৈ থকা শগুণবোৰৰ দৰেহে লাগিছিল। কুমলীয়া ল'ৰাটোৰ জীৱন ৰক্ষা কৰা দূৰৰ কথা, তাক স্পৰ্শ কৰিলে যেন সিহঁতৰ কুষ্ঠৰোগহে হ'ব! মই তাক আপোনাৰ ওচৰলৈ লৈ আনিলোঁ। কিন্তু ৰাইজে কি ক'লে? —মই হেনো 'পাপ' কৰিছোঁ! এটা নিষ্পাপ শিশুক বাটৰ কাষৰ পৰা কোলাত তুলি লৈ মই হেনো গুনাহ কৰিছোঁ। কিন্তু আপুনি নাভাবিব ডাক্তৰ চাহাব, যে মই ৰাইজৰ সিদ্ধান্তত মৰ্মাহত হৈছো বৰং মই এনেকুৱা নিকৃষ্ট মনেৰে পৰিপূৰ্ণ মানুহৰ সমাজৰ

পৰা গুছি যাব লাগিব বুলি জানি ভালহে পাইছোঁ। সঁচাই এইখন সমাজলৈ মোৰ পুতো জন্মিছে। যিকি নহওক, মই শিছে সন্তানটোক কোনো অনাথ আশ্ৰমত নিদিওঁ। মইয়েই ইয়াক তুলি-তালি ডাঙৰ কৰিম। কাৰণ ইয়াক যেতিয়া মই কোলাত তুলি আনি জীৱন ৰক্ষা কৰিব পাৰিলো, গতিকে ইয়াৰ পিতৃ হোৱাৰ অধিকাৰ মোৰ সম্পূৰ্ণৰূপে আছে।" কথাখিনি শেষ কৰি ৰহিম চাচাই ফোপাবলৈ ধৰিলে। চকুদুটাত ক্ষোভৰ প্ৰভাৱ স্পষ্ট হৈ পৰিল।

ডাক্তৰ বৰুৱাই যেন বাধ্য ছাত্ৰৰ দৰে কোনোবা শিক্ষকৰ কথা শুনিছে। হঠাৎ তেওঁ গহীন মাতটোৰে ক'বলৈ ধৰিলে—, "চাচা আপুনি কোৱা কথাবোৰৰ প্ৰতিটোৱেই সত্য। এই শিশুটোক আপুনি তুলি ল'ব বুলি শুনি মই সঁচাই বৰ আনন্দিত হৈছো। আপুনি মুঠেই চিন্তা কৰিব নালাগে। তিনিদিনৰ পিছতে সম্ভৱ আপুনি ল'ৰাটোক হচ্পিটেলৰ পৰা লৈ যাব পাৰিব।

সঁচায়ে আমাৰ সমাজখনত ঘুণে ধৰিছে"। —এটা হুমুনিয়াহেৰে ডাক্তৰে কথাখিনি শেষ কৰিলে। ডাক্তৰ বৰুৱাক পুনৰ অশেষ ধন্যবাদ জনাই এক তৃপ্তিৰ মন লৈ ৰহিম চাচা ডাক্তৰৰ চেম্বাৰৰ পৰা ওলাই আহিল।

কিন্তু, ৰহিম চাচা আগৰ ৰহিম চাচাই হৈ থাকিল। গাঁৱৰ পৰা প্ৰায় আঠবছৰৰ আগেয়ে গুছি আহিছিল বহুতো দুখ পাহৰি থাকিবলৈ আৰু এই সৰু চহৰখনৰ মছজিদটোত মোল্লা হিচাবে থাকি দুবেলা দুমুঠি খাই আছিল। অৱশেষত যেনিবা তেওঁ এই চহৰখন এৰি পুনৰ গাঁৱলৈকে উভতি যাব। তাতনো দুখ কৰিবলগা কি আছে? বৰং তেওঁৰ দুখ লাগিল সমাজখনৰ মানুহবোৰলৈহে। তেওঁলোকেনো বাৰু চাচাক পাপ কাম কৰা বুলি কি যুক্তিত ক'লে? এটা সৰল শিশুৰ জীৱন ৰক্ষা কৰা চেষ্টাই যদি পাপ হয় তেন্তে তাৰ বিচাৰ খোদাই কৰিব। মানুহবোৰে বাৰু তেওঁক সমাজৰ পৰা বহিষ্কাৰ কৰি বৰ বীৰত্বৰ কাম কৰিছে বুলি ভাবিছে নেকি? ৰহিম চাচাক এক আদৰ্শ হিচাবে লোৱাৰ পৰিৱৰ্তে সমাজৰ পৰা বহিষ্কাৰ কৰাৰ আগতে তেওঁলোকে ভৱা উচিত আছিল যে তেনে কাৰ্য্যৰ দ্বাৰা তেওঁলোকহে ধ্বংসৰ এক গহ্বৰলৈ সোমাই গৈছে। জুইত পুৰিলে সোণৰ উজ্জলতা বৃদ্ধিহে পায়, নকমে। যি সময়ত অন্য সমাজৰ মানুহে উন্নতিৰ জখলাত ৰগাবলৈ চেষ্টা কৰিছে সেই সময়ত এনে এটা সাধাৰণ কথাত হুলস্থুলৰ সৃষ্টি কৰি এখন সমাজৰ মানুহ অন্যৰ চকুত মাত্ৰ পুতৌ আৰু হাঁহিয়াতৰ পাত্ৰহে হ'ব পাৰে।

...অৱশেষত সেই বিশেষ দিনটোৰ পিছত আৰু তিনিটা দিন সময়ৰ বুকুলৈ সোমাই গ'ল। আৰু সেই চাৰিদিনৰ দিনা প্ৰায় আবেলি সময়ত ৰহিম চাচা ডাক্তৰৰ চেম্বাৰত উপস্থিত হ'ল। ডাক্তৰ বৰুৱাই সেইখিনি সময়ত সাধাৰণতে ৰোগী নাচায়। সেইখিনি তেওঁৰ জিৰণিৰ সময়। চাচাক দেখি ডাক্তৰে চিঞৰি উঠিল — "আপোনাৰ কথাই ভাবি আছিলোঁ চাচা। শিশুটো বৰ্ত্তমান সম্পূৰ্ণ সুস্থ। আপুনি তাক আজিয়েই লৈ যাব পাৰিব। মই নাৰ্চক কৈ থৈছো। আপুনি কিন্তু তাক ভালকৈ যত্ন কৰিব। সেইদিনা

আৰু এঘণ্টা পলম হোৱা হ'লেই তাক বচোৱাটো অসম্ভৱ হ'লহেঁতেন।"

ৰহিম চাচাই এটা হাঁহি মাৰি ক'লে— "শিশুটোৰ যত্নৰ বাবে কোনো চিন্তাই নকৰিব ডাক্তৰ চাহাব। মই কাইলৈ পুৱাতেই গাঁৱলৈ গুচি যাম। গাওঁ পালেই তাক চাবৰ কাৰণে মানুহৰ অভাৱ নহ'ব। মই পিছে আপোনাৰ ওচৰত চিৰকৃতজ্ঞ হৈ থাকিম।"

ডাক্তৰে অলপ আচৰিত হৈয়েই ক'লে— আপুনি কালিলৈ যাবই নেকি? আপোনাৰ গাঁৱত কোন কোন আছে? গাঁৱৰ পৰা চহৰলৈ গুচি অহাৰ কাৰণ কি? অলপ ভাঙি পাতি কওকচোন। আপোনাৰ কথা-বতৰা বোৰৰ মাজত কিবা ৰহস্য সোমাই থকা যেন অনুভূত হয়।"

—"কোনো ৰহস্য নাই ডাক্তৰ চাহাব। আছে মাথোন এটা কৰুণ কাহিনী। বৰ কৰুণ সি। মই সেই কাহিনী আজিলৈকে কাকো কোৱা নাই। কিন্তু মই সেই কাহিনী আপোনাক কম ডাক্তৰ চাহাব?

মই জন্ম লাভ কৰি ডাঙৰ-দীঘল হোৱা গাওঁখন ইয়াৰ পৰা বহুত দূৰৈত। সেইখন গাঁৱৰ মানুহবোৰ বৰ সৰল, বৰ কোমল মনৰ। সেই মানুহবোৰে মোক বৰ ভাল পাইছিল আৰু শ্ৰদ্ধা কৰিছিল। সেইখন গাঁৱতে খেতি-বাতি কৰি আজিৰ পৰা প্ৰায় আঠবছৰৰ আগতে মই মোৰ একমাত্ৰ ছোৱালী-মোৰ জীৱনতকৈও মৰমৰ-পান্নাৰ লগত জীৱন-নিৰ্বাহ কৰিছিলো। পান্নাই বৰ সৰুতেই মাকক হেৰুৱাইছিল। গাঁৱৰ মানুহৰ সহযোগত মই বৰ কষ্টৰে তাইক ডাঙৰ কৰিছিলোঁ আৰু এদিন তাই গাভৰু হৈছিল। গাভৰু ছোৱালী হেনো ঘৰৰপৰা সোনকালে বিয়া পাতি উলিয়াই দিব লাগে। তাতে তাই আছিল মাতৃহীনা। তদুপৰি মদপী, ব্যভিচাৰী মৌজাদাৰৰ লম্পট পুতেকে পান্নাৰ ওপৰত লুভীয়া দৃষ্টি নিক্ষেপ কৰা মই দেখিছিলোঁ। সেয়েহে মই এদিন তাইৰ কাৰণে এটা উপযুক্ত ল'ৰা বিচাৰি অলপ দূৰৰ গাঁও এখনলৈ গৈছিলো। ঘৰত তাইৰ লগত থৈ গৈছিলো ওচৰৰে সম্বন্ধীয়া খুৰীয়েক এজনীক। মাত্ৰ এটা নিশা মই তাইক অকলে এৰি থৈ গৈছিলোঁ। কিন্তু সেই নিশাটোৱে মোৰ সকলো সপোন থানবান কৰি দিব বুলি মই জনা নাছিলো ডাক্তৰ চাহাব! সেই অভিশপ্ত নিশাটোতে মৌজাদাৰৰ চৰিত্ৰহীন পুতেকে মোৰ মৰমৰ পান্নাজনীৰ সতীত্ব লুটি লৈ গ'ল। তাইৰ লগত থকা খুৰীয়েকজনীকো সি হত্যা কৰি থৈ গ'ল। পিছদিনা মই উভতি আহি ঘৰটোৰ পিছফালৰ আমগছজোপাত পান্নাৰ মৃতদেহটো ওলমি থকা দেখিছিলো। গাঁৱৰ মানুহবোৰে নিঃসহায় দৃষ্টিৰে মোলৈ চাইছিল। মই যেন বিশ্বাস কৰিব পৰা নাছিলো কি ঘটি গ'ল। মোৰ চাৰিওফালে পৃথিৱীখন ঘূৰিবলৈ ধৰিছিল।......মই খুব কান্দিছিলো — কিন্তু কান্দিলেতো মোৰ পান্না ঘূৰি নাহে। মোক সান্ত্বনা দিছিল সকলোৱে। কিন্তু মই কোনো কথাই বুজিবৰ চেষ্টা কৰা নাছিলো। প্ৰতিশোধৰ তুঁহজুই মোৰ হৃদয়ত উমি উমি জ্বলি আছিল।.. ...আৰু এদিন মই কাকো নোকোৱাকৈ গাঁও এৰি গুচি আহিছিলো।..."

ৰহিম চাচাই কথাখিনি কৈ দুইখন হাতেৰে চকুৰ পৰা ওলাই অহিব খোজা পানী-

থিনি মচিবলৈ ধৰিলে। ইমান সময়ে মৌন হৈ থকা ডাক্তৰ বৰুৱাই ৰহিম চাচালৈ বৰ আচৰিত হৈ চাই কবলৈ ধৰিলে — "আপুনি সঁচায়ে বৰ দুখৰ কাহিনী ক'লে চাচা। কিন্তু আজিকালিৰ সমাজত সদায় এইবোৰেই ঘটি আছে। আপুনি দুখ নকৰিব। দুখে আপোনাৰ পান্নাক ঘূৰাই নানে। এইখন সমাজৰ মানুহবোৰৰ ওপৰত প্ৰতিশোধ লোৱাৰ সময় উপস্থিত হৈছে—"

কিন্তু ডাক্তৰক কথা শেষ কৰিবলৈ নিদিয়াকৈয়ে ৰহিম চাচাই দৃঢ় কণ্ঠেৰে ক'বলৈ ধৰিলে "ডাক্তৰ চাহাব। মই এদিন প্ৰতিশোধ ল'মেই আৰু মোৰ সেই প্ৰতিশোধ পূৰণ কৰিব মই নৰ্দমাৰ কাষৰ পৰা তুলি অনা সেই শিশুটোৱে। তাক মই এদিন মানুহ কৰিম আৰু তাক বুজাই কম এইখন সমাজৰ কথা— কেনেকৈ তাৰ দৰে সন্তানবোৰ নৰ্দমাৰ কাষত অসহায় হৈ পৰি থাকিবলগা হয়—কেনেকৈ তাৰ দৰে শিশুবোৰক জীৱন ৰক্ষা কৰোঁতে সমাজচ্যুত হ'বলগা হয়-কেনেকৈ পান্নাৰ দৰে গাভৰুৱে কামুকৰ হাতত জীৱন দিব লগা হয় —এই সকলোবোৰ কথা মই তাক বুজাই কম আৰু চাব, এদিন সি এইখন ঘৃণেধৰা সমাজৰ বিৰুদ্ধে বিপ্লৱ কৰিব, বিদ্ৰোহ কৰিব... আৰু এটা সময় আহিব যিদিনা এই সমাজখনৰ মানুহবোৰৰ পৰিৱৰ্ত্তন হ'ব। বাটে পথে তাৰ দৰে শিশুবোৰ তেতিয়া পৰি নাথাকিব-থাকিলেও তাক তুলি লবলৈ যাওঁতে সমাজৰ পৰা বহিষ্কাৰ হ'ব নালাগিব আৰু···পান্নাৰ দৰে বহু যুৱতীয়ে কোনো কামুকৰ হাতত প্ৰাণ দিব নালাগিব। আৰু···আৰু সেইদিনাই মোৰ মনৰ ভিতৰত জ্বলি থকা প্ৰতিশোধৰ জুইকুৰা নুমাই যাব।

···মই এতিয়া যাওঁ ডাক্তৰ চাহাব। আপুনি অলপ জিৰাওক। সন্তানটোক কাইলৈ ৰাতিপুৱাই মই লৈ যাম— একেবাৰে যামগৈ গাঁৱলৈ। কিন্তু আপোনাৰ কথা মই নাপাহৰোঁ। আপোনাৰ কুশলৰ বাবে মই সদায় খোদাৰ ওচৰত প্ৰাৰ্থনা কৰিম।"

হঠাৎ ৰহিম চাচা উঠিল আৰু ডাক্তৰলৈ এবাৰ কৃতজ্ঞতাপূৰ্ণ চাৱনি নিক্ষেপ কৰি কোনো শব্দ উচ্চাৰণ নকৰি বাহিৰলৈ ওলাল আৰু তীব্ৰ খোজেৰে সন্ধিয়াৰ অন্ধকাৰত অদৃশ্য হৈ পৰিল। ডাক্তৰ বৰুৱাই বাহিৰৰ বাৰান্দাত থিয় হৈ মাথো চাই থাকিল একেথিৰে। ডাক্তৰৰ কাণত তেতিয়াও বাজি আছিল ৰহিম চাচাৰ মুখৰ পৰা ওলোৱা সেই তীব্ৰ শব্দটো—"···সি বিদ্ৰোহ কৰিব······।"

দেশপ্ৰেমিক হোৱাটো ভাল। কিন্তু দেশপ্ৰেমিকেও নিজকে ভদ্ৰলোক বুলি সৰ্ব্বদায় জ্ঞান কৰিব লাগিব।

—এডমাণ্ড বাৰ্ক।

# বিশ্বত ছাত্ৰ-অশান্তিৰ চমু পৰ্য্যালোচনা

**বিপুল চন্দ্ৰ খাওন্দ**
স্নাতক (বাণিজ্য) ২য় বাৰ্ষিক।

সমগ্ৰ বিশ্বৰ ছাত্ৰ সম্প্ৰদায় আজি গতিশীল যুগৰ মাজেদি আগবাঢ়িছে। কুৰি শতিকাৰ এই যুগ হৈছে বিশ্বৰ শক্তিশালী, সামাজিক পৰিৱৰ্তনৰ যুগ বিজ্ঞানৰ চৰম বিকাশ আৰু পাৰ্থিৱ বস্তুৰ প্ৰগতিৰ যুগ। মানুহৰ ওপৰত মানুহে জঘন্য ভাৱে কৰা শোষণ, শ্ৰেণীৰদ্বাৰা শ্ৰেণীৰ নতুবা জাতিৰ দ্বাৰা জাতিৰ ওপৰত কৰা শোষণ, নিপীড়ণৰ পৰা মুক্তি লাভৰ বাবে সমগ্ৰ মানৱজাতি আজি জীৱন-মৰণ সংগ্ৰামত ব্ৰতী। এই যুগটোত দেখিবলৈ পাইছোঁ, ছাত্ৰ-জগতত এক তুমুল আলোড়ন চলিছে। ১৯৬০ ৰ দশকৰ মাজভাগত গোটেই পৃথিৱীত বিশেষকৈ লেটিন আমেৰিকা, উত্তৰ আমেৰিকা, পশ্চিম ইউৰোপ, এচিয়া, আফ্ৰিকা আদি বিভিন্ন দেশৰ ব্যাপক ছাত্ৰ-আন্দোলনৰ মাজেদি এই আলোড়ন তীক্ষ্ণভাৱে প্ৰতীয়মান হৈছে। এই শতিকাতে, ইণ্ডোনেচিয়াৰ ৰাষ্ট্ৰপতি ডঃ সুকৰ্ণক ছাত্ৰ-বিক্ষোভৰ ফলত গাদীচ্যুত কৰিবলৈ সক্ষম হৈছিল।

ধনতান্ত্ৰিক দেশবোৰৰ সংবাদপত্ৰবোৰত ছাত্ৰ অশান্তিক লৈ প্ৰচুৰ বিতৰ্কৰ সূত্ৰপাত হৈছে। বিশ্বৰ শিক্ষাবিদ, দাৰ্শনিক, ৰাজনীতি-বিদসকলৰ মতে ছাত্ৰৰ মাজত দেখা দিছে অনুশাসনহীনতা আৰু উদ্দেশ্যহীনতা। কোনো-ৱে আকৌ ছাত্ৰ-অশান্তিৰ কেৰোণসমূহ দেখাই নাই। ছাত্ৰ বিক্ষোভৰ মূল কাৰণ বিচাৰিলে এই সত্যই উদঘাটিত হব সামাজিক উন্নয়নৰ বাবে শিক্ষা-পদ্ধতিৰ আমূল পৰিৱৰ্তন, মানুহৰ জীৱন-যাত্ৰাত বাধা দিয়া ফোপোলা মূল্যবোধৰ বিৰুদ্ধে এক বিদ্ৰোহ। এই বিক্ষোভৰ আঁৰত বা বিক্ষোভৰ মূলতে আছে — দ্ৰুত বিলীয়মান বৰ্তমান সম্পৰ্কে অসন্তোষ আৰু আওকণীয়া মনোভাৱ, এক সুখী সমৃদ্ধিশালী উদ্দেশ্যব্যঞ্জক ভৱিষ্যতৰ বাবে জলন্ত অনীহা।

কাৰ্য্যক্ষেত্ৰত দেখা গৈছে, ছাত্ৰসকলৰ এটাই মাত্ৰ দোষ, গঠনমূলক কামত নিজকে নিয়োজিত কৰিব পৰা নাই। আজিৰ প্ৰায়-বিলাক ছাত্ৰই উগ্ৰ-জাতীয়তাবাদৰ কবলত পৰিছে। ফলত ছাত্ৰৰ নিজস্ব প্ৰতিভা বিলোপ হৈছে। সম্যাজতন্ত্ৰৰ পিতৃভূমি ছোভিয়েত দেশত নিবনুৱা বুলি কোনো বস্তু নোহোৱা হৈছে। অন্যহাতে ধনতান্ত্ৰিক দেশ মাৰ্কিনযুক্তৰাষ্ট্ৰত নিবনুৱাৰ সংখ্যা বাঢ়ি গৈ প্ৰায় ৭০ লাখ হৈছে। কাৰ্টাৰ প্ৰশাসনে বাঢ়ি অহা নিবনুৱা সমস্যা সমাধান কৰিব নোৱাৰি, ৰাজনৈতিক উদ্দেশ্য আগত ৰাখি দুখন চুবুৰীয়া দেশ ইৰাণ-ইৰাকৰ মাজত যুদ্ধ লগালে। ইয়াৰ পৰাই ধৰিব পাৰি পুঁজিবাদী ব্যৱস্থাৰ ক্ষয়িষ্ণুৰূপ,

সমাজতন্ত্ৰৰ ক্ৰমবৰ্দ্ধমান শক্তিশালী ৰূপ। গতিকে দেখা গৈছে পুঁজিবাদী দেশবোৰত অৰ্থনৈতিক আৰু আন আন বৈষম্যৰ বাবে ছাত্ৰসকলক গভীৰ অসন্তুষ্টি আৰু হতাশাৰ ভাৱে আগুৰি ধৰিছে। এনে এক জটিল পৰিস্থিতিৰ সুবিধা লৈ কিছুমান বিভেদকামী আৰু ধ্বংসমুখী শক্তিয়ে ছাত্ৰসকলক বিভিন্ন ধৰণে উচটনি দিছে। লগতে চৰকাৰৰ আমোলাতান্ত্ৰিক শাসন ব্যৱস্থাই এই ছাত্ৰ বিক্ষোভৰ অন্যতম কাৰণ স্বৰূপ হৈ পৰিছে।

ভাৰত উপমহাদেশখনৰ ছাত্ৰসকলক আজি বিভিন্ন সমস্যাই আগুৰি ধৰিছে। অলপ অনুসন্ধান কৰিলে দেখা পোৱা যায় যে মানুহৰ জীৱন-যাত্ৰা আৰু ঘটনাৱলীয়ে এই সত্যক প্ৰমাণ কৰিছে। বিগত তেত্ৰিশ বছৰত দেখা গৈছে শাসক গোষ্ঠীৰ নিষ্ঠুৰ শোষণৰ কাঠামো উচ্ছেদ কৰাৰ নিমিত্তে হাজাৰ হাজাৰ ভাৰতৰ ছাত্ৰ আন্দোলনত অৱতীৰ্ণ হৈছে। দুখৰ বিষয় ছাত্ৰক এনে এক পৰিস্থিতিত উৎসাহ আৰু সঠিক পথৰ নিৰ্দ্দেশ দিয়াৰ পৰিৱৰ্ত্তে, বিচ্ছিন্নতাবাদী শক্তিসমূহে ছাত্ৰৰ মাজত সোমাই পৰি ছাত্ৰক বিপথেহে পৰিচালিত কৰিছে। যিসময়ত অন্ন, কৰ্মসংস্থান আৰু শিক্ষাৰ কাৰণে ঐক্যবদ্ধ সংগ্ৰামৰ প্ৰয়োজন, সেইসময়ত সংগ্ৰাম হ'ল জাতিয়ে জাতিয়ে, গোষ্ঠীয়ে গোষ্ঠীয়ে। অসমত অসমীয়া-বঙালীৰ খোৱা-কামোৰা, উৰিষ্যাত মাৰোৱাৰীৰ ওপৰত দমননীতি, বিহাৰ-উত্তৰ প্ৰদেশত হিন্দু-মুছলমানৰ সংঘৰ্ষ, হৰিজন সকলৰ ওপৰত অত্যাচাৰ, নিপীড়ন আৰু গুজৰাটত উচ্চবৰ্ণসকলৰ পৃষ্ঠপোষকতাত পৰিচালিত হৈছে সংৰক্ষনবিৰোধী আন্দোলন। ইয়াৰ দ্বাৰা ছাত্ৰ-শক্তিক বিভ্ৰান্ত কৰি শক্তিৰ অপচয় ঘটাইছে। ৰাজনীতি,ধৰ্ম আৰু ভাষাৰ ভিত্তিত গঠিত দল/উপদল বা সিহঁতৰ নিজা ছাত্ৰ সংগঠনবোৰেও এনে অশান্তিৰ বীজ সিঁচিছে। হিন্দুসকল আকৌ ভাগ ভাগ -- ব্ৰাহ্মণ, ক্ষত্ৰিয়, শূদ্ৰ বৈশ্য-এই বিভাজনবাদী সমাজ ব্যৱস্থাই ছাত্ৰৰ অশান্তিক জঙ্গীৰূপ পৰিগ্ৰহণ কৰাত সহায়ক হৈ পৰিছে। যিসকলে যুক্তিনিষ্ঠ দিশসমূহৰ প্ৰশ্ন দাঙি ধৰিব বিচাৰিছে অথবা আন্দোলনৰ সুদূৰ প্ৰসাৰী প্ৰতিক্ৰিয়াবোৰৰ বিষয়ে সচেতন ভাৱে বিবেচনা কৰি ভিন্নমত পোষণ কৰি নিজস্ব মতামত ব্যক্ত কৰিব বিচাৰে তেওঁলোকৰ সেই অধিকাৰ কাঢ়ি নিয়া হৈছে। ভীতি-প্ৰদৰ্শন, মাৰপিট, সামাজিক বৰ্জন আৰু হিংসাৰ দ্বাৰা আন্দোলনকাৰীসকলে শান্তিপূৰ্ণ পৰিৱেশ নষ্ট কৰিছে। জীৱন আৰু সম্পত্তিৰ নিৰাপত্তাও কিমান দূৰ আছে, তাতো সন্দেহৰ অৱকাশ আছে। বৰ্তমান ভাৰতৰ বিভিন্ন প্ৰান্তৰত ঘটি থকা ঘটনাৱলী ইয়াৰ জ্বলন্ত নিদৰ্শন।

আমাৰ দেশত ছাত্ৰ অশান্তিৰ মূল কাৰণ হ'ল প্ৰচলিত শিক্ষা-ব্যৱস্থা। ভাৰতবৰ্ষত প্ৰচলিত শিক্ষা-ব্যৱস্থাই ছাত্ৰসকলৰ প্ৰতিভা বিকাশত অকণো সুযোগ দিয়া নাই। শিক্ষাৰ প্ৰকৃত উদ্দেশ্য হব লাগে ছাত্ৰ-সকলক আত্ম-নিৰ্ভৰশীল কৰি গঢ়ি তোলা। বৰ্তমান শিক্ষাই ছাত্ৰৰ প্ৰকৃত উদ্দেশ্য পূৰণ কৰাটো অসম্ভৱ, যদিহে প্ৰচলিত আওপুৰণি শিক্ষা-ব্যৱস্থাৰ পৰিৱৰ্তন নহয়।

অৰ্থনৈতিক অনগ্ৰসৰতাৰ কাৰণে অসম তথা সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলত বিদেশী নাগৰিকৰ

সমস্যাকে আদি কৰি নানা ধৰণৰ সমস্যাই আগুৰি ধৰিছে। এতিয়া বিচাৰ্য্য বিষয় হ'ল ভাৰতৰ আন আন ৰাজ্যৰ দৰে অসমৰ ল'ৰা-ছো'ৱালীয়ে দুখীয়া পিতৃ-মাতৃৰ প্ৰচুৰ অৰ্থ আৰু শক্তিৰ অপচয় কৰি পঢ়া-শুনা কৰে ; কিন্তু বছৰৰ শেষত চাকৰি পায় কেইজনে ? চৰকাৰে দাখিল কৰা প্ৰতিবেদন মতে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ লাখ লাখ নিবনুৱাই বেকাৰৰ শাৰীত নাম লিখিছে। অন্যহাতে বছৰৰ শেষত চাকৰি ওলাই মাত্ৰ পাঁচ হেজাৰ। গতিকে ই এপাছি শাকত এটা জালুক দিয়াৰ নিচিনা ব্যৰ্থ প্ৰয়াস নহয়নে ? তেন্তে সমস্যাৰ সমাধান ক'ত ? সেয়েহে চৰকাৰে অচিৰেই দেশত শিল্প-উদ্যোগৰ বিকাশ সাধন কৰা উচিত।

কেন্দ্ৰীয় তথা ৰাজ্যিক চৰকাৰে জনশিক্ষাৰ স্বাৰ্থত অচিৰেই বৰ্ত্তমান শিক্ষা ব্যৱস্থাৰ বিকল্প গাঠনিৰে এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা উচিত।

(১) মাধ্যমিক স্তৰলৈ বিনামূলীয়া সাৰ্বজনীন শিক্ষা।

(২) মাতৃভাষাত শিক্ষাদান আৰু বৈজ্ঞানিক পাঠ্যক্ৰম প্ৰৱৰ্ত্তন।

(৩) শিক্ষানুষ্ঠানৰ সমস্ত দায়িত্ব ৰাষ্ট্ৰৰ হাতলৈ অনা।

(৪) ছাত্ৰৰ গণতান্ত্ৰিক অধিকাৰৰ ৰক্ষণাবেক্ষণ আৰু শিক্ষাৰ পিছত কৰ্মসংস্থানৰ নিশ্চয়তা দিয়া বা আত্মনিৰ্ভৰশীলতা।

শিক্ষাৰ মূল লক্ষ্যৰ অন্তৰালত নিম্নোক্ত কথাকেইটাও সন্নিবিষ্ট হোৱা উচিত :—

(ক) জনসাধাৰণৰ শিক্ষাৰ অধিকাৰ প্ৰতিষ্ঠা কৰা।

(খ) শিক্ষাৰ ক্ষেত্ৰত প্ৰচলিত সকলো শ্ৰেণীভিত্তিক বৃত্তিপ্ৰদানৰ বিলুপ্তি সাধন।

(গ) ছাত্ৰৰ মাজত বৈজ্ঞানিক অনুসন্ধান চেতনা, বিচাৰ আৰু যুক্তি বিশ্লেষণৰ ক্ষমতা জগাই তোলা।

(ঘ) ধৰ্ম-নিৰপেক্ষতা আৰু গণতন্ত্ৰৰ বিকাশ সাধন কৰা।

(ঙ) জনসাধাৰণৰ অগ্ৰগতিৰ বাবে উৎপাদনশীল কাম-কাজত অংশগ্ৰহণৰ বাবে প্ৰয়োজনীয় দক্ষতা আহৰণৰ সুবিধা প্ৰদান কৰা।

(চ) এনেধৰণৰ শিক্ষাদান কৰে যাতে প্ৰতিজন নাগৰিকে মানৱতাবোধ সম্পন্ন সংস্কৃতিবান অংশীদাৰ হিচাপে জীয়াই থাকিব পাৰে।

ভাৰতৰ ছাত্ৰসকলে পুঁজিপতি জমিদাৰ চক্ৰৰ শোষণমূলক চৰিত্ৰ উদঙাই দি স্বাধীনভাৱে শক্তিশালী আন্দোলন গঢ়ি নুতুলিলে, ভাৰতচৰকাৰে চলাই থকা শৃঙ্খলাহীন, অবৈজ্ঞানিক শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্ত্তন অসম্ভৱ। চমুকৈ ছাত্ৰৰ মৌলিক সমস্যাসমূহ আমাৰ দেশৰ কোটি কোটি শ্ৰমজীৱি জনসাধাৰণৰ মৌলিক সমস্যাসমূহৰ লগত অবিচ্ছিন্নভাৱে জড়িত। সেয়ে গণতান্ত্ৰিক শিক্ষাব্যৱস্থা প্ৰৱৰ্ত্তন আৰু ছাত্ৰ সমাজৰ দাবীসমূহ পূৰণ কৰিবলৈ হ'লে সমগ্ৰ সমাজ ব্যৱস্থাৰ বৈপ্লৱিক পৰিৱৰ্ত্তনৰ বাবে শ্ৰমজীৱি জনগণৰ সংগ্ৰামৰ লগত আমি ( ছাত্ৰ সমাজে ) নিজকে চামিল কৰিব লাগিব।

আমাৰ দেশৰ শিক্ষা, সংস্কৃতিত প্ৰযুক্তি বিদ্যাৰ উন্নয়ন পৰনিৰ্ভৰশীল। সাম্ৰাজ্যবাদী অনুপ্ৰবেশ, ভাষা, ধৰ্ম্ম আৰু সম্প্ৰদায়ৰ মাজত সংঘৰ্ষ লগাই ছাত্ৰ আন্দোলনক বিভ্ৰান্ত কৰিবলৈ

শাসক-শোষক শ্ৰেণীয়ে অহৰহ চেষ্টা কৰি আহিছে। কাৰণ বিভাজনবাদী নীতিৰে শাসন-শোষণৰ বুলডজাৰ চলাবলৈ অতি সহজ। গণতান্ত্ৰিক আৰু ঐক্যবদ্ধ ছাত্ৰ আন্দোলনৰ সন্মুখত শাসক-গোষ্ঠীৰ এই নীতি প্ৰত্যাহ্বান ৰূপে থিয় হৈছে।

গণশিক্ষা আৰু বিজ্ঞানসন্মত শিক্ষাৰ সপক্ষে, গণতান্ত্ৰিক অধিকাৰ সুৰক্ষিত কৰিবলৈ বহু নিন্দিত ক'লা-আইনৰ বিৰুদ্ধে, কামৰ অধিকাৰক মৌলিক অধিকাৰ হিচাপে প্ৰতিপন্ন কৰিবলৈ ব্যাপক ছাত্ৰ-আন্দোলন গঢ়ি তুলিব লাগে।

প্ৰত্যেকখন উন্নত দেশে, তেওঁলোকৰ ছাত্ৰ-ছাত্ৰীক প্ৰচলিত শিক্ষাৰ যোগেদি প্ৰয়োজনীয় অৰ্হতাৰ যোগান ধৰে! কিন্তু আমাৰ দেশত ছাত্ৰসকল তাৰ পৰা বঞ্চিত। সেয়েহে আমাৰ ছাত্ৰ-ছাত্ৰীয়ে ভৱিষ্যতে বেকাৰৰ শাৰীত নাম লিখাৰ বাহিৰে গত্যন্তৰ নাই। আনকি মাৰ্কিন শিক্ষাবিদসকলে ৰুচ দেশৰ প্ৰচলিত শিক্ষা-ব্যৱস্থা দেখি বিস্ময়ত হতবাক হৈছে। বুৰ্জোৱাৰ ফোপোলা কাঠামোৰ ভিতৰতে থাকিও পশ্চিমবঙ্গৰ বাওঁপন্থী চৰকাৰে শিক্ষাৰ যথেষ্ট সম্প্ৰসাৰণ ঘটাইছে। পশ্চিমবঙ্গৰ বাওঁপন্থী চৰকাৰৰ দৰে অন্যান্য ৰাজ্যতো শিক্ষা-সম্প্ৰসাৰণ ঘটোৱা উচিত। ইতিমধ্যে কেৰেলা আৰু ত্ৰিপুৰাতো বাওঁপন্থী চৰকাৰে শিক্ষাৰ সাল-সলনি ঘটাই উন্নত কৰিবলৈ চেষ্টা চলোৱা দেখা গৈছে।

সেয়েহে আমাৰ চৰকাৰে জীৱন-জীৱিকাৰ পৰা বিচ্ছিন্ন জনবিৰোধী, ক্ষতিকাৰক আৰু ত্ৰুটীপূৰ্ণ শিক্ষা-নীতিৰ বিৰুদ্ধে ঠুনুকা আৰ্থ-সামাজিক নীতি সাম্প্ৰদায়িক আৰু প্ৰাদেশিকতাবাদী পশ্চাৎপদ ধ্যান-ধাৰণাৰ বিৰুদ্ধে ছাত্ৰ-সকলক পৰিচালিত কৰি সুখী, সমৃদ্ধিশালী দেশ এখন গঢ়ি তুলিবলৈ যত্ন কৰিব লাগে। আমাৰ ছাত্ৰসকলেও বিভিন্ন ৰাজনৈতিক গোষ্ঠীৰ মতাদৰ্শৰ দ্বাৰা বিভ্ৰান্ত নহৈ জনসাধাৰণক একতাৰ দোলেৰে গ্ৰথিত কৰি সচেতনভাৱে আদৰ্শৰ এই অপমৃত্যুক ৰোধ কৰাৰ অৰ্থে সংগ্ৰাম কৰাটো অতি জৰুৰী হৈ পৰিছে।

আজি দেশৰ সন্মুখত, ছাত্ৰ-সমাজৰ সন্মুখত, স্বৈৰতান্ত্ৰিক আৰু সংহতিনাশক সাম্ৰাজ্যবাদী চক্ৰসমূহ অলংঘনীয় প্ৰাচীৰ হিচাপে থিয় দিছে। ভাৰতৰ মূল সমস্যা সমাধান আৰ্থিক স্বাধীনতা, গণতন্ত্ৰ আৰু সমাজতন্ত্ৰ আগুৱাই নিয়াৰ দায়িত্ব ছাত্ৰসমাজৰ। ইয়াৰ কাৰণে গঢ়ি তুলিব লাগিব সৰ্ব্বাত্মক ক্ৰান্তি। এই ক্ৰান্তিৰ বাবে ছাত্ৰসমাজক অতি সাৱধান ভাৱে পৰিচালিত কৰিব লাগিব। ●



—"পুলিচ।"
—"পুলিচ? ক'ত?"
—"চুপ। আমাৰ পিছত"!

দুয়োটা লগে লগে ডাঙৰ শিলটোৰ আঁৰত শুই পৰিল। এই দক্ষিণ ত্ৰিপুৰাৰ অমৰপুৰ মহকুমাৰ কুলাইগেণ্ডাচেৰা নামৰ ঠাই এখনৰ গভীৰ পাহাৰীয়া হাবি এখন। জগজীৱা যামাতিয়া আৰু অমৃত দেৱবৰ্মা; এওঁলোক দুজন গৈছিল তেওঁলোকৰ যুব সমিতিৰ আণ্ডাৰ গ্ৰাউণ্ড কাৰ্য্যালয়লৈ এক বিশেষ খবৰ দিবৰ বাবে; কিন্তু পদে পদে বিপদ! সিহঁতৰ সুখ ক'ত? দুখৰ উপৰি দুখ, ঘুৰি ঘুৰি শুলেও কুকুৰৰ নেজৰ ফালে মুখ। আমাৰ ইন্দিৰা গান্ধীক গাদীৰ লোভে নেৰাৰ দৰে বিপদেও সিহঁতৰ লগ নেৰা হ'ল। ইমানখিনি অতিক্ৰম কৰি আহিও, পৰিলহি আকৌ এই পুলিচ দুডালৰ পাল্লাত।

লাহে লাহে ভৰিৰ বুট জোতাৰ শব্দ সিহঁতৰ কাষ পালেহি। ভজা চিৰা মুখত চোবাই দিলে হোৱা শব্দটোৰ দৰে, শুকান পাতৰ ওপৰত জোতাৰ হেঁচা পৰি হোৱা মৰ্-মৰ্ শব্দবোৰ আহি শিলচটাৰ কাষেৰে আগুৱাবলৈ ধৰিলে।

"জগ, দিওঁনেকি লাওখোলাটো উৰুৱাই। চাল্লা পুলিচগিৰি দেখুৱাব আহিছে?"—অমৃতে ফুচ্ ফুচাই ক'লে।

—"ওহোঁ মুৰ্খামি নকৰিবি। ইহঁতৰ পিছত নিশ্চয় আৰু পুলিচ আছে। ঘন হাবিত দুটা পুলিচে অকলশৰীয়াকৈ বিদ্ৰোহী বিচাৰি আহি নিশ্চয় মূৰ্খ বুলি নিজকে প্ৰমাণ নকৰে। গুলীৰ শব্দ শুনিলে বিপদ আছে। এনেই মৰিছোঁ ঋষিৰ শাপত, আকৌ দিয় ধানৰ ভাপত? আইডিয়া! এক কাম কৰ, দুডাল ৰচি উলিয়া।"—কথাখিনি কৈয়ে জগই বেগ এটা খুলিলে। দুডাল ৰচি উলিয়াই আগদুটাত ফাঁচ দি এক বিশেষ কায়দাৰে দুয়োটাই পুলিচ দুটালৈ ৰচিদুডাল ডিঙিত সোমোৱাকৈ দলিয়াই দিলে আৰু লগে লগে দিলে টান মাৰি। কায়দাটোৰ পৰা কিন্তু 'ফায়দা' হ'ল। দুয়োটা পুলিচৰে ডিঙিত ফাঁচ লাগি ধৰাত একেটানে কেৰমবৰ্ডৰ গুটিৰ দৰে চুচৰি আহি সিহঁতৰ

জাবৰ-জোঁথৰ
আঁতৰাই......... ॥

★

ৰাজীৱ ৰাজকোঁৱৰ
প্ৰাক্-স্নাতক, ২য় বাৰ্ষিক (বিজ্ঞান)।

ওচৰ পালেহি। ৰাইফলৰ কুন্দাৰে মাৰি জগ আৰু অমৃতে দুয়োটাকে বেহুচ কৰি দি, সিহঁতৰ পুলিচী পোচাক নিজে পিন্ধি ল'লে। এইবাৰ 'লাচ' দুটা চুচৰাই শিলচটাৰ আঁৰত লুকুৱাই থলে। অলপ পিছতে দুজন পুলিচ অফিচাৰ সেইখিনি পালেহি। লগতে কেইজন-মান কনিষ্টবল।

—"চব ঠিকতো হ্যে না ৰামু?" —অফিচাৰ এজনে জগহঁতকে লগৰ পুলিচ বুলি ভাবি সুধিলে।

—"হাঁ চাব্। চব ঠিক্ হ্যে ?—অমৃতে পাৰে মানে মাতটো সলনি কৰি উত্তৰ দিলে।

—"তো যাঅ' আগেকা তৰপ। হমলোগ ইধৰ হ্যে।"—

এইবুলি কৈ অফিচাৰ দুজন ঘূৰিল। লগে লগে অমৃত আৰু জগই মৃত পুলিচ দুজনৰ কান্ধৰ পৰা ৰাইফল দুটা উলিয়াই গভীৰ জঙ্ঘললৈ খোজ দিলে।

খগুত অগ্নিশৰ্ম্মা হৈ এছাৰি জোকাৰি থকা শিক্ষকজনৰ ওচৰলৈ মাৰ খাবলৈ আগবঢ়া ল'ৰা দুটাৰ দৰে নিশ্চুপ হৈ সিহঁত দুটাইও লুণ্ডলুণ্ডীয়া বাটটোৰে আগবাঢ়িবলৈ ধৰিলে। দুমাইলমান পথ মুখেৰে এটি শব্দও উচ্চাৰণ নকৰাকৈয়ে অতিক্ৰম কৰাৰ পিছত সম্পূৰ্ণ নিৰাপদ যেন দেখি অমৃতে মাত লগালে—

"জগ, তোক এটা কথা কম কম বুলিও ক'ব পৰা নাই।

—"কি কথা ?"

—"বিজয়দাদা গ্ৰেপ্তাৰ হ'ল গম পাৱনে নাপাৱ" ? অমৃতে ক'লে।

জগই মিচিক্‌কৈ হাহি এটা মাৰি ইতিকিং কৰি ক'লে —

"—তই বন্দুকত নধৰি অভিনয়ত ধৰাহেঁতেন ইমানদিনে ভাল অভিনেতা হলিহেঁতেন।"

—"হোঁ! জানিছিলো। কাক কম কোনে পতিয়াব; যাকে কম সিয়ে লঠিয়াব।" কিন্তু জগ, মই বন্দুক চুই শপতখাই কৈছোঁ! তই বিশ্বাস কৰিলেও কৰ, নকৰিলেও কোনো কথা নাই"।

এইবাৰ কিন্তু জগজীয়া চুপ হৈ গ'ল। তাক যদি কোনোবাই ক'লেহেঁতেন তেজপুৰ পগলাফাটেকৰ এক নম্বৰ পগলাটো আজি অসমৰ মূখ্যমন্ত্ৰী হ'ল, তেনেকুৱা কথাও সি বিশ্বাস কৰিব পাৰে। কিন্তু বিজয় ৰাংখাল গ্ৰেপ্তাৰ? অসম্ভৱ। যিজন নেতাই উপজাতীয় যুৱ সমিতি গঠন কৰি তাক সুসংগঠিত কৰিলে, ৰাজ্যৰ ইমূৰৰ পৰা সিমূৰলৈ ঘূৰি পুলিচৰ শেন চকুতো ধূলি মাৰি ত্ৰিপুৰা নেচনেল ভলন্টিয়াৰ নাম দি দূৰ্জ্জেয় শক্তিশালী দল গঠন কৰিলে, সেই বিজয় ৰাংখাল, ত্ৰিপুৰীৰ ত্ৰাণ-কৰ্ত্তা, ইমান সহজে গ্ৰেপ্তাৰ হব পাৰেনে? কোনে বাৰু বিশ্বাস কৰে? বিজয় ৰাংখাল এজন লোক আছিল যিজনে নেকি সমগ্ৰ ত্ৰিপুৰী জাতিকে এডাল দোলেৰে বান্ধিব পাৰিছে; বিদেশী বহিৰাগত তথা উগ্ৰ বাঙালী জাতীয়-তাবাদীৰ বিষদাঁতৰ কামোৰত নিথৰ হৈ পৰা ত্ৰিপুৰীসকলক জাগ্ৰত কৰি তুলিব পাৰিছে।

জগজীয়ায়েও বিশ্বাস কৰিব পৰা নাছিল; কিন্তু অমৃতে আজিলৈকে কেতিয়াও উপকৰা কথা কোৱা নাই; তাৰ মনতো নপৰে। বন্দুক চুই শপত......

—"বাৰু বিশ্বাস কৰিছোঁ বিজয় দাদা গ্ৰেপ্তাৰ

হ'ল। কিন্তু কিন্তু কেনেকৈ ? ক'ত ?"

অলপ আঁতৰে আঁতৰে আকাশ পাতাল ভাৱি খংমুৱাকৈ গৈ থকা অমৃতে জগৰ মাতত সাপ গছকা মানুহৰ দৰে থত্ মত্ খালে। নিজকে চম্ভালি লৈ ক'লে—ইও এক কাহিনী। নিজৰ মানুহৰ জালত পৰিয়ে এই বন্দীত্ব। কিযে বিশ্বাসঘাতক এই মানুহবোৰ। সামান্য কেইটামান টকাৰ কাৰণে......"

জগজীৱাৰ ধৈৰ্য্যৰ বান্ধ সোলোক-ঢোলোক হৈ যোৱাত খঙেৰে ক'লে— "কি চালে বেৰে কোবাই ফুৰিছ অ'। আচল কথাটো ক'।"

—"বিজয় দাদাৰ অতি আত্মীয় তথা বিশ্বাস-ভাজন এজন যুৱসমিতিৰ বিধায়কক বিজয় দাদাই এখন চিঠি দি, সেই চিঠিখন তোক দিবলৈ কৈ গৈছিল।"

—"মোক ?"

—"অ তোক ; কিন্তু বিধায়কজনে সেই চিঠি-খন তোক নিদি, খুলি পঢ়ি চালে। বহুত দিনৰ পৰা সুযোগ চাই ফুৰা এই বিধায়ক-জনে যেন আকাশখনহে ঢুকি পালে। চিঠিখনত লিখা আছিল—

মৰমৰ

জগ,

মই আমবাচত থকা পুলিচী চকী আক্ৰ-মনত ওলাইছোঁ। এই চকীত থকা বিষয়া কিজনে নিৰীহ ত্ৰিপুৰীসকলৰ ওপৰত অমানু-ষিক অত্যাচাৰ আৰম্ভ কৰিছে। নদী পাৰ হৈ অহা বাংলাদেশীবোৰক ভেটি উপহাৰ লৈ লৈ ত্ৰিপুৰাত সোমোৱাত সহায় কৰি আছে। গতিকে নিশ্চয় বুজিছাই। কাইলৈ গধূলি ৬ বজাত আমাৰ কাম আৰম্ভ হ'ব। গতিকে যেনে তেনে আজি ৰাতি ঘাটিত লগ কৰিবা।

ইতি—

তোমাৰ বিজয় দাদা

বছ ইমানেই। মলুৱা বান্দৰক গছত উঠিবলৈ সৰু লতা এডালেই যথেষ্ট। লগে লগে বিধায়ক জনে পুলিচলৈ দিলে ফোন কৰি। কাৰণ তাৰ এদিন আগতে আমাৰ দলৰে এই বিধায়ক জনে চৰকাৰৰ পৰা ৫০ হাজাৰ টকা লৈ বিজয় দাদাক ধৰি দিয়াৰ দায়িত্ব লৈছিল। সুযোগ আহিছে যেতিয়া কেতিয়াও এৰি নিদিয়ে। চান্স পাই দিলে ডান্স। সেই বিধায়ক......"

"অমৃত" —এটা ক্ৰুদ্ধ গৰ্জন ওলাই অহিল জগৰ মুখেদি। বাৰেপতি বিধায়ক, বিধায়ক, বিধায়ক। তাৰ নামটো ক। তাক তিনিটা টুকুৰা কৰি পুলিচৰ আগত পেলাই আহিম।

—ওহোঁ নহয়। তই এনে কাম কৰিব নোৱাৰ জগ। কাৰণ এই বিধায়কজন কোন জান ? সেইজন...সেইজন তোৰ দেউতাৰ মিঃ জয়দেৱ যামাতিয়া।" —অমৃতে কওঁ নকওঁ কৰি থাকোঁতেই মুখেৰে ওলাই আহিল।

লগে লগে জগজীৱাৰ ভৰি থমকি ৰ'ল। বচন পাহৰি যোৱা ভাৱৰীয়াৰ দৰে কিছু সময় নিৰ্ব্বাক হৈ থাকিল। তাৰ পিছ মূহুৰ্ত্ততে চকুৱে মুখে ফুটি উঠিল ভীষণ ক্ৰোধ। "মোৰ দেউতা ? কোনো কথা নাই। সাপ সদায় সাপ। দেশদ্ৰোহীক চফা কৰাই আমাৰ ধৰ্ম। ২৮লাখ ত্ৰিপুৰীৰ জীৱনতকৈ যিজনে ৫০ হাজাৰ টকাৰ মূল্য বেছি দেখিলে, সেইজনক বাচি থাকিবলৈ দি পাপৰ বোজা পৃথিৱীত বঢ়াব নোৱাৰি। দেউতা-- দেউতাও মোৰ হাতৰ পৰা বাচি যাব নোৱাৰিব।

৫০ হাজাৰ টকা? হাঃ হাঃ হাঃ। নাচোনৰ টকা কাচোনত যাবলৈ দিব নোৱাৰোঁ। সেই টকাই আমাৰ সংগঠনত বহুত কাম দিব। ব···ন্দু···ত কাম দিব। হাঃ হাঃ হাঃ বিশ্বাসঘাটক।

অমৃতে ভাৱিলে সৰ্ব্বনাশ। হঠাতে ফটা মুখখনৰ পৰা নামটো ওলাই গ'ল। জগজীৱাৰ প্ৰতিজ্ঞাৰ লৰচৰ নাই। তথাপি সি জগজীৱাক ক'লে—"এতিয়া সেইবোৰ বাদ দে। চাৰিওফালে পুলিচৰ কুকুৰ। চুপচাপ ৰ'ল।"

জগই একো নামাতি গহীন খোজেৰে আগবাঢ়িল। বাকী পথছোৱা কোনেও মুখেৰে এটি কথাও উচ্চাৰণ নকৰিলে। জগজীৱাৰ মনৰ জুইকুৰাৰ উত্তাপ মাত্ৰ অমৃতে অনুভৱ কৰি গ'ল।

কাম সমাধা কৰি দুয়োজনে গধূলি ঘূৰি আহিল, বাটত আহোঁতে জগজীৱাই ক'লে—"অমৃত মানুহৰ ৰাৰু টকালৈ কিয় ইমান লোভ? কেইটামান টকাৰ বিনিময়ত মোৰ দেউতাৰ নিচিনা মানুহে মোকো যে বিক্ৰী নকৰিব তাৰ কি নিশ্চয়তা আছে? যেতিয়ালৈকে ত্ৰিপুৰী আইৰ বুকুত এনেধৰণৰ কীট জীয়াই থাকিব তেতিয়ালৈকে আমি জয়ী হব নোৱাৰিম। আমি সকলোৱে প্ৰতিজ্ঞা কৰিছিলো ত্ৰিপুৰাতে থাকি ত্ৰিপুৰীকে চোবাব খোজা কোনো লোককে বাছি থাকিবলৈ দিব নেলাগিব। লাগে হক সেইজন আমাৰ দলৰে মানুহ, সেইজন আমাৰে ভাই, আমাৰে ককাই বা আমাৰে পিতা। গতিকে অমৃত, সেই মহান প্ৰতিজ্ঞাৰ কথা মনত ৰাখি নিজৰ মনত সাহ গোটা। দেউতাও বাচি থাকিব নোৱাৰিব। যিজন মানুহে সৌ সিদিনালৈকে এসাজ খাই দুসাজ নোখোৱাকৈ আছিল, এতিয়া কেইটামান টকা হাততলৈ অহাৰ লগে লগে···। চাল্লা গেন্ধেলা মুখখন গাখীৰেৰে ধোৱে; কঁকাল ভগা বিড়ালী মণিকূটত শোৱে। অমৃত, ৰাতি ঠিক ন বজাত আমাৰ ঘৰৰ আগৰ বটজোপাৰ তলত উপস্থিত হবি।"

অমৃতে ভয়ে ভয়ে ক'লে— "কিন্তু জগ, মেকুৰীৰ ডিঙিত ঘণ্টা আঁৰিবলৈ যাবি কেনেকৈ? তহঁতৰ ঘৰৰ চাৰিওফালে পুলিচে মকৰা জালৰ দৰে চাটি আছে, তাত সোমাবি কেনেকৈ?" —জগজীৱাৰ মন ঘূৰাই অনাৰ মতলবতে কথাষাৰ কৈছিল, অমৃতে; কিন্তু তাৰ চেষ্টা ব্যৰ্থ হ'ল।

জগজীৱাই দুগুণ দৃঢ়তাৰে ক'লে—"মোৰ নিজৰ ঘৰত সোমাবলৈ কোনোৱে বাধা দিব নোৱাৰে, নিদিয়ে। তই মাত্ৰ ঠিক ন বজাত উপস্থিত হ'বিহি।" —কৈয়েই জগই পিছলৈ নাচাই গহীন গহীন খোজ দি গুচি গ'ল।

° ° °

নিশা ঠিক ন বাজিছে। অলপতে জগজীৱাহঁতৰ ৱালক্লকটোৱে টং টং কৈ ন বজাৰ সংকেত দি গ'ল। অমৃত আগৰে পৰাই গছজোপাৰ তলত থিয় হৈ আছিল। অলপ পিচতে জগজীৱা আহি সেইখিনি পালেহি। চাৰিওফালে নিমাত নিস্তব্ধ। মাত্ৰ মাজে মাজে ঝিলিৰ ঝি-ঝি মাতৰ লগতে ভাহি আহিছে, জগজীৱাহঁতৰ ঘৰ ঘেৰি থকা, পুলিচৰ গধূৰ বুট জোতাৰ টাক্‌টাক্ শব্দ। অমৃত-জগৰ কাণত এই শব্দবোৰ দুৰ্জ্জয় কামানৰ কাণতাল মৰা শব্দ একোটা যেন লাগিবলৈ ধৰিলে।

লাহে লাহে সিহঁত দুটা ঘৰৰ ওচৰ পালেগৈ। লগে লগে তিনিজন পুলিচে বন্দুক টোঁৱাই সিহঁতৰ ফালে আগবাঢ়ি আহিল। —"কোন ? কলৈ যাব এই ৰাতি ?" — পুলিচ এজনৰ কৰ্কশ প্ৰশ্ন।

—"মই যামাতিয়া চাহাবৰ পুত্ৰ জগজীৱা যামাতিয়া আৰু এওঁ মোৰ বন্ধু অমৃত।" জগই মাত দিলে।

এজন পুলিচে লগৰ এজনক ক'লে— "সিং আপুনি যামাতিয়া চাহাবক কওকগৈ যে তেওঁৰ পুত্ৰ আহিছে, ভিতৰলৈ যাবলৈ দিমনে নিদিম ?" "য়েচ চাৰ"— বুলি কৈ ইজন পুলিচ ভিতৰ সোমাল।

সেই চেগতে অমৃতে পুলিচজনক সুধিলে — "কিন্তু চাৰ এই জগহঁতৰ ঘৰখন এনেকৈ পহৰা দিয়াৰ কাৰণ কি ? মইতো একো বুজি পোৱা নাই। কিবা……

—"অ এই উগ্ৰপন্থীৰ দল এটাই যামাতিয়া চাহাবৰ প্ৰাণ নাশ কৰিবলৈ চেষ্টা কৰাৰ সম্ভাৱনা আছে।"

—"কি আজে বাজে কথাবোৰ কয় হে ? সম্ভাৱনা আছে ? মানে ……"

হঠাতে জগই মাত লগালে— উগ্ৰপন্থী ? মোৰ দেউতাক হত্যা কৰিব ? কিন্তু পুলিচ চাহাব এতিয়া কি উপায় হ'ব ? এই উগ্ৰপন্থী বোলা বস্তুটো বৰ সাংঘাতিক বস্তু। এতিয়া……

—"আমিও কম সাংঘাতিক নহয় দিয়ক। দেখা যাওক কোন উগ্ৰপন্থী কেনেকৈ চৌহদৰ ভিতৰলৈ সোমায় ? যামাতিয়া চাহাবক হত্যা কৰা দূৰৰ কথা"। — পুলিচজনে দুই ইঞ্চি ওখকৈ বুকুফুলাই গৰ্ব্বেৰে ক'লে।

তেনেতে যামাতিয়া চাহাব ওলাই আহিল। পুতেকক দেখি তেওঁৰ মুখেদি যিটো আপুৰুগীয়া হাঁহি বাগৰি গ'ল কলম্বচে আমেৰিকা আৱিষ্কাৰ কৰোঁতেও তেওঁৰ মুখত সেইটো হাঁহি আছিল বুলি কোনেও নদি কব নোৱাৰে। হাঁহি যামাতিয়া চাহাবে জগ আৰু অমৃতক আদৰি নিলে। ভিতৰত এটা কোঠাত বহিবলৈ দি জগজীৱাক অমৃতলৈ ভাত-পানীৰ দিহা কৰিবলৈ পৰামৰ্শ দি নিজৰ কোঠালৈ আগবাঢ়িল।

ৰাতি ঠিক এঘাৰ বজাত জগজীৱা আৰু অমৃত গৈ যামাতিয়া চাহাবৰ কোঠাত উপস্থিত হ'ল। সেইসময়ত যামাতিয়া চাহাবে মদ খোৱাত ব্যস্ত আছিল। জগহঁতক দেখি মুখত হাঁহি বিৰিঙাই মাত দিলে— আঁহা জগ, ইমান দিন তুমি ক'ত আছিলা ? মইতো তোমাৰ চিন্তাত চিন্তিত হৈ পৰিছিলোঁ।"

বাৰুদৰ টিকাতেহে যেন জুই লাগিল। ইমান এটা মিঠা মাতৰ প্ৰত্যুত্তৰত জগৰ মুখৰ পৰা ওলাই আহিল এক ক্ৰুদ্ধ গৰ্জন —"প্ৰয়োজন নাই মোক লৈ চিন্তিত হোৱাৰ। বিশ্বাসঘাটক ! তোক দেউতা বুলি মাতিবলৈও ঘিণ লাগে। যিজন পিতৃয়ে নিজৰ মাতৃক বিশ্বাসঘাটকতা কৰিব পাৰে, সি মোৰ পিতৃও হ'ব নোৱাৰে। পলম নকৰিবি আমাৰ দলক ফাঁকি দি সংগ্ৰহ কৰা ৫০ হাজাৰ টকা মোৰ হাতত তুলি দে। এতিয়াই।"

হাতেৰে চুই দিয়া লাজুকীলতা ডালৰ দৰে যামাতিয়া চাহাব, কোঁচমোঁচ খাই গ'ল। তথাপি কঁপি কঁপি মুখত কৃত্ৰিম হাঁহি ফুটাই ক'লে—"সোণটো, তোমাৰ বাবেইতো

এই টকা সংগ্ৰহ কৰিছোঁ। বাদ দিয়া তোমাৰ দল। কি কৰিব এইকেইটা ফুকলীয়া ডেকাই? মিলিটাৰীৰ গুলীত ধেঁৱাৰ দৰে কোনোবা দিনা উৰি যাব। গুছি আহাঁ। প্ৰয়োজন নাই নিজৰ জীৱনটো লৈ হেতালি খেলাৰ। কালিলৈ তোমাৰ বাবে এখন নতুন ফিয়েট কিনাৰ কথা ভাৱিছোঁ। তুমি কেনেকুৱা ৰঙ......"

কিন্তু যামাতিয়া চাহাবে জনা নাছিল যে কোনো কোনো পাকত ঢেঁকী থোৱাও নাকত সোমায়। বাপেকৰ কথাত দুগুণ ক্ৰোধান্বিত হৈ জগজীৱাই চিঞৰি উঠিল — "মনত ৰাখিব মই ইয়াত ধেমালি কৰিবলৈ অহা নাই আৰু মোক কোনো গাড়ীৰ প্ৰয়োজন নাই। ত্ৰিপুৰা আইক বিদেশীৰ কবলৰ পৰা মুক্ত নকৰালৈকে, ফুৰিবলৈ মোক গাড়ী নালাগে, এই দুটা ঈশ্বৰ প্ৰদত্ত ভৰিয়েই যথেষ্ট। থাকিবলৈ ঘৰ নালাগে; ত্ৰিপুৰা আইৰ সুকোমল কোলাই যথেষ্ট। মিছাতে সময় নষ্ট নকৰিব। অমৃত, জেপৰ পৰা চেকৰ চাবি উলিয়াই লোৱা।"

অমৃত যামাতিয়া চাহাবৰ ফালে আগ বাঢ়িল। চাহাবেও বুজিলে যে কথা বিষমেই! হঠাতে তেওঁ জেপৰ পৰা পিষ্টল উলিয়াই অমৃতৰ ফালে টোৱাঁব খোজোতেই জগজীৱাৰ হাতৰ চাইলেন্সাৰযুক্ত পিষ্টলৰ গুলী যামাতিয়া চাহাবৰ বুকু ভেদ কৰি ওলাই গ'ল। "বিশ্বাসঘাটক মৰ"—বুলি জগজীৱাই অবিৰাম ঘোঁৰা টিপিবলৈ ধৰিলে। যামাতিয়া চাহাবে টু শব্দ এটা কৰাৰ সময়ো নাপালে। পিষ্টলত যেতিয়া গুলী শেষ হ'ল, তেতিয়াহে তাৰ হুচ আহিল। ইতিমধ্যে অমৃতে চেফ খুলি টকা ৫০ হাজাৰ মোনা এটাত ভৰাই ল'লে। তাৰ পিছত দুয়োটাই বাথৰুমৰ দুৱাৰেদি পিছফাললৈ ওলাই গ'ল। গছ-গছনিৰ আঁৰ লৈ সিহঁত দুটা দেৱালৰ ফালে আগবাঢ়িল। হঠাৎ এজন পুলিচ অফিচাৰৰ চকু সিহঁতৰ ওপৰত পৰাত বন্দুক টোঁৱাই ৰবলৈ আদেশ দিলে। কিন্তু তেতিয়া সিহঁতৰ ৰোৱাৰ সময় নাছিল। দুয়োটাই বেগাই দেৱালৰ ফালে আগবাঢ়িল। অফিচাৰজনে সিহঁতৰ ভৰিলৈ গুলীয়াই দিলে। জগজীৱাই অমৃতক আগলৈ থেলা মাৰি দিলে। গুলী আহি জগজীৱাৰ আঁঠুত লাগিল। সি "আঃ" বুলি অস্ফুট শব্দ এটা কৰি তাতে বহি পৰিল। চকুৰে সৰিয়হ ফুল দেখিবলৈ ধৰিলে। "অমৃত তই পলা। টকা...খিনি আঃ··· আমাৰ দলৰ বৰ ...... প্ৰয়োজন অমৃত। তই পলা অমৃ... তই···পলা।"

বঠা ভগা নাৱৰীয়াৰ দৰে অমৃত বিমূঢ় হৈ পৰিল। সি কন্দনামুৱা হৈ ক'লে—"কিন্তু জগ, তোক এই অৱস্থাত এৰি, নাই নাই মই তোকো লৈ যাম জগ তোকো······।"

—"কোনো উপায় নাই অমৃত,— তই ইমান ওখ ···দেৱাল নিজেই পাৰ হ'ব নোৱাৰিবি··· আৰু ··· মোক? ওহোঁ ··· অসম্ভৱ। ব'ল ··· আঃ ···মই দেৱালৰ ··· কাষত ঠিয় হৈ ··· আঃ আঃ ··· তই ··· মোৰ কান্ধত ভৰি দি ···।"

আৰু কোনো কথা নকৈ জগজীৱাই অমৃতৰ কান্ধত ধৰিলে আৰু দুয়োটাই দেৱালৰ কাষ পালেগৈ। জগই কোনো ৰকমে ঠিয় দি থাকিল। অমৃতে এখন হাতেৰে টকাৰ বেগটো আৰু আনখন হাতেৰে দেৱালত ধৰি, ভৰি

তুখন জগজীৱাৰ কান্ধত দিলে। পিছ মুহূৰ্ত্তে দহফুট ওখ দেৱালত উঠি পৰিল। "জগ… তই…তই মহান। তোৰ মৃত্যু অপৰাজেয় তোক কি বুলি …।"

অমৃতৰ কথা শেষ হবলৈ নাপালে। পুলিচৰ গুলী আহি জাকে জাকে দেৱালত পৰিবলৈ ধৰিলে। অমৃতে সিপাৰলৈ জাপ মাৰি দিলে। গুলী জগজীৱাৰ দেহ থকা-সৰকা কৰি পাৰ হৈ গ'ল। জগৰ মুখৰ পৰা শেষ মাতষাৰ ওলাই আহিল… "জয়… ত্ৰিপুৰা…আই।" ○○

জীয়াই থাকিবৰ বাবে সংগ্ৰাম কৰি যি শিক্ষা পোৱা হয়, সেয়ে প্ৰকৃত শিক্ষা।

● উইলি্য়াম ফিলিপ্ছ।

# “ ক্ৰিমিয়াৰ যুদ্ধৰ বিভীষিকা ”

★ সৌৰভ শৰ্ম্মা

প্ৰাক্ স্নাতক ১ম বাৰ্ষিক ( বিজ্ঞান )

বচাওক ... বচাওক ...। মমিনাই দৌৰিছে। খুব দৌৰিছে। দৌৰি দৌৰি ফোপাই গৈছে। তথাপি তাই ৰোৱা নাই। কোচত এবছৰীয়া পুতেক ছেলিমক লৈ মমিনাই প্ৰাণটাকি দৌৰিছে। পাছফালেও যেন তাইৰ ঘূৰি চাবলৈ সময় নাই। তাই দৌৰিছে মাথো দৌৰিছে। আৰু হয়তো নোৱাৰিলে। এটা সময়ত তাই ৰ'বলৈ বাধ্য হ'ল। আলিৰ কাষৰ নলা এটাৰ ওচৰতে তাই বহি পৰিল। ভয়ত তাইৰ সৰ্ব-শৰীৰ ঘামি গ'ল। হাত-ভৰিবোৰ কঁপিবলৈ ধৰিলে। তাই আকৌ অলপ দৌৰাৰ কথা ভাবিছিল। কিন্তু তাই যাবই বা কেনেকৈ। এবাৰ অহা বাটলৈ ঘূৰি চালে। তাই পুনৰ বচাওক··· বচাওক বুলি উঠি দৌৰ মাৰিলে আগলৈ।

১৮৫৪ চন। ক্ৰিমিয়াৰ যুদ্ধ। চাৰিও-ফালে যুদ্ধৰ বিভীষিকাই মানুহবোৰক পংগু কৰি পেলাইছে। ব্ৰিটেনৰ হিলৈ-বাৰুদৰ শব্দত মানুহ থাকিব নোৱাৰা হৈছে। থাকিবই বা কেনেকৈ ? জন্মভূমিৰ মৃত্যুতকৈ তেওঁলোকৰ মৃত্যু ডাঙৰ নহয়। গোটেই দেশতে শত্ৰুৱে পিয়াপি দি ফুৰিছে। যাকে য'তে পাইছে মাৰিছে। ল'ৰা-ছোৱালীৰ ওপৰতো ভীষণ অত্যাচাৰ চলাইছে। কেচুৱাবোৰক দলিয়াই পেলাই মাৰিছে।

ৰাছিয়াৰ সৈন্যসকলো ইতিমধ্যে ব্ৰিটেনৰ লগত তিষ্ঠিব নোৱাৰি পিছুৱাই আহিছে। জলে-স্থলে ইংৰাজসকলৰ সৈন্য। দেশ যায়

যায় অৱস্থা। তথাপিও সৈন্যসকলে এৰা নাই। গোটেই দেশৰে জনসাধাৰণে এইবাৰ "দেশতকৈ মৃত্যুৱেই শ্ৰেয়" বুলি আগবাঢ়ি আহিছে। তিৰোতাসকলে আনকি নিজৰ পুত্ৰসকলকো যুজলৈ পঠিয়াই দেশৰক্ষাৰ সপোন ৰচিছে। ৰাছিয়াৰ সকলো বিদ্ৰোহী নেতাকে ধৰি নি কাৰোবাক গুলীয়াই মাৰিছে, কাৰোবাক ফাঁচী দিছে। সেয়েই নহয় গাঁৱৰ জীয়াৰী-বোৱাৰীহঁতৰ সতীত্ব নষ্ট কৰিছে। কাৰোবাৰ ঘৰ, কাৰোবাৰ ভঁৰাল পুৰিছে। নাই, আৰু বাকী নাই। গাঁৱৰ মানুহে খাবলৈ নাপাই তিল তিলকৈ মৃত্যুক সাৱতি লৈছে।

এনেকুৱা এখন গাঁৱৰ নাম 'মেৰিণা'। ইংৰাজ সৈন্যই তাতো এখন চাউনী পাতিছে। ৰাছিয়াৰ ভিতৰত এইখন ঠায়েই সবাতকৈ চহকী বুলি নাম আছে। তাৰ মানুহবোৰও উগ্ৰ জাতীয়তাবাদী। গতিকে তাত হাজাৰ হাজাৰ সৈন্য আহি গোট খাইছেহি। মেৰিণা গাঁৱৰ আন এটা বৈশিষ্ট্য হ'ল তাৰ নাৰীবোৰ হেনো 'পৰীৰ বংশধৰ'। অৰ্থাৎ তাৰ নাৰীবোৰ ইমান ধুনীয়া যে মানুহে কোনোবা পৰীৰ বংশধৰ বুলিহে কয়।

মেৰিণাৰ উত্তৰ পাৰে এখন বিৰাট পথাৰ। তাতেই ইংৰাজ সৈন্যৰ লগত এই গাঁৱৰ মানুহে যুজ দিয়ে। অৱশ্যে ৰাতিৰ ভাগত যুজ সিমান নচলে। কিমাননো কৰিব ? সেই গাঁৱৰে এজনী বোৱাৰী মমীনা। গাঁৱৰ অশিক্ষিত এই বোৱাৰীজনীয়ে জনা নাছিল যুদ্ধৰ পৰা তাইৰ কি লাভ হ'ব। তাইৰ কৰ্ত্তব্য কি হ'ব। তাই যে এখন বেলেগ ৰণ কৰিব লাগিব জনা নাছিল। তাই জনা নাছিল তাইৰ ৰূপেই তাইৰ শত্ৰু।

মেৰিণা এতিয়া শত্ৰুৰ হাতলৈ যাওঁ যাওঁ অৱস্থা। আৰু উপায় নাই। ৰাছিয়ান সৈন্যই হাৰি উলটি আহিব লগাত পৰিছে। তথাপি মেৰিণাৰ লোকসকলে আশা এৰি দিয়া নাই।

১১ অক্টোবৰ। চাৰিও ফালে যুদ্ধৰ বিভীষিকাই গ্ৰাস কৰি পেলাইছে। সেইদিনাই হয়তো মেৰিণা গাঁৱৰ অস্তিত্ব ৰক্ষাৰ শেষ পৰীক্ষা। গোটেই গাঁৱৰ মানুহেই আজি ইংৰাজৰ বিৰুদ্ধে যুজ দিব। মমিনাৰ স্বামীয়ে গাওঁবাসীৰ মঙ্গল কামনা কৰি সেনাপতিৰ দায়িত্ব লৈছে। প্ৰত্যেক ঘৰতেই কোলাহল। সকলোৱে নিজৰ স্বামীৰ, পুত্ৰৰ ওপৰতে দেশ ৰক্ষাৰ ভাৰ দি নিজে ক'বচ কাপোৰ বৈ দিছে।

আজলী মমিনাৰ সেইবোৰলৈ খবৰ নাই। পুৱাতেই পুতেকক জগাই দি ৰণলৈ যাবলৈ কৈছে। আৰুটো সময় নাই। গিৰীয়েক ইতিমধ্যে ওলালেই। গিৰীয়েকৰ মতে পুতেকৰ জ্বৰ। গতিকে আজি যাৰ নালাগে। কিন্তু মমিনাই নামানে। দেশ ৰক্ষাৰ কামত হেলা কৰিব নাপায়, গতিকে পুতেক যাব লাগে।

বাপেক পুতেক ওলাল। মমিনাই পুতেকক আশীৰ্বাদ দি গিৰীয়েকক সাৱতি ধৰিলে। কাৰো মুখত মাত বোল নাই। তাই সিহঁতক আগবঢ়াই আহিল। দুই বীৰ যোদ্ধা ঘোঁৰাত উঠি বহিল। বাপেকে সূৰ্য্যটো চাই নিজে সেৱা এটা কৰি পুতেককো কৰিবলৈ কলে।

মেৰিণা গাৱঁৰ সৰু সৰু আলিয়েদি দুয়ো আগবাঢ়িল। কাৰো মুখত মাত নাই। মাত্ৰ ঘোঁৰাৰ ভৰিৰ খট্‌······খট্‌······খট্‌······ শব্দ। দুয়ো বীৰ গৈ আছে। যুদ্ধ ক্ষেত্ৰ পাবলৈ

আৰু বেচি দূৰ নাই। মাজতে পুতেকে নীৰৱতা ভঙ্গ কৰিলে —"পিতাই বেগাই ব'লক। সৌৱা পালোহিয়েই"। বাপেকে উত্তৰ দিয়াৰ পৰিৱৰ্ত্তে 'লেকাম'ডাল কিছু টানি ধৰিলে।

হাবিতলীয়া লুং লুঙীয়া ঠেক বাটেদি আগ বাঢ়িল। দুই বীৰক দেখি হাবিৰ চৰাই চিৰিকটিবোৰেও চিঞৰি উঠিছে। হয়তো আশীৰ্ব্বাদ দি তেওঁলোকক বিদায় দিছে। আকৌ এবাৰ পুতেকে মাত দিলে —"পিতাই সৌ—সৌৱা, বেগাই যাওঁ বলক"।

দুয়ো ৰণক্ষেত্ৰ পালেহি। ইংৰাজসকলে তেওঁলোকৰ সৈন্যক আগবাঢ়িব দিয়া নাই। ঘনাই বৰটোপ ফুটাইছে। তৰোৱালৰ চিক্‌মিকনিয়ে বেলিৰ পোহৰকো তল পেলাইছে। দুই বীৰে আৰু বেছি সময় চাই থাকিব নোৱাৰিলে। এইবাৰ বাপেকে সাউতকৈ তৰোৱালখন উলিয়াই দাঁত কৰচি উঠিল। পুতেকক আদেশ দি ক'লে "যা বাচা দেশ মাতৃক ৰক্ষা কৰ"। আৰু নৰল তেওঁ। নিজ জন্মভূমিৰ নাম সুঁৱৰি ৰণক্ষেত্ৰৰ মাজলৈ ঘোঁৰা চেকুৰাই দিলে। পুতেকক পাই কোনে। তেওঁ আগ বাঢ়িল। পিছুৱাই অহা সৈন্যবোৰও আকৌ আগুৱাই গ'ল।

সন্ধিয়া পৰত নিয়তিয়ে নিনিয়া সৈন্যসকল ইতিমধ্যে উভতি আহিছে। সকলোৰে মুখত দুই বীৰৰ প্ৰশংসা। মমিনাৰ অন্তৰ আনন্দত ভৰি উঠিল পুতেক-স্বামীৰ প্ৰশংসা শুনি। কিন্তু ইমান সময়লৈ তেওঁলোক ঘুৰি নহা দেখি তাইৰ চিন্তাও লাগিল। কিছু সময় তাই অপেক্ষা কৰিলে। মৃত সৈনিকসকলৰ ঘৰত কান্দোনৰ চিঞৰ শুনা গ'ল। মমিনাৰ মনে হাঁহাকাৰ কৰি উঠিল। তাইৰ পুতেক-স্বামী ঠিকেই আছেতো? নাই, তাই আৰু ৰব নোৱাৰিলে। এবছৰীয়া পুতেকক বুকুত সাৱতি তাই ৰণক্ষেত্ৰ পালেহি।

ৰণক্ষেত্ৰ পাইয়েই তাই নিজ পুতেক আৰু স্বামীক বিচাৰিবলৈ ধৰিলে। কিন্তু সৌৱা কি? মমিনাই বিকট চিঞৰ এটা মাৰি ৰণক্ষেত্ৰৰ মাজলৈ লৰ দিব খুজিছিল। কিন্তু নোৱাৰিলে। গাৱঁৰে দুজন সৈনিকে থাপ মাৰি তাইৰ হাতত ধৰি যোৱাত বাধা দিলে। মমিনাই সেই দৃশ্য আৰু চাই থাকিব নোৱাৰিলে। তাই অজ্ঞান হৈ পৰিল।

কিছুসময়ৰ পাছত তাই জ্ঞান ঘুৰাই পালে। তাই পুনৰ চাই দেখে পুতেকৰ বীৰত্বপূৰ্ণ খেল। ইমান দুখৰ মাজতো তাইৰ অন্তৰে হাঁহি উঠিল। কিন্তু পিছ মুহূৰ্ত্ততে তাই পুনৰ সচেতনহৈ উঠিল। মমিনা যেন পাগলীহে হ'ল। পুতেকৰ সেই দৃশ্য তাই চাই থাকিব নোৱাৰিলে। মৃত বাপেকৰ শৱদেহৰ ওচৰত আঁঠু কাঢ়ি এখন হাতেৰে দেউতাকৰ ভৰিত আৰু আনখন হাতেৰে তৰোৱাল ধৰি প্ৰায় সাত জন সৈন্যৰ মাজত সোমাই লৈ অকলেই যুজিছে। যেন কুৰুক্ষেত্ৰত অভিমন্যুহে। তথাপি শত্ৰু সৈন্যকিজন তিষ্ঠিব পৰা নাই। তেওঁ বীৰ পিতাকৰ মৃত দেহক অলপো অপমান কৰিবলৈ দিয়া নাই।

মমিনাই হঠাৎ হাঁহি শুনি পাছফালে ঘুৰি চাই দেখে পাঁচজন সৈনিক। তাইলৈকে চাই হাঁহি আছে। ভয়ত তাইৰ অণ্ঠকণ্ঠ শুকাই গ'ল। এবাৰ পুতেকলৈ চাই দেখে ইতিমধ্যে আৰু তিনিজন ৰাইফলধাৰী ইংৰাজ সৈন্যই পুতেকলৈ টোঁৱাই আগবাঢ়ি

আহিছে। মমিনাই আকৌ এটা বিকট চিঞৰ মাৰি তাইৰ পাছফালে থকা ইংৰাজ সৈনিক-কিজনলৈ ঘূৰি চালে। সিহঁতৰ হাঁহিও দুগুনে বাঢ়িল। সিহঁতৰ লুভীয়া দৃষ্টিলৈ চাই তাইৰ অত্যন্ত ভয় লাগিল। সৈনিককিজন এইবাৰ কিছু আগবাঢ়ি আহিল। মমিনাও দুখোজ পিছুৱাই গ'ল। এবাৰ বীৰ পুত্ৰলৈ চাই তাই আগলৈ লৰ ধৰিলে। কোচত তাইৰ এবছৰীয়া পুত্ৰ। সৈনিককিজনেও এইবাৰ তাইৰ লগে লগে আগবাঢ়ি গ'ল। মমিনাই প্ৰাণটাকি লৰিছে। পিছলৈ ঘূৰি চাবলৈও তাইৰ ভয় লাগিল। তাই লৰিছে আৰু লৰিছে। বহুত দূৰ যোৱাৰ পাছত এবাৰ তাই বৈছিল। কিন্তু বেচেৰীয়ে জিৰাব নোৱাৰিলে। পুনৰ সেই সৈনিক-কিজনক আহি থকা দেখি তাই আকৌ লৰ ধৰিলে। গৈ গৈ এঠাইত তাই ৰবলৈ বাধ্য হ'ল। তাইৰ দেহাই আৰু নসহে। তাইৰ অণ্ঠ-কণ্ঠ শুকাই পৰিল। পিয়াহত সেপ ঢুকিবলৈ ধৰিলে। তাইৰ পোনাকনেও ফেকুৰী উঠিল। বেচেৰীয়ে কৰিব কি ? ফেকুৰী ফেকুৰী তাইও-পুতেকৰ মুখলৈ চাব ধৰিলে। চুমাৰে পুতেকৰ গোটেই মুখ তিয়াই দিলে।

কাৰোবাৰ জোতাৰ গৰপ্ ··· গৰপ্ ·· শব্দত তাই উচপ্ খাই উঠিল। হয়তো সেই সৈনিককিজনেই। তাই উঠি চালে। হয় সেই সৈনিককিজনেই। মমিনাই এতিয়া কি কৰিব ভাবি নোপোৱা হ'ল। কাষতে থকা বৰগছ এজোপাত লুকাবলৈ যাওঁতেই সৈনিককিজনৰ টৰ্চৰ পোহৰত তাই ধৰা পৰিল। সিহঁত তালৈ লৰি আহিল। তথাপি মমিনাই বৰগছ জোপাৰ গাতে গা লগাই চুপ হৈ ৰ'ল।

সৈনিককিজনে তালৈ আহি চাৰিওফালে চাব ধৰিলে। মমিনাই ধৰা পৰাৰ ভয়ত পলাব খুজিছিল তাৰ পৰা। কিন্তু নোৱাৰিলে বেচে-ৰীয়ে। মুখেৰে আঁ······আঁ······কিছুমান শব্দ কৰি তাই মাটিত পৰিল।

পিশাচহঁতে মমিনাৰ ৰাওঁভৰিত গুলি কৰিলে। তাইৰ চেষ্টা মিছা হ'ল। সৈনিক-কিজন ওচৰলৈ অহাত তাই চট্‌ফটাব ধৰিলে। সৈন্যকিজনে এই দৃশ্যত যেন পৰম তৃপ্তিহে লভিলে। হাঁহি হাঁহি সিহঁত কব নোৱাৰা হ'ল। সিহঁত যেন খুব সুখী। সিহঁতৰ হাঁহিয়ে মমিনাৰ অন্তৰ কঁপাই তুলিলে। ভয়তে তাই চকুদুটা মুদি দিলে। ★ ★

# ’৮১ৰ গণৰাজ্য দিৱসলৈ গৈছিলো—

★ ত্ৰিবেণী কাকতি
প্ৰাক্‌স্নাতক কলা

“আমি চঞ্চল হে
আমি সুদূৰেৰ পিয়াসী—”

সৰু কালৰে পৰাই বিভিন্ন ঠাই ফুৰাৰ খুব চখ আছিল। স্কুলতে গাইড থকাৰ বাবে অসমৰ ভিতৰতে অ’ত ত’ত rally হওঁতে যোৱাৰ সুবিধা পাইছিলো। নেদেখা ঠাই দেখাৰ, নিচিনা বস্তু চিনাৰ হেঁপাহ সকলোৰে আছে। অৱশ্যে ভ্ৰমণৰ দ্বাৰা আমাৰ এফালে যিদৰে জ্ঞান লাভ হয় আনহাতে আমাৰ স্বভাৱ-সুলভ মনৰ হাবিয়াসো পূৰ্ণ হয়। যোৱা জুন-মাহত N. C. C ৰ ফালৰ পৰা ‘All India Basic Leadership ’Camp’ নাইনিতালত হওঁতে তাতো যোগ দিয়াৰ সুবিধা আমাৰ ডিগবৈ কলেজৰ ফালৰ পৰা মই আৰু মোৰ বান্ধৱী এজনীয়ে পাইছিলো। যোৱা ডিচেম্বৰ মাহৰ শেহৰ ফালে আমাৰ N. C. C ৰ বাই-দেৱে হঠাতে খবৰ দিলে যে গণৰাজ্য দিৱসৰ বাবে নবেম্বৰ মাহত গুৱাহাটীত হোৱা Selection Camp ৰ বাছনিত উঠিছো। সেই বহু প্ৰতিক্ষিত খবৰটো পলমকৈ পালো যদিও মন আনন্দত নাচি উঠিছিল। গণৰাজ্য দিৱসৰ কথা আনৰ মুখত আৰু ৰেডিঅ’তহে শুনিছিলো। এইবাৰ তাত নিজে যোগ দিবলৈ পোৱাৰ আনন্দত মন উগুল-থুগুল। তথাপি অসমৰ পৰিস্থিতিৰ কথা ভাৱি বেয়া লাগিল। কত উঠি অহা ডেকা গাভৰুৱে এই চলিত আন্দোলনত প্ৰাণ হেৰুৱালে তথাপি তাৰ সমাধানৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ কোনো আগ্ৰহেই নাই। দিল্লী অভিমুখে যাওঁতে গুৱাহাটীত ছাত্ৰ সন্থাৰ পৰা বাধা দিব বুলি ভাবিছিলো যদিও ছাত্ৰ সন্থাৰ পৰা আমাক কোনো বধা দিয়া হোৱা নাছিল।

২৪ ডিচেম্বৰত আমি গোটেই ডিব্ৰুগড় জিলাৰ নিৰ্ব্বাচিত কেডেটবোৰ গুৱাহাটীলৈ বুলি ৰাওনা হ’লো। নতুন দিল্লীলৈ যোৱাৰ আগতে নাৰেঙ্গীত আমি উত্তৰ পূৰ্ব্বাঞ্চলৰ Cadet বোৰে প্ৰশিক্ষণ লবৰ বাবে তাত ১২ দিন থাকিবলগা হৈছিল। নাৰেঙ্গীত থাকোঁতেই ১ জানুৱাৰীৰ দিনা মুখ্যমন্ত্ৰী টাইমূৰে আমাৰ কেম্প পৰিদৰ্শন কৰিছিল। আমি তেওঁক বিহুনাচেৰে আঁদৰিছিলো। আমাৰ বিহুনাচ তেওঁৰ দ্বাৰা উচ্চ প্ৰশংসিত হৈছিল আৰু আমাক ডেৰশ টকা পুৰস্কাৰ হিচাবেও দিছিল।

৬ তাৰিখে সমগ্ৰ উত্তৰ-পূৰ্ব্বাঞ্চলৰ মুঠ ১৩৫ জন নিৰ্ব্বাচিত কেডেট গুৱাহাটীৰ পৰা দিল্লী অভিমুখে ৰাওনা হওঁ। মন উগুল-থুগুল। তথাপি আমাৰ নিজৰ ৰাজ্যৰ দুৰৱস্থাৰ কথা ভাবি প্ৰাণ কান্দি উঠিছিল। অসমৰ শেষ সীমা পাৰ হৈ পশ্চিমবঙ্গত সোমাওঁতে মনবোৰ বেয়া লাগিছিল। তথাপি সাতখন ৰাজ্যৰে ল'ৰা- ছে'ৱালীবোৰ একেলগ হৈ গৈছিলো বাবে বৰ ভাল লাগিছিল। আমি যেন বহুদিনৰ মূৰত একেঘৰৰ বাই-ভনীবোৰহে লগ হৈছো। পৰস্পৰে পৰস্পৰৰ প্ৰতি কিযে এক বুজাব নোৱাৰা টান। গোটেই বাটছোৱা নানাধৰণৰ স্ফূৰ্ত্তি কৰি আমি দিল্লী পালোগৈ। ষ্টেচনৰ পৰা আমাক N. C. C. ৰ গাড়ীয়ে 'Garrison Ground' লৈ নিলে। তাতে আমাৰ Camp ৰ ব্যৱস্থা কৰা হৈছে। চাৰিওফালে বেলেগ বেলেগ ৰাজ্যৰ অজস্ৰ টেন্থ। দেখি আমাৰ বৰ ভাল লাগিল। তাতে সেই ঠাই টুকুৰাৰ প্ৰাকৃতিক দৃশ্যও বৰ মনোৰম। যাত্ৰাৰ সকলো ভাগৰ পাহৰি আমি চঞ্চলা হৰিণীৰ দৰে জপিয়াই জপিয়াই কেম্পবোৰৰ ওচৰলৈ গ'লো। মনৰ ভিতৰতে গাইছো—

"এই লভিনু সঙ্গ তব সুন্দৰ হে সুন্দৰ
পুন্য হল অঙ্গ মম ধন্য হল অন্তৰ"

সঁচাকৈয়ে যেন এনে ঠাই দেখি আমি ধন্য হ'লো। ২৬ জানুৱাৰীলৈ তেতিয়া বহুত দিন বাকী। ইতিমধ্যে আন আন ৰাজ্যৰ ছোৱালী-বোৰৰ লগতো আমাৰ বেছ সহৃদয়তা গঢ়ি উঠিছিল। তাৰ মাজে মাজে আমাৰ দৈনন্দিন কৰ্ত্তব্যও কৰি গৈছিলো। তাত কেম্প পৰিদৰ্শন কৰিবলৈ প্ৰায়ে V. I. P. সকল আহে। তেওঁলোকক আদৰণি জনাবলৈ প্ৰত্যেক ৰাজ্যৰ পৰা একোজনীকৈ ছোৱালী বাচি দিয়ে। অসমৰ হৈ সেই সুবিধাটো ময়েই পাইছিলো। নিজৰ নিজৰ জাতীয় সাজ-পাৰ পৰিধান কৰি হাতত ফুল লৈ আমি শাৰী পাতি ৰৈ থাকো। হাতত গামখাৰু, জক্‌মকীয়া মুগাৰ কাপোৰ আৰু আন আন অসমীয়া অলঙ্কাৰ পিন্ধি যেতিয়া V. I. P. আদৰিবৰ বাবে মই আন আন ৰাজ্যৰ ছোৱালীবোৰৰ লগত থিয় হওঁগৈ তেতিয়া তেওঁ-লোকে অসমৰ পোছাকটো আৰু অসমীয়া অলঙ্কাৰবোৰ খুব প্ৰশংসা কৰে। মন্ত্ৰী বা আন V.I.P. সকলৰ পত্নীসকলে সোধে— "You are from which state ?" আমাৰ O. C. madam এ কৈ যায় কোনজনী কোন-খন ৰাজ্যৰ। তথাপিও তেওঁলোকে আমাৰ মেখেলা চাদৰৰ সৌন্দৰ্য্য দেখি আকৌ সোধে— কয় — How nice, most beautiful dress ইত্যাদি ইত্যাদি! এনেধৰণৰ বিভিন্ন প্ৰশংসা শুনি মোৰ মন এক বুজাব নোৱাৰা আনন্দত নাচি উঠে। অতি মৰমৰ মেখেলা-চাদৰযোৰৰ বাবে গৌৰৱ অনুভৱ কৰো।

শেষত আমাৰ প্ৰতীক্ষিত দিন ২৬ জানুৱাৰী আহি পালে। কিন্তু, ইতিমধ্যে আমি সদৌ অসম ছাত্ৰ সন্থাৰ পৰা গণৰাজ্য দিৱসৰ পেৰেডত যোগ নিদিবৰ বাবে অনুৰোধ কৰি লিখা চিঠি পালো। কাৰণ সিদিনা অসমত ৬ ঘন্টীয়া বন্ধ পালন কৰিছিল। সেয়েহে আমি যোগ নিদিয়াটোকে ঠিক কৰিলো। গণৰাজ্য দিৱসৰ দিনা বিদেশীসকলৰ বাবে থকা গেলেৰীটোত ভলন্টিয়াৰ হিচাবে আমি অৰ্থাৎ অসমৰ দুজনী ছোৱালী আৰু বাকী ৰাজ্যৰ মুঠ পাঁচজনী

ছোৱালী আৰু পাঁচজন ল'ৰা পৰিলো। সেই দিনটো কি এক বিস্ময়ৰ মাজত পাৰ হ'ল তাক ভাষাৰে বুজাব নোৱাৰি। সাগৰ সদৃশ মানুহ। ইমান মানুহ হয়তো আৰু জীৱনতেই দেখা নাপাম। মেক্সিকোৰ প্ৰেছিডেন্ট আৰু ভাৰতৰ ৰাষ্ট্ৰপতি একেলগে ঘোঁৰা গাড়ীত ৰাজপথেদি পাৰ হৈ গৈছিল। প্ৰধানমন্ত্ৰীও মটৰ গাড়ীৰে ৰাজপথেদি পাৰ হৈ গৈছিল লাখ লাখ লোকৰ হৰ্ষধ্বনিৰ মাজত। উৰাজাহাজবোৰেও ত্ৰিৰংগ পতাকাৰ ৰং উলিয়াই আকাশত বিভিন্ন ৰঙৰ সমাবেশ দেখুৱাটো কেতিয়াও পাহৰিব নোৱাৰি। প্ৰত্যেক ৰাজ্যৰে নিজস্ব প্ৰতীকসমূহো বৰ আকৰ্ষনীয় হৈছিল। আমাৰ অসমৰ প্ৰতীকটো আনবোৰ ৰাজ্যৰ তুলনাত বেচ গাম্ভীৰ্য্যপূৰ্ণ যেন দেখা গৈছিল। মুঠতে সিদিনাৰ কাৰ্য্যসূচী নিজ চকুৰে দেখিবলৈ পাই নিজকে বৰ ভাগ্যবান বুলি বোধ হৈছিল — যাৰ স্মৃতি আজীৱন সজীৱ হৈ ৰ'ব।

২৭ জানুৱাৰী দিনা প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধী আমাৰ কেম্প পৰিদৰ্শন কৰিবলৈ আহিছিল। আমি তেওঁক নিজৰ নিজৰ জাতীয় সাজত থলুৱা নৃত্য-গীতেৰে আদৰণি জনাওঁ। সাতভনীৰ সকলোতকৈ আগত আমি — মানে অসমৰ কেডেট্‌বোৰ। ৰাজপথৰ কাষে কাষে লাখ লাখ মানুহ। আমি বিহুগীত গাই নাচি নাচি সমদল কৰি গৈ থাকোঁতে দৰ্শকৰ ফালৰ পৰা কোৱা কাণত পৰে — "য়ে সবসে আচ্ছা লাগা"। বিহুগীতৰ তালে তালে কোনো কোনো দৰ্শকেও হাত চাপৰি বজাবলৈ ধৰিলে। আমি খুব গৰ্ব্ব বোধ কৰিছিলো। সেই বিহুনাচ টেলিভিচনতো প্ৰদৰ্শন কৰাইছিল। সন্ধিয়া হোৱা বিহুনৃত্যবো উচ্চ প্ৰশংসা কৰা শুনিবলৈ পাইছিলো। সেই দিনা পিছবেলা আমাক 'ৰাষ্ট্ৰপতি ভৱন' লৈ নিমন্ত্ৰণ কৰিছিল। তাত সমগ্ৰ ভাৰতৰ কেডেট-বোৰকে তেওঁ চাহ-মিঠায়েৰে আপ্যায়ণ কৰে আৰু তেওঁ আমাৰ আগত কিছু সময় ভাষণ দিয়ে।

২৮ তাৰিখে দিল্লীৰ বিভিন্ন আপুৰুগীয়া বস্তু যেনে— কুটুবমিনাৰ, ৰাজঘাট, বিৰলা মন্দিৰ, মিউজিয়াম, লালকিল্লা, জুম্মা মছজিদ আদি চাবলৈ নিছিল। এইবোৰৰ বিষয়ে আমি কিতাপতহে পঢ়িছিলো কিন্তু এইবাৰ তাক নিজ চকুৰে চোৱাৰ সৌভাগ্য ঘটিল।

২৯ তাৰিখে আমাক আগ্ৰালৈ ফুৰাবলৈ নিছিল। দিল্লীৰ পৰা ই প্ৰায় ১৬০ মাইল দূৰত্বত। আগ্ৰা পাই দূৰৰ পৰা তাজমহলটোৰ অপূৰ্ব্ব দৃশ্যটি দেখি সপোন যেন লাগিছিল। কিতাপত পঢ়াৰ দৰে সঁচাকৈয়ে তাজমহলটো কালি সজাৰ নিচিনা দেখা যায়। মাৰ্বলবোৰ ইমান মিহি যে হাত দিলে হাত পিছলি যায়। ই এনে গঢ়ত সজা যে যি ফালৰে পৰা চোৱা যায় সেই ফালৰে পৰা একে দেখি। আগ্ৰাৰ তাজমহলৰ উপৰিও আগ্ৰা ফ'ৰ্ট, হুমায়ুন টম্ব ইত্যাদি চালো। আগ্ৰাৰ পৰা আমি শ্ৰীকৃষ্ণৰ জন্মস্থান মথুৰাতো সোমাই আহিলো। তাৰ মন্দিৰৰ বেৰত শ্ৰীকৃষ্ণৰ প্ৰতিমূৰ্ত্তিৰ দৰে একোটাকৈ প্ৰতিমূৰ্ত্তিৰ ছবি আপোনা-আপুনি ফুটি ওলাইছে। যিটো দেখি আমি খুব আচৰিত হৈছিলো। সঁচাকৈয়ে ঐশ্বৰিক শক্তিৰ মাহাত্ম্য উলাই কৰিব নোৱাৰি। বিভিন্ন স্ফূৰ্তি আদিৰ মাজেৰে আমাৰ সেইদিনাৰ ভ্ৰমণ সূচীৰ অন্ত পৰিল। এনেদৰেই আমাৰ গণ-

ৰাজ্যদিবসৰ পাচত বিভিন্ন ঠাই ফুৰি-মেলি যাত্ৰাৰ সামৰণি মাৰিলো।

৩০ তাৰিখে আমি অসম অভিমুখে ৰাওনা হ'লো। ইমানদিনৰ মূৰত নিজৰ ঠাইলৈ ঘূৰি অহাৰ আনন্দ কেনে হ'ব পাৰে সকলোৱে উপলব্ধি কৰিব পাৰিব। ১ ফেব্ৰুৱাৰী দিনা আমি গুৱাহাটী পালোহি। তাতেই উঃ পূঃ অঞ্চলৰ সকলো কেডেট ভাগ হৈ প্ৰত্যেকে প্ৰত্যেকৰ পৰা বিদায় ল'লো। ইমান দিনৰ মূৰত সকলো এৰা-এৰি হবলগীয়া হোৱাত আমাৰ দুচকু চকুলোৰে ভৰি পৰিছিল। গুৱা-হাটীত এদিন থাকি আমি ডিগবৈ অভিমুখী ৫ জন কেডেট ৪ তাৰিখে ডিগবৈ পালো। দিল্লীত থকা দিনকেইটাত সমগ্ৰ ভাৰতৰ কেডেটবোৰৰ মাজত যি এক ভাতৃ-ভগ্নীৰ সম্পৰ্ক গঢ়ি উঠিছিল তাৰ স্মৃতি আজীৱন পাহৰিব নোৱাৰো। ★

**"পুথিগত বিদ্যাৰ পৰা প্ৰতীয়মান হয় যে— আমি শিকা কথাবোৰক বাধা দিবলৈ একো নাই, কিন্তু বাস্তৱজীৱনত আমি তেনে বহু নিজেই ত্যাগ কৰিবলগীয়া হয়।"**

**—এপিক টেটাছ্।**



# বৰ্ত্তমান অসমৰ গণজাগৰণ আৰু ডিগবৈ

**শ্ৰীঅজিত কুমাৰ বড়া**
স্নাতক ২য় বাৰ্ষিক ( কলা )

[ অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ পৰিপ্ৰেক্ষিতত ডিগবৈ অঞ্চলৰ বিভিন্ন সংগঠন তথা সংগ্ৰামী জনসাধাৰণৰ পদক্ষেপ সম্পৰ্কে শ্ৰীবৰাই এক অবিকল পৰ্য্যালোচনা আগবঢ়াইছে। আহক! আপুনিও তাৰ বিচাৰ কৰি চাওক। —সম্পাদক ]

গণতন্ত্ৰক এক প্ৰহসনত পৰিণত কৰি দলীয়-ৰাজনীতিৰ প্ৰকোপত সংবিধান মূল্যহীন হৈ পৰিছে। গণতান্ত্ৰিক মূল্যবোধৰ কথা যিমানেই কোৱা নহওক; সংবিধানৰ পৱিত্ৰতা ৰক্ষাৰ নামত যিমানেই শপত নাখাওক, কাৰ্য্যতঃ বৰ্ত্তমান ভাৰতবৰ্ষৰ দলীয় ৰাজনীতিয়ে গণ-তান্ত্ৰিক মূল্যবোধ ও সংবিধানৰ গোটেই ব্যৱস্থা টোকে গ্ৰাস কৰি স্বেচ্ছাচাৰিতাৰ ফালে অগ্ৰসৰ হোৱা পৰিলক্ষিত হৈছে। জনগণৰ দ্বাৰা নিৰ্ব্বাচিত চৰকাৰে দলীয় স্বাৰ্থত গণতন্ত্ৰ তথা সংবিধানক সময়বিশেষে বিসৰ্জন দিবলৈও কুণ্ঠাবোধ নকৰা হৈছে।

উপৰোক্ত কথাখিনি উল্লেখ কৰিবলগীয়া হ'ল এই কাৰণেই, যে অসমৰ জনসাধাৰণে গণতান্ত্ৰিক পদ্ধতিৰে দেশৰ সংবিধান বহিৰ্ভূত বিদেশী নাগৰিকক বহিস্কাৰ কৰাৰ দাবীত সমগ্ৰ অসম জুৰি যি ব্যাপক গণ-আন্দোলন চলাই আছে, এই আন্দোলনৰ ন্যায্যতা স্বীকাৰ কৰিও কেন্দ্ৰীয় চৰকাৰ ও সৰ্ব্বভাৰতীয় ৰাজ-নৈতিক দলসমূহে নিজ নিজ দলীয় স্বাৰ্থত সমস্যাটো সমাধান কৰিবলৈ আগবাঢ়ি অহা নাই, বৰঞ্চ এই বিষয়ত তেওঁলোকে সংবিধানৰ নীতি-নিয়ম বিসৰ্জন দিয়াৰ উপৰিও জনগণৰ গণতান্ত্ৰিক অধিকাৰতো কুঠাৰাঘাত কৰিছে গণতন্ত্ৰৰ ধ্বজাধাৰী চৰকাৰৰ শান্তি ৰক্ষক পুলিচ বাহিনীৰ দ্বাৰা।

আলোচনাৰ মূল বিষয়টো আৰম্ভ কৰাৰ আগতেই ডিগবৈ নগৰখনৰ এটি থুলমূল বিৱৰণ দাঙি ধৰাৰ প্ৰয়োজন হৈছে। কিয়নো ডিগবৈৰ সমাজখনৰ বিষয়ে থুলমূল আভাস দাঙি ধৰিলে বৰ্ত্তমানৰ আন্দোলনে সন্মুখীন হোৱা বিষয় সমূহ আলোচনা কৰা সহজ হ'ব।

ডিগবৈৰ ভৌগলিক বিৱৰণ ডিগবৈবাসীৰ আগত দাঙি ধৰাৰ প্ৰয়োজন বোধ কৰা নাই। কিন্তু ইয়াৰ বিচিত্ৰ সমাজখনৰ কথা কবই লাগিব। ডিগবৈখনক ভাৰতবৰ্ষৰ এটি ক্ষুদ্ৰ সংস্কৰণ বুলি ক'লেও বঢ়াই কোৱা নহ'ব। ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ মানুহ এই সৰু অথচ সুন্দৰ নগৰ খনত বাস কৰে।

ডিগবৈ নগৰৰ মুঠ জনসাধাৰণৰ বেচি ভাগেই চাকৰীয়াল। বাকী সৰু অংশ এটা বিভিন্ন ব্যৱসায়ত লিপ্ত। চাকৰীয়াল সকলৰো কোনো সু-সংগঠিত সমাজ অদ্যপৰিমিত গঢ় লৈ উঠা নাই। চাকৰীয়াল সকলৰ শতকৰা ৮০%ভাগ অসম তেল কোম্পানীৰ চাকৰীয়াল। এই চাকৰিয়াল সকলৰ মাজতো দুখন সমাজ স্পষ্ট। কোম্পানীৰ বিষয়া সকলৰ সমাজ যিখন কেৱল ক্লাৱঘৰতে সীমাৱদ্ধ, যিখন সমাজ তথ্য দহৰ স্বাৰ্থৰ বাবে কাম কৰাত দেশৰ অপাৰগ। এই সমাজখন নিৰীক্ষণ কৰিলে এনে লাগে যেন বৰ্ত্তমানৰ মানৱ সভ্যতা আদিম যুগলৈ পিচুৱাই গৈছে। আনখন শ্ৰমিক সমাজত আজিলৈকে বিভিন্ন সম্প্ৰদায়ৰ শ্ৰমিকৰ সামাজিক ঐক্য দেখা নগ'ল। এই শ্ৰমিকসকলৰ শতকৰা ৭৫ ভাগেই সমাজ সচেতন বুলি ক'ব নোৱাৰি। ইয়াৰোপৰি এই সৰু নগৰখনত কেইবাটাও বুদ্ধিজীৱি সকলৰ গোট আছে। কিন্তু এই গোট কেইটাই সামাজিক ঐক্য তথা সাম্প্ৰদায়িক সংহতিৰ কাৰণে কোনো কাম কৰা চকুত নপৰে। সৰ্ব্বভাৰতীয় ৰাজনৈতিক দলৰ স্থানীয় গোট সমূহে জনসাধাৰণৰ মাজত সাম্প্ৰদায়িক অনৈক্যৰ বীজ সিচি অশান্তি সৃষ্টি কৰি দলীয় স্বাৰ্থ অক্ষুন্ন ৰখাৰ বাহিৰে তেখেতসকলৰ সামাজিক অৱদান শূণ্য।

এতিয়া আহো মূল আলোচনালৈ। অসমৰ অন্যান্য ঠাইৰ লগতে ডিগবৈতো, ডিগবৈ আঞ্চলিক ছাত্ৰ সন্থা আৰু ডিগবৈ আঞ্চলিক গণ সংগ্ৰাম পৰিষদৰ পৰিচালনাত আন্দোলনৰ সকলো কাৰ্য্যসূচী সফল ৰূপায়ণ কৰি আহিছে। যিহেতু এই সমস্যাটো কেৱল কোনো সম্প্ৰদায়ৰ বা প্ৰাদেশিক সমস্যা নহয়, সেয়ে এই আন্দোলনত বিভিন্ন সম্প্ৰদায়ৰ লোকে সক্ৰিয় সহযোগিতা নকৰিলেও সহায় ও সমৰ্থন জনাই আহিছিল ও আহিব। আন্দোলনৰ প্ৰতি বিভিন্ন সম্প্ৰদায়ৰ সমৰ্থন, বৰ্ত্তমান শাসনাধিষ্ঠ ৰাজনৈতিক দলৰ স্থানীয় গোট, দুই মুখ্য সাম্যবাদৰ মুখ্য পিন্ধা সাম্যবাদী দলৰ স্থানীয় গোট আৰু অসম বিৰোধী চক্ৰৰ সহ্য নহ'ল। আৰম্ভ হল এক ঘৃণিত ষড়যন্ত্ৰ — আন্দোলনক মষিমূৰ কৰিবৰ কাৰণে। শাসনাধিষ্ঠ ৰাজনৈতিক দল আৰু দুয়োটা সাম্যবাদী দলৰ স্থানীয় গোটে অসম বিৰোধী গোটৰ সহযোগত জনসাধাৰণৰ মাজত সাম্প্ৰদায়িক বিদ্বেষৰ ব্যেহু ৰচনা কৰিলে। যাৰ ফলস্বৰূপে শান্তি সম্প্ৰীতিৰ প্ৰতীক ডিগবৈ নগৰত সাম্প্ৰদায়িক অশান্তি প্ৰকট হৈ পৰিল। আন্দোলনৰ নেতৃত্বধাৰী সন্থা দুটাৰ নেতৃবৃন্দৰ অশেষ চেষ্টাৰ ফলত শান্তি সম্প্ৰীতি কিছু পৰিমাণে ঘুৰি আহিছিল আৰু আন্দোলন সকলোৰে সহযোগিতাত পূৰ্ণোদ্যমে চলিছিল। প্ৰথম ষড়যন্ত্ৰত ব্যৰ্থ হৈ ষড়যন্ত্ৰকাৰীসকলে দুষ্কৃতীকাৰীৰ হতুৱাই ১৯৮০ চনৰ ২ জানুৱাৰী তাৰিখে ডিগবৈ নগৰৰ বিভিন্ন ঠাইত অগ্নি সংযোগ, লুটপাট, মাৰধৰ ইত্যাদি ঘটনা সংঘটিত কৰোৱাই ডিগবৈৰ পৰিস্থিতি চৰম ধৰণেৰে উত্তেজিত কৰি তুলিলে। সেই ছাত্ৰ সন্থা ও গণ সংগ্ৰামৰ নেতাসকলৰ অশেষ চেষ্টাৰ ফলত পৰিস্থিতি কিছুপৰিমাণে আয়ত্বলৈ অহাটো ষড়যন্ত্ৰকাৰীসকলৰ সহ্য নহ'ল। তেওঁ-লোকে এইবাৰ পৰিস্থিতি চৰম পৰ্য্যায়লৈ নিবৰ বাবে নিজেই সক্ৰিয় হৈ পৰিল আৰু ৩ জানু-

ৱাৰী ১৯৮০ চনৰ ৰাতি ১২ বজাত তেওঁলোকৰ উদ্যোগত চৰম উত্তেজনাৰ সৃষ্টি হ'ল, ফলত ডিগবৈ নগৰ সান্ধ্যআইনৰ কবলত পৰিল আৰু আন্দোলনৰ কাৰ্য্যসূচী ডিগবৈত ব্যাহত হৈ পৰে। প্ৰশাসনীয় কৰ্তৃপক্ষইও, অসম তেল কোম্পানীৰ দুই এক বৰমূৰীয়া বিষয়াৰ সহযোগত ডিগবৈৰ পৰিস্থিতি শান্ত কৰাৰ পৰিবৰ্ত্তে অশান্তি অব্যাহত ৰখাৰ চেষ্টা চলোৱাহে দেখা গৈছিল। যি হওক ডিগবৈৰ জনসাধাৰণৰ সহযোগত শান্তি সম্প্ৰীতি পুনৰ ঘূৰি আহিছিল, কিন্তু ইয়াৰ বীজ থাকি গৈছিল। পৰিস্থিতি সাধাৰণ অৱস্থালৈ ঘূৰি অহাত আন্দোলনৰ কাৰ্য্যসূচীত জনসাধাৰণে পুনৰ সহযোগিতা আগবঢ়ালে। চৰকাৰী, বেচৰকাৰী কৰ্ম্মচাৰী সকলেও আন্দোলনৰ সক্ৰিয় অংশীদাৰ হৈ আন্দোলনৰ নেতৃবৃন্দৰ আহ্বানত চৰকাৰৰ লগত অসহযোগ কৰিলে। আন্দোলন বিৰোধী অসম তেল কোম্পানীৰ পৰিচালনা বৰ্ডৰ দুই এক সদস্যই আন্দোলনক বিভ্ৰান্ত কৰাৰ উদ্দেশ্যেৰে এক উদীয়মান যুৱক কৰ্ম্মচাৰীক চাকৰিৰ পৰা সাময়িকভাৱে বৰ্খাস্ত কৰি কৰ্ম্মচাৰীসকলৰ মাজত ভীতি সঞ্চাৰ কৰি আন্দোলন বিমুখ কৰিবলৈ প্ৰচেষ্টা চলাইছিল। কিন্তু সেই চেষ্টা ব্যৰ্থ হয়। কৰ্ম্মচাৰীসকলে আন্দোলনৰ প্ৰতি কেৱল নৈতিক সমৰ্থনেই নহয় সক্ৰিয় সমৰ্থনো আগবঢ়াই থাকিল। এইদৰে ছাত্ৰ, যুৱক, কৃষক, শ্ৰমিক আৰু কৰ্ম্মচাৰীসকলৰ সহযোগিতাত ষড়যন্ত্ৰকাৰীসকলে প্ৰমাদ গণিলে। তেওঁলোকে অনুভৱ কৰিলে যে যেতিয়ালৈকে ছাত্ৰ ঐক্য বিনষ্ট কৰিব পৰা নাযায়, তেতিয়ালৈকে আন্দোলন ব্যৰ্থ কৰাৰ ষড়যন্ত্ৰ সফল নহয়। সেয়ে তেওঁলোকে এইবাৰ ছাত্ৰসকলৰ মাজত বিভাজন অনাৰ উদ্দেশ্যৰে অনা ছাত্ৰ আৰু দুষ্কৃতিকাৰীক লৈ সংখ্যালঘু ছাত্ৰ সন্থা গঠন কৰিলে। জনসাধাৰণৰ মাজত উত্তেজনা বৃদ্ধি কৰিবলৈকে ডিগবৈ নগৰৰ জনবহুল পথ এটাৰ ওপৰত ৰাজহুৱা সভা অনুষ্ঠিত কৰিলে। জিলা প্ৰশাসনেও চৰকাৰৰ পোষ্য পুত্ৰ এই সংগঠনটোক পাৰ্য্যমানে সহায় আগবঢ়ালে। আন্দোলনকাৰী নেতৃবৃন্দই আহ্বান কৰা ২৬ আৰু ২৭ মে ১৯৮০ ৰ পিকেটিংত এটা বিশেষ সম্প্ৰদায়ৰ ছাত্ৰযুৱকে "আমছু"ৰ বেনাৰত "আছুৰ" স্বেচ্ছাসেৱক-সেৱিকাই কৰা পিকেটিংত সশস্ত্ৰ ভাৱে বাধা দিবলৈ আগবাঢ়ি আহিল। চৰকাৰী পুলিচ বাহিনীয়ে এই সংগঠনৰ পক্ষ লৈ আন্দোলনকাৰী জনসাধাৰণক ভীতি প্ৰদৰ্শন কৰিবলৈ ধৰিলে। কিন্তু আন্দোলনকাৰী জনসাধাৰণৰ দৃঢ় মনোবলৰ আগত তেওঁলোকৰ যৌথ প্ৰচেষ্টা ব্যৰ্থ হয়। ডিগবৈ আঞ্চলিক ছাত্ৰসন্থাৰ স্বেচ্ছাসেৱক বাহিনীৰ অশেষ চেষ্টাৰ ফলত বৰডুমছাৰ পৰা পাৰৈ আৰু লক্ষীপথাৰৰ পৰা টিংৰাইলৈকে এই বৃহৎ অংশত এটা বিৰাট সংগঠন গঢ়ি তোলাত সক্ষম হয়। ছাত্ৰ সন্থাৰ নেতৃত্বই, টাইমূৰ চৰকাৰে নেতৃত্ব লোৱাৰ পাছত চৰকাৰী পুলিচ বাহিনীৰ বিভিন্ন অত্যাচাৰৰ মাজতো আন্দোলনৰ কাৰ্য্যসূচী সফল ৰূপায়ন কৰাৰ বাবে দৃঢ় সঙ্কল্পবদ্ধ।

